# Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRA ~~DHAR~~ BAROUH | |
| Title: আসাম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaama Saahaitaya Sabhaa Patakaikaa | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Assam Sahitya Sabha - Jorhat. |
| Year: ~~1931~~ 1930-31 (1951-52 Sak) | Edition: |
| Size: 22 cms - 258 pages | Genre: Magazine |
| Volumes: 4 - 6 issues | Condition of the original: Not good |
| Remarks: 1st published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# আসাম সাহিত্য-সভা-পত্ৰিকা।

আহাৰ—শাওন, ১৮৫১—৫২

চতুৰ্থ বছৰ ] মুঠ সংখ্যা—১৯ [ পঞ্চম সংখ্যা

## "জয় সাগৰ-তীৰ্থত" জয়মতী-তিথি-সন্মিলনী।

২৬ চ'ত, ১৮৫৭ শঁক।

সাহিত্য পেঞ্চনাৰ—শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা,

### সভাপতিৰ অভিভাষণ।

ওঁ

শ্ৰীশ্ৰীকৃষ্ণায় নমঃ।

### স্তুতি।

"মূকং কৰোতি বাচালং পঙ্গুং লঙ্ঘয়তে গিৰিং।
যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱং॥"

প্ৰভু! তোমাৰ কাৰ্য্য তুমি কৰিবা, আমি হাতৰ পুতলী মাথোন; তোমাৰ উদ্দেশ্য তুমি সিদ্ধি কৰিবা, আমি মাথোন নিমিত্ত কাৰণ।

এতিয়া, জয়মতী-তিথি-উৎসৱ-সমিতিৰ সম্পাদিকা আৰু সভ্য সকল, সমবেত মহিলা মণ্ডলী, আৰু সন্মিলিত সহযোগী ব্যক্তি সকল, আপোনা লোকলৈ মোৰ বিনীত সম্ভাষণ জনাওঁ। তাৰ পাচত, মোৰ জীৱনৰ আবেলি পৰত এই মহা তীৰ্থস্থানত উপনীত হবলৈ মোক এটি সোণাময় চেগ দিয়াৰ বাবে আপোনাসকলৰ শলাগ লওঁ। তাৰো পাচত, এই মহা-তিথি-সন্মিলনীত সভাপতিৰ আসন দি মোক অযাচিতে সন্মানিত কৰাৰ বাবে আপোনা-সকলক ধন্যবাদ দিওঁ।

সভাপতি বৰণ কৰাৰ আগলৈকে সন্মিলনী সম্পৰ্কীয় সকলো দায়িত্ব আপোনা সকলে সুচাৰুকৈ চম্ভালি উঠিছে। পিচে, ইয়াৰ পাচৰ পৰা মোৰ দায়িত্ব মই কেনেকৈ চম্ভালোঁ, এতিয়া তাকেহে ভাবি-গুণি বিবুদ্ধি হৈছোঁ। একে-আষাৰে কবলৈ গলে, এই যাত্ৰাত মই মূৰ পাতি লোৱা বিষয়-বাবৰ গুৰুতৰ ভাৰ বৈ নিৰাপদে পাৰ পোৱাটো টান দেখিছোঁ; বৰঞ্চ হিতে-বিপৰীত ঘটাই জাঁজত সোমাওঁহে বুলি ভয়হে লাগিছে। এতেকে, আপোনালোকে দয়া কৰি মোৰ আগন্তুক ত্ৰুটী মাৰ্জ্জনা নকৰিলে আৰু উপায় নাই।

পাতনি মেলিবৰ মন নাই, তথাপি একেষাৰ আগধৰি আপোনাসকলক নজনোৱাকৈ নোৱাৰি যে, আজিৰ সভা-পতিৰ গুৰুতৰ বিষয় বাব ব'বলৈ বাস্তৱতে মোৰ গাত বল নাই। অকল বয়সে বল হৰাৰ বাবেই নহয়, বিবিধ শাৰীৰিক আৰু মানসিক দুখ-বেজাৰ, দহজনৰ কাৰ্য্য ভাৰ এজনে বৈ সংসাৰ-যাত্ৰা কৰিব লগা হোৱাত জিৰণিৰ অভাৱ, জীৱন-সামৰণৰ লগে-লগে হাতৰ কৰ্ত্তব্য-সামৰণৰ অৰ্থে পৰতৰ পাটনি ইত্যাদিয়ে জুৰুলা কৰি অনাত,

ৰাইজৰ সেৱা চলোৱা কামলৈ মই ক্ৰমাৎ অকামিলা হৈ পৰিছোঁ। আগৰ বল-শক্তি আৰু মোত্ নাই, আছে মাথোঁ তাৰ সোঁৱৰণী। সেই হেতুকে, এই মহাভাৰ মোলৈ আগ বঢ়াওঁতেই মোৰ কেঁকান উঠিছিল; কিন্তু কৰ্ত্তব্যই নামানিলে, আপোনাসকলেও নেৰিলে, অগত্যা মৰোঁ জীওঁকৈ আজিৰ এই বলে-নোৱৰা বাব মূৰ পাতি লৈছোঁহি।

সি যি হওক, এতিয়া আচল কথালৈ আহোঁ। আজিৰ এই মহা সন্মিলনৰ উদ্দেশ্য ব্যাখ্যানৰ সকাম নাই, কিয়নো এই সমবেত ৰাইজৰ প্ৰত্যেকেই সেই মহৎ উদ্দেশ্যত অনুপ্ৰাণিত হৈ আহিছে। মহাসতী জয়মতী কুঁৱৰীৰ স্মৃতিকাহিনী আজি ভাৰতময় ৰাষ্ট্ৰ, অসমৰ এই পাৰিজাত ফুলপাহিৰ সৌৰভত আজি জগত আমোল-মোল। তাৰ এতি নিদৰ্শন এই যে আজি কালি ঘৰতকৈ পৰত জয়মতী কুঁৱৰীৰ আদৰ অধিক, দেশতকৈ বিদেশত সতী জয়মতীৰ গুণ-পূজা বহল হোৱাৰ আগন্তুক দেখা গৈছে। গতিকে, আজি সেই স্বনাম প্ৰখ্যাতা সাধ্বী সতী জয়মতী কুঁৱৰীৰ তিৰোভাৱৰ তিথি বুলি সি আপুনি ৰাষ্ট্ৰ, আপোনা আপুনি ব্যাপৃত। তাৰ এটি চিন এই যে, আজিৰ এই তিথি-উৎসৱলৈ আমি নিমন্ত্ৰণ পোৱাৰ আগেয়েই নিলগৰ বঙ্গ প্ৰমুখ্যে অন্যান্য প্ৰদেশী সমাজে ইয়াৰ বহল সংবাদ পাইছিল; বঙ্গৰ কেইবাখনো আলোচনী আৰু বাতৰি কাকতত ইয়াৰ আয়োজনৰ বহল বৰ্ণনা প্ৰচাৰিত হৈছিল। আন কি এই তিথি উৎসৱত উপস্থিত হবলৈ নিলগৰ পৰা কোনো কোনো সতী-গুণ-গ্ৰাহী সদাশয় যাত্ৰীয়ে এই মহা তীৰ্থলৈ ধাউতি মেলাৰ বিষয়েও আমি গম পাওঁ। এতেকে আজিৰ এই মহা-সন্মিলনীৰ মহান উদ্দেশ্যৰ বিষয়ে মই নকওঁ বুলিয়েই একোকে নকওঁ, সমবেত নৰনাৰীয়ে নিজে নিজৰ উদ্দেশ্য সুঁৱৰি নিজ নিজ কৰ্ত্তব্য পালনলৈ সক্ষম হওক।

যদিও স্বভাৱতে এই মহাতীৰ্থস্থানে যথাসময়ত যথা-যোগ্য নাম নোপোৱাকৈ নাথাকেহেঁতেন, তথাপি মোৰ মনেৰে ইয়াৰ আশু নাম কৰণ হোৱাটো বাঞ্ছনীয়। মই প্ৰস্তাব কৰোঁ, এই মহা ক্ষেত্ৰতে এই মহা তীৰ্থৰ নাম "জয়সাগৰ তীৰ্থ" বুলি গৃহীত আৰু অভিহিত হওক (সমবেত ৰাইজৰ সম্মতি সূচক চাপৰি)। সম্প্ৰতি এই মহাতীৰ্থৰ সংৰক্ষক হৈছে, বৰ্ত্তমান "জয়মতী-তিথি-উৎসৱ-সমিতি"। এই সমিতিৰ জৰিয়তেই এতিয়া গৃহীত হোৱা নামকৰণ সৰ্ব্বত্ৰে প্ৰচাৰিত হওক, আমাৰ এই বাঞ্ছা। সেয়ে হলে, তাৰ পৰা যে অযাচিতে বহুত উপকাৰ পোৱা যাব, তাৰ গুণত যে এই পৱিত্ৰ তীৰ্থস্থানৰ সংৰক্ষণ আৰু উন্নতিৰ অৰ্থে প্ৰচুৰ অৰ্থ সাহায্য লাভ কৰা যাব, তাক বহলাই কোৱাৰ সকাম নাই। কোৱা বাহুল্য নকৰি, এটি পটন্তৰ দি থোৱা যায় যেনে, দ্বাৰভঙ্গা মহাৰজাৰ শুভাগমনত ৺কামাখ্যা মহাপীঠৰ বহল উন্নতি। আশা কৰোঁ, মহাসতীয়ে যথাসময়ত তেওঁৰ এই কাম তেওঁয়েই সমাধা কৰাব।

তেওঁজৰেলিৰ তিথি-সন্মিলনীত "জয়মতী-মন্দিৰ" বা "জয়মতী তিথি-মণ্ডপ" এটি পকিকৈ প্ৰতিষ্ঠা কৰা বিষয়ক এটি অতি লাগতিয়াল সিদ্ধান্ত গৃহীত হোৱা শুনি আমি নিলগৰপৰাই পৰম সন্তোষ লাভ কৰিছিলোঁহক, এই বেলিৰ তিথি-সন্মিলনীত, সমপূৰণ কৈ নহলেও, তাৰ মহামায় কৈ কাম আগ বঢ়া দেখা পামহি বুলি বৰকৈ আশা পালি আহিছিলোঁ। পিচে, বৰ পৰি-তাপৰ বিষয় যে, আজিকো পতি সেই মণ্ডপ বা মন্দিৰৰ কাম হাতত লোৱাই হোৱা নাই! এই অৰ্থে, অৰ্থ-সংগ্ৰহৰ যি বিপুল আয়োজন প্ৰস্তাবিত হৈছিল, দাতা আৰু দাত্ৰী সকলে যেনেহে উলাহ-আগ্ৰহেৰে বৰঙনীৰ প্ৰতিশ্ৰুতি দিছিল, তাতে চাই, কাম হাতত লোৱা হলে, ইমান দিনে নিশ্চয় মন্দিৰ যুগুত হৈ উঠিল হেঁতেন। যি হওক, এতিয়াও যেন "জয়মতী মন্দিৰ-সমিতি" সেই উদ্দেশ্যত তৎপৰ হয়, এই বাঞ্ছা। সেহ অৰ্থে মযো, দুখীৰ দুখী অৱস্থাৰে, এই ক্ষেত্ৰতে ১০০ এশ টকাৰ প্ৰতিশ্ৰুতি আগ বঢ়াইছোঁ (মহিলা হৰ্ষ-ধ্বনিৰ আশীৰ্ব্বাদ সূচক মঙ্গল উৰুলীত মোৰ মন-প্ৰাণ উৰুলীকৃত হয়)।

এই খিনিতে তিথি আৰু 'উৎসৱ' সম্বন্ধে আমাৰ একাষাৰ কৈ লব লগা হৈছে। কিয়নো, ইয়াৰ আগেয়ে মই কেইবা প্ৰসঙ্গতো 'তিথি' সংজ্ঞাটি আপোন মনেৰে



প্ৰয়োগ কৰি আহিছোঁ। আপোনা সকলে, বিশেষকৈ জয়মতী-উৎসৱ সমিতিয়ে মোৰ ধৃষ্টতা ক্ষমা কৰিব যে, মোৰ অন্তৰৰ ভাব হেচি তল-পেলাব নোৱৰা হেতুকে মই অযাচিতে 'তিথি' বচনটি আশে পাশে লগাই আহিছোঁ। আপোনাসকলে 'জয়মতী-উৎসৱলৈ' বুলি মোক নিমন্ত্ৰণ দিয়াৰ স্থলতো সমিচাৰত মই 'জয়মতী-তিথি-উৎসৱ' বুলি আহিছোঁ। অপৰাধ স্বীকাৰ কৰাৰ লগে লগে, তাৰ যথাযথ যুক্তি-কাৰণাদি আপোনাসকলৰ কাণ চুৱাই থব খোজোঁ। জানো সি আপোনাসকলৰ সহানুভূতি লাভ কৰিব পাৰেই অন্ততঃ যি সকলে মোৰ মতলৈ সমূলি ভিৰিব নোখোজে, সেই সকলেও মোক ক্ষমা কৰিবলৈ ই সিবিলাকৰ অন্তৰ কোমল কৰিব পাৰে। সেই অৰ্থেও মোৰ নিজা বাক্য ব্যয় নকৰি, তেওঁজৰেলি তেজপুৰত 'জয়মতী-তিথি-উৎসৱ" সভাত শ্ৰীমান্ লক্ষ্মীধৰ শৰ্ম্মা এম, এ, বি, এল, দোপাদেৱে পাঠ কৰা মোৰ সহধৰ্ম্মিনীৰ ৰচনাখনৰ পৰা এছোৱা তুলি দিলেই যথেষ্ট হব বুলি ভাবোঁ; কিয়নো সেই ৰচনাত "বক্তিৰ" পোহৰ পৰোঁতে সি সম্পাদকীয় সমৰ্থন পাইছিল। যেনে, "এই তিথিক অনেকে উৎসৱ বুলিও পালিছে। উৎসৱ বোলাত মোৰ আপত্তি বিশেষ নাই। এই মহা তিথি পালনৰ মহৎ উদ্দেশ্যলৈ লক্ষ্য কৰি ইয়াক উৎসৱ বুলিলেও ভুল নহয়। কাৰণ, মহাসতী জয়মতী কুঁৱৰীৰ পৰম পৱিত্ৰ পটন্তৰে আমাক উন্নতি লাভ কৰিবলৈ বল দিব, গতিকে আমাৰ মনত উলাহ লাগিছে, সেই কাৰণেই সেই মহৎ পটন্তৰ আগতলৈ আমি এই উৎসৱ পাতিছোঁহক। কিন্তু ভুল নহলেও, মকল 'উৎসৱ বোলাত' হৃদয়ত অতি গভীৰ, অতি মহীন, অতি মৰ্ম্মস্পৰ্শী আচল মহান বিষাদী ভাবটি ফুটি হুঠে যেনে লাগে। সেই হেতুকে, আজিৰ এই পুণ্যভাগিক উৎসৱ' নুবুলি তিথি' বুলিলেহে আচল ভাবৰ ওচৰ নেদিকৈ চাপিব বুলি মনে ধৰে। আন হাতে দিকে গাম চালে এনেহে লাগি যায় যে, আবিৰ্ভাবত উলাহ আৰু তিৰোভাৱত বিষাদ বোধ আছেই। তাৰ উপৰিও, 'তিথি' বোলাত ভক্তিৰ ভাব বহল হয় যেন লাগে। সেই কাৰণেহে, গুণীৰ গুণ পূজাৰ মোল পোৱা সকলে আমাৰ দেশত মহানাৰী আৰু মহাপুৰুষ সকলৰ আবিৰ্ভাৱ আৰু তিৰোভাৱ দুয়ো উদ্দেশ্যে তিথি পালনৰ ৰীতি কৌটী কালৰপৰা চলাই আহিছে। এতেকে, সেই ৰীতি অনুসৰি অপৰাপৰ মহানাৰী আৰু মহাপুৰুষৰ জন্ম বা মৃত্যু উপলক্ষীয় সভা বা সবাহক যদি তিথি বোলা যায়, তেন্তে পৃথিৱীৰ অদ্বিতীয়া মহাসতী মহানাৰী ৺জয়মতী কুঁৱৰীৰ তিৰোভাৱ উপলক্ষীয় সভা-সন্মিলনীক 'তিথি' বোলাত কি আপত্তি হব পাৰে? আমি যদি সচাঁকৈয়ে, আৰু সৰল চিত্তেৰে মহাসতী জয়মতী কুঁৱৰীক ভক্তি কৰোঁহক; উপাসনা কৰোঁহক, তেওঁৰ গুণ পূজা কৰোঁহক, তেন্তে সেই ভক্তি, উপাসনা আৰু গুণ পূজা উপলক্ষীয় সবাহাদিক কিয়নো তিথি নুবুলিম? নুবুলিলে আমাৰ ভক্তি, উপাসনা পূজাক সংকীৰ্ণ ভাবে চুব বুলি ভয়হে লাগে। সেই দেখি, মোৰ মনেৰে, এনে সভা-সন্মিলনীত তিথি বচনৰ বিয়োগ ঘটিব নালাগে। আনহাতে, উৎসৱ বচনো মচি পেলাব লগীয়া নহয়। গতিকে, দুয়ো বচনৰ সংযোগ ঘটাই তিথি-উৎসৱ' বুলিলেও অসঙ্গত নহব বোধকৰোঁ।"—বৰ সন্তোষৰ কথা যে, তেজপুৰ শাখা আৰু শিৱসাগৰ শাখা সভাত আজিকালি 'তিথি' আৰু 'উৎসৱ' দুয়ো সংজ্ঞা ব্যৱহৃত হোৱা দেখা গৈছে। (এইখিনিতে জয়সাগৰত জয়ন্তীয়তে এই অনুষ্ঠানৰ প্ৰতিষ্ঠা কৰোঁতা সকলৰ অগ্ৰগন্য এজন শ্ৰীযুত ৰাধিকা-শৰ্ম্মাদেৱে ইয়াৰ আদি সভাৰ কাৰ্য্য-বিৱৰণীৰ টোকাবহি মোক ৰাইজৰ আগত দেখুৱায় যে, এই মহৎ অনুষ্ঠানৰ প্ৰাণ প্ৰাৰম্ভতা কৰোঁতেহ ইয়াৰ নামকিৰণ "৺জয়মতী-তিথি-মহোৎসৱ" বুলি আদিতে লিপিবদ্ধ হৈ আছে)।

গৱৰ্ণমেণ্টৰ ওচৰত অসন্তোষ কাৰৰ লগীয়া যে এই সৰ্ব্বজনিক তিথি-উৎসৱ উপলক্ষে অদ্যাপি চকাৰিকৈ পৰ্ব্ব বন্ধ দিয়াৰ নিয়ম প্ৰচলিত হোৱা নাই। এই বিষয়ে গৱৰ্ণমেণ্টৰ ওচৰত যথাবিধি আবেদন কৰাৰ স্থলতো তাৰ প্ৰতি কিয় আওকাণ কৰা হৈছে বুজিব পৰা নাই। যদিহে সাধাৰণ উৎসৱ বুলি ধৰি ইয়াক পৰ্ব্বৰ লেখত লোৱা নাই, তেন্তে সেইটো গৱৰ্ণমেণ্টৰ বৰ ভুল হৈছে, ইয়াক প্ৰথম শ্ৰেণীৰপৰাৰ লেখত লোৱা-

টোৱে শুদ্ধ হব। সন্তোষৰ কথা, আজিকালি গৱৰ্ণমেণ্টে উদাৰ ভাৱে সুবিচাৰ কৰি আমাৰ দেশৰ মহাপুৰুষ সকলৰ তিথিত বন্ধ দিয়াৰ নিয়ম চলাইছে। এতেকে, এই মহা নাৰীৰ তিৰোভাবৰ তিথিকো সেই শ্ৰেণীত ভুক্ত কৰি এই সৰ্ব্বজনিক পৰ্ব্বৰ দিনা চৰ্কাৰি অফিচ আদি বন্ধ দিয়াৰ নিয়ম চলোৱা যুগুত। সেই অৰ্থে, এই তিথি-সন্মীলনিৰপৰা গৱৰ্ণমেণ্টক পুনৰপি অনুৰোধ বাঞ্ছনীয় বোধ কৰোঁ।

স্বৰূপতে, মই ইমানতো আচল কথাৰ ওচৰ চাপিবগৈ পৰা নাই এথোন। সেই আচল কথা হৈছে, যাৰ তিথি উৎসৱত আজি আমি এই পবিত্ৰ তিৰ্থ স্থানত সমবেত হৈছোঁহিঁক, সেই মহানাৰী মহাসতী জয়মতী কুঁৱৰীৰ জীৱন চৰিত সুমৰণ সেই উদ্দেশে দু-আষাৰ। বাস্তৱতে, দু-আষাৰ হে, তাতকৈ সৰহ কবলৈ মোৰ নতুন সমল সৰহ নাই। যি দু-আষাৰ কোৱা যাব, সিও মোৰ পুৰণি আলোচনাৰ বুকৰ হে। সেই পুৰণি কালৰ সোঁত ভাঙি উজাই গৈ থাকিলে আজিৰ পৰা আঢ়ৈ কুৰি বছৰৰ আগৰ এটা সোৱঁৰণীৰ ঘূলিত ওলোৱাগৈ যায়। তাতে মোৰ এই কথাৰ আঁতিগুৰি হৈছে। তেতিয়া মোৰ ওমলা কালত বুঢ়ালোকৰ মুখে সাধুকথা শুনাৰ লগতে, ৺জয়মতী কুঁৱৰীৰ বিষয়ে ইমানকে শুনা মোৰ মনত বয় যে, তেওঁ হেনো নিজৰ পতিৰ হৈ প্ৰাণকে দিলে, তথাপি স্বামীৰ সন্ধান নিদিলে। সেই সন্ধান উলিয়াবৰ অৰ্থে, কুঁৱৰীক এজোপা কঁটকৰা গছত বান্ধি ( এই পুণ্য সলিলা জয়-সাগৰৰ ঠিক কৰ্ণ সম্পাতৰ থলত, তেতিয়াৰ কঁটকৰা গছ এজোপাত ) একেৰাহে চৈধ্য দিন নানা তৰহৰ উৎকট শাস্তি দিয়া হৈছিল ; তথাপি তেওঁ কেৰেপকে নকৰিলে, স্বামীৰ সন্ধান নিদিওঁ বুলিয়েই নিদিলে। কুঁৱৰীৰ বীৰ স্বামী গদাপাণি কোঁৱৰে শুনি শুনি সহিব নোৱাৰি, নগাৰ বেশেৰে আহি নিজ ভাৰ্য্যাৰ কাষ চাপি এই বুলি উপদেশ দিছিল হি, "হেৰ মানুহজনি, তই গিৰিয়েৰৰ কথা কৈ দি ৰক্ষা পৰ"। সতী জয়মতীয়ে কিন্তু স্বয়ং স্বামীগুৰুৰ সেই চেনেহৰ পৰামৰ্শ সভক্তিৰে দলিয়াই পেলাই, এই দুই আষাৰ সঙ্কেত বাণীৰে সৈতে কোঁৱৰক

তত্তালিকে আকৌ নিলগাই পঠিয়ালে, "মই মোৰ গৃহস্থৰ কথা নকওঁ, বুলিছোঁ নকওঁ, ইবিলাকক মাতিছে কোনে ইয়ালৈ ! গুচি বা নাযায় কিয় ?" ইমানেই। ইয়াত পৰ, সেই আঢ়ৈ কুৰি বছৰৰ আগেয়ে, জয়মতী কুঁৱৰীৰ সম্বন্ধে মই আৰু একো সম্ভেদ্ পোৱা নাছিলোঁ।

## জয়মতি উৎসৱৰ আঁতি গুৰি

তাৰ পাচত, এতিয়াৰ পৰা দুকুৰিমান বছৰৰ আগেয়ে, সেই কালৰ এজন প্ৰত্নতত্ত্বানুৰাগী লেখক ৺ৰত্নেশ্বৰ মহন্তদেৱে "জয়মতী কুঁৱৰী আৰু লাঙ্গি গদাপানি" নামে এটি প্ৰবন্ধ লিখি মোৰ দ্বাৰাই সম্পাদিত "বিজুলী" নামে মাহেকীয়া আলোচনী কাকতত প্ৰচাৰ কৰায়। সেই প্ৰবন্ধই এই মহাসতীৰ অনুপম চৰিত্ৰ আলোচনাৰ কালে মোৰ আকৌ এচিপ ধাউতি বঢ়ায় ; আৰু সেই প্ৰবন্ধ তাৰ পাচত, মোৰ দ্বাৰাই সংগৃহীত আৰু প্ৰচাৰিত "সাহিত্য সংগ্ৰহ" নামে পুথিত সন্নিবিষ্ট হোৱাত, আজি সি আমাৰ পঢ়াশলীয়া লৰা ছোৱালীবো হাতে-হাতে হৈছে। তাৰো-পৰি, সেই প্ৰবন্ধৰ প্ৰেৰনাতে, ডেৰকুৰিমান বছৰৰ আগেয়ে, মোৰ সেই কালৰ তথ্যসংগ্ৰহত গঁড়িলা লৈ মই অমিত্ৰাক্ষৰ ছন্দত "জয়মতী" নামে এখন নাটক ৰচি প্ৰচাৰ কৰোঁ ; এয়ে মোৰ জয়মতী চৰ্চ্চাৰ তৃতীয় ছেদ। তাৰ পাচত, ছেগ বুজি, মোৰ "অসমৰ বুৰঞ্জী" নামে পুথিৰ যোৱা অষ্টাদশ তাঙ্গৰনকৈকে মাজে মাজে সংশোধন কৰাৰ লগে লগে, ৺জয়মতী কুঁৱৰীৰ জীৱন চৰিত বিষয়ক অনেক অচৰপ কিম্বদন্তী-মূলক তথ্য সংগ্ৰহ কৰা হয়। তাৰো পাচত, ৺জয়মতী স্মৃতি বহল কৰাৰ উদ্দেশে, "গদাধৰ" নামে মই আৰু এখন ছন্দীয়া নাটক ৰচনা কৰি প্ৰচাৰ কৰোঁ। এই দুয়োখন নাটক একেলগে অভিনীত কৰি অসমৰ কোনো কোনো নাট্য মন্দিৰত ৺জয়মতী-চৰিত সমপূৰণ কৰি দেখুওৱা হৈছে,—দেখি মোৰ অন্তৰত আনন্দ নধৰা হৈছে, আৰু সেই বাবে এই ছেগতে সেই নাট্য মন্দিৰ বিলাকৰ গৰাকী সকলৰ মই শলাগ লৈছোঁ। ইয়াত বাজেও, যেতিয়াই সি নতুন সংগ্ৰহ কৰিব পাৰিছে তেতিয়াই জয়মতী-চৰিত্ৰ-চৰ্চ্চাৰ সভা সমিতিত শুনো



আছোঁ। আৰু, আপোনা সকল বাইজেও যে সেই সম্পৰ্কত নিচেই কম্ কৰিছে এনে নহয়, আপোনা সকলে আজি ভালেমান দিনৰপৰা, বিশেষকৈ এই "জয়মতী-তিথি অনুষ্ঠান" প্ৰতিষ্ঠা হোৱা দিনধৰি মহাসতী জয়মতীৰ চৰিত্ৰ-চৰ্চ্চাত আশাতীত ৰূপে আগবাঢ়ি আহিছে। "জয়মতী তিথি-মহোৎসৱ" পাতনৰ ৰীতি প্ৰচলনৰ পৰা যোৱা ১৫ বছৰে ইয়াৰ সংৰক্ষক সমিতিয়ে এই "জয়সাগৰ তীৰ্থ" লৈ ভাৰতৰ চৌপাশৰপৰা জন-ভোমোৰাৰ মন আকৰ্ষণ কৰিব লাগিছে। সেই বাবে এই সমিতিৰ আমি নথৈ শলাগ লৈছোঁহঁক। যোৱা ১৫বছৰ কাল বছৰি মহানাৰী জয়মতীৰ চৰিত্ৰ এই মহাতীৰ্থ স্থানত আলোচনা কৰা হৈছে। ইতি মধ্যত তথ্যগ্ৰাহী লোকে যেতিয়াই যি নতুনও লাভ কৰিছে, তেতিয়াই তাক আমাৰ লগত যোগ দিবলৈকো বাকী ৰখা নাই। গতিকে, আজি তাৰো উপৰি-ওপৰকিকৈ যোগ দিবলৈ মোৰ নতুন সমল বিশেষ একো নাই বুলিলেই হয়।

কিন্তু নতুনলৈ ধাউতি হৈছে বুলি পুৰণিলৈ পিঠি দিয়াটো যেন আপোনালোকে ধৰি নলয়। বৰঞ্চ, নতুন সংগ্ৰহ পুৰণিৰ জেউতি চৰাবলৈ হে বুলি বুজিব ; বিশেষতঃ সততে পুৰণিৰ গাত গঁড়িলা লৈহে নতুন অনুসন্ধানলৈ বাট মুকলি কৰা যায়। কিয়নো, পুৰণিৰ ভেঁটি নহলে নতুনৰ ভঁড়াল বান্ধিবলৈ থল পোৱা নাযায়। আনহাতে যেনেকৈ আউটা যায় মানে সোণৰ জেউতি চৰে, তেনেকৈ চৰ্চ্চা বাঢ়েমানে পুৰণিৰ গৌৰৱ বাঢ়ে। বাস্তৱতে, জীৱন-চৰিত পুৰণি হোৱা বস্তুও নহয় ; বুৰঞ্জী যেনেকৈ পুৰণি হব নোৱাৰে, সাধু-চৰিত্ৰও তেনেকৈয়ে পুৰণি হব নোৱাৰে। এতেকে, আমাৰ মহামূলীয়া জয়মতী-চৰিত আমি যতেকে আউটিমহক, ততকে ইয়াৰ জেউতিহে চৰিব, যতেকে ইয়াৰ চৰ্চ্চা বাঢ়িব, ততকে অসম-জীয়াৰী অদ্বিতীয়া মহা-সতী জয়মতীৰ গুণ-গৌৰৱ বহলকৈ ৰাষ্ট্ৰ হব। হাবিত সু-ফুল ফুলে, আৰু সৰি মৰহি যায় ; অসম-হাবিৰ এই জয়মতী পাৰিজাত ফুল-পাহি ফুলি, সৰি, মৰহিও সি গোন্ধত আমোলমোল, যাৱত চন্দ্ৰ-দিবাকৰ ইয়াৰ সৌৰভ মাৰ নাযায়। সেই পাৰিজাতৰ পৰিমললোভী জন-

ভোমোৰা তাৰ উদ্দেশ্যে নানা সভ্য ঠাইৰপৰা অযাচিতে অসম হাবিলৈ ধাৱিত হব লাগিছে ; ইয়াৰ নিদৰ্শন আজিৰ এই বিৰাট সন্মিলনী, আৰু ভাৰতৰ নানা ঠাইত কাকতে-পত্ৰে এই তিথি-মহোৎসৱ বিষয়ক সু-বহল বৰ্ণনা।

## জয়মতীৰ সত্যাগ্ৰহ অৱলম্বন

৺জয়মতী কুঁৱৰী অকল যে সতীত্ব প্ৰভাৱেই জগত-জিলিকা এনে নহয়, তেওঁ এগৰাকী অসামান্যা দেশহি-তৈষিণী ৰূপেও জগত পূজিতা। তেওঁযে অকল স্বামীৰ কুশলাৰ্থে তনুত্যাগ কৰিছিল এনে নহয়, তেওঁ দেশৰ হিতাৰ্থেও লৰা-ৰজাৰ অকথন অসহন অত্যাচাৰৰপৰা দেশ-বাসীক উদ্ধাৰ কৰাৰ উদ্দেশ্যে নিজে অশেষ অসহন আৰু অকথন যন্ত্ৰণা আৰু লাঞ্ছনা আদি নিৰ্য্যাতন অকাতৰে সহ্য কৰিছিল। আজি মহাত্মা গান্ধীয়ে প্ৰবৰ্ত্তোৱা সত্যাগ্ৰহ পন্থা সতী জয়মতীয়ে তেতিয়াই—আজি চাৰিশ মান বছৰৰ আগেয়েহে প্ৰবৰ্ত্তাইছিল। যেতিয়া প্ৰাণপতি গদাপাণি কোঁৱৰক প্ৰাণ লৈ পলাবলৈ বিস্তৰ কাকুতি কৰিও কুঁৱৰীয়ে মান্তি কৰাব নোৱাৰিলে, তেতিয়া তেওঁ অগত্যা দেশৰ দোহাই দি তেওঁক সেই প্ৰস্তাৱত মান্তি কৰায়। প্ৰাণপ্ৰিয়া জয়মতী কুঁৱৰীয়ে যেতিয়া কাকুতি এৰি অভি-মান কৰি মধুৰ গ্লানিৰে সৈতে এই বুলি টানি ধৰিলে যে, গদাপাণি কোঁৱৰে তেওঁৰ বীৰত্ব দেখাবৰ আচল ছেগ নৌ আহে এখোন, লৰা-ৰজাৰ সামান্য সেনা দলৰ বিৰুদ্ধে বীৰ গদাপাণিৰ বাহুবল খটালে তাৰ গৌৰৱ হানি হব মাথোন ; অসময়ত অকলশৰীয়াকৈ যুঁজি গদাপাণিয়ে আত্মসৰ্পণ কৰিলে পতিত অসমৰ আৰু উদ্ধাৰ নহব। দেশ উদ্ধাৰ নহলে জীৱন উদ্ধাৰ নহয়। অসমৰ উদ্ধাৰৰ অৰ্থেহে অসমীয়াৰ জীৱন। এতেকে, সেয়ে সিদ্ধি নহলে গদাপাণিৰ জীৱনধাৰণ অসিদ্ধ হব। গতিকে, দুদিনমানৰ নিমিত্তে মাথোন কোঁৱৰে আঁতৰি থাকি আত্ম-ৰক্ষা কৰা একান্ত বাঞ্ছনীয়। তাৰ অন্যথা হলে, জয়মতীৰ জীৱন ধাৰণৰ উদ্দেশ্যও বিফল হব, তেওঁৰ বীৰ স্বামীৰ বাহুবল পিতৃৰ বংশমৰ্য্যাদা, ইন্দ্ৰবংশী আহোম ৰজাৰ সু-শাসন প্ৰণালী সকলোৰে দুৰ্নাম আহিব। ইত্যাদি প্ৰেৰণাযুক্ত

যুক্তি প্ৰয়োগেৰে বীৰভাৰ্গ্যা জয়মতী কুৱঁৰীয়ে বীৰস্বামী গদাপাণি কোৱঁৰক আত্মৰক্ষাৰ্থে আঁতৰিবলৈ অগত্যা মান্তি কৰালে। কিন্তু, নিজে অনুপ্ৰাণিত নহলে এনেকুৱা বীৰত্ব-পূৰ্ণ উদগণিৰেও বীৰ পুৰুষক অনুপ্ৰাণিত কৰি তেওঁৰ ইচ্ছা বিৰোধী কাৰ্য্য কৰোৱাটো সম্ভৱপৰ নহয়। এতেকে, যি দেশপাণা বীৰভাৰ্গ্যা বীৰ-প্ৰসৱিনী জয়মতী কুৱঁৰী এনে জলন্ত দেশহিতৈষিতাৰে অনুপ্ৰাণিত, তেওঁনো সাধাৰণ নাৰী, সামান্ত দেশহিতৈষিণী আছিল নে! আজি ভাৰতৰ নাৰী-জাগৰণৰ দিনত সেই মহানাৰী জয়মতীৰ পটন্তৰ অমোঘ শক্তি জয়মতীৰ সেই শক্তিৰ যি কাৰ্য্য, তেওঁৰ জীৱন্ত কালত সিদ্ধ হবলৈ বাকী ৰৈছিল, তেওঁৰ পটন্তৰে তাৰ সিদ্ধি লাভ কৰালে; সেই পটন্তৰেই আজিও নিৰ্জ্জীৱ ভাৰতবাসীক পুনৰ্জ্জীৱিত কৰিব,—পতিত ভাৰতক উদ্ধাৰ কৰিব। জয় জয়মতীৰ জয়! জয় গদাপাণিৰ জয়!!

## দাম্পত্য প্ৰণয়ৰ চানেকী।

জয়মতী আৰু গদাপাণিৰ আৱিৰ্ভাৱ তিৰোভাৱো ঈশ্বৰৰ এটি বিশেষ অভিপ্ৰেত কাৰ্য্য। জয়মতীৰ কাৰণেই গদাপাণিৰ আৰু গদাপাণিৰ কাৰণেই জয়মতীৰ জন্ম। এটিৰ অবিহনে আনটি অসম্পূৰ্ণ হৈ থাকিলহেঁতেন। জয়মতীৰ জন্ম নোহোৱা হলে গদাপাণিৰ জীৱন ব্যৰ্থ হলহেঁতেন, আৰু গদাপাণিৰ জন্ম নোহোৱা হলে জয়মতীৰ জীৱন হাবিৰ সুগন্ধি ফুল যেন হলহেঁতেন। সোণত সুৱগাৰ দৰে, গদাপাণিত জয়মতীৰ সহযোগৰ ফল স্বৰূপ আজি আমি পৃথিবীৰ এজোৰা আদৰ্শ নৱ-নাৰীৰ গুণ-পূজা কৰিবলৈ এই মহা ছেগ লাভ কৰিছোঁহক। আন হাতে, গদাপাণিৰ অবিহনে জয়মতীৰ স্বামী নাই, জয়মতীৰ অবিহনে গদাপাণিৰ ভাৰ্য্যা নাই;—গদাপাণিয়েই হে জয়মতীৰ আচল অৰ্দ্ধাঙ্গ; জয়মতীয়েইহে গদাপাণিৰ আচল অৰ্দ্ধাঙ্গিনী; এই প্ৰকৃত অৰ্দ্ধ-অৰ্দ্ধাঙ্গিনীৰ সংমিলন সংঘটিত নোহোৱা হলে, জগতে অনুপম দাম্পত্য প্ৰেমৰ এখনি বিতোপন চানেকী হেৰুৱালেহেঁতেন। আন পাকে, দেশৰ নিমিত্তেহে জয়মতী গদাপাণিলৈ আৰু জয়মতী গদাপাণিৰ নিমিত্তেহে দেশ; সেই ক্ষণ জন্মা আৰু বিচক্ষণীয়া নৱ-নাৰীৰ যথাসময়ত আৱিৰ্ভাৱ আৰু তিৰোভাৱ নঘটা হলে, সেইকালৰ পতিত অসমৰ পুনৰুত্থানৰ আৰু সম্ভাৱনা নাছিল, অসমৰ বিগত স্বাধীনতা গৌৰৱ চাৰিশমান বছৰৰ আগেয়েই লোপ পালেহেঁতেন; আৰৌ ইয়াতে সেই কালৰ ৰাষ্ট্ৰবিপ্লৱত অসমৰ পতনমুখী দুৰ্দ্দশা নঘটা হলে, জয়মতী গদাপাণিৰ অসাধাৰণ প্ৰতিভা প্ৰতিভাত হবলৈ যথাযোগ্য ছেগ নিমিলিলহেঁতেন, মহানাৰী জয়-মতীৰ নামে এই মহাতীৰ্থ "জয়সাগৰ" আৰু যোগৰ বিজয়ী মহাবাহু গদাধৰ সিংহৰ অসামান্য বীৰত্বৰ চানেকীৰে সৈতে জকাইচুকীয়া অসম জগতজিলিকা হবলৈ নাপালেহেঁতেন। তাৰোপৰি, সেই আদৰ্শ দম্পতী জয়মতী গদাপাণিৰ মধুমিলন ঘটিবলৈ নোপোৱা হলে, আমি অতগন কীৰ্ত্তিৰাশিৰে সৈতে এই সু-পৱিত্ৰ মহাতীৰ্থস্থান লাভ নহলহেঁতেন, সেই কালৰ অসম-গগণৰ দুপৰ-হকা স্বৰ্গদেৱ ৰুদ্ৰসিংহ মহাৰাজক লাভ কৰাৰ সম্ভাৱনা নাছিল, যুগমীয়া কীৰ্ত্তিমন্দিৰে সৈতে এই সু-প্ৰশস্ত যশস্যা সাগৰ লাভ হোৱাৰো আশা নাছিল।

এই তিথি-সন্মিলনীৰ আচল বস্তু আমাৰ আজিৰ নায়িকা মহানাৰী মহাসতী জয়মতী কুৱঁৰীৰ চিনাকি আঁতি গুৰি মাৰি এতিয়াও মই আপোনাসকলক দিব পৰা নাই এথোন। এই চিনাকি দিয়া আজিৰ দিনত মোৰ পক্ষে নিচেই উজু কথা নহয়; কিয়নো আজিলৈকে এই মহা নাৰিৰ জীৱনী-তথ্য মই যি সংগ্ৰহ কৰিব পাৰিছোঁ, সি কেৱল কিম্বদন্তীমূলক; কোনো লিখিত বুৰঞ্জীত "জয়মতী" নামটো সধ্যে মই বিচাৰি পোৱা নাই এথোন। মই তাহানিয়েই শিৱসাগৰৰ হাইস্কুলত পঢ়োতে শুনা অলিখিত বুৰঞ্জীৰ কথা আৰু পাচত গোটোৱা কিম্বদন্তী মতে ৺জয়মতী কুৱঁৰী বৰগোহাঁঞি বংশৰ জীয়াৰী,—লাইপেপেনা বৰগোহাঁঞি ডাঙ্গৰীয়াৰ জীয়াৰী। এই "জয়মতী-তিথি-উৎসৱ" মহাযজ্ঞৰ নৱ প্ৰাণ-প্ৰতিস্থাপক সমিতিৰ প্ৰতিনিধি স্বৰূপে জনদিয়েক উদ্যোগী ডেকা সাহিত্যিকে এই তিথিৰ সঠিক দিন নিৰ্দ্ধাৰণৰ অৰ্থে মেচাগৰীয়া আৰু মাহুৰিয়াল বৰগোহাঁঞি আৰু লঙ্কাকীয়া বুঢ়াগোহাঁঞিসকলৰ বৃদ্ধ আৰু বুৰঞ্জী-বিত লোকসকলৰে সৈতে কৰা আলোচনাৰ সিদ্ধান্ত মতে



৺জয়মতী কুৱঁৰী বৰগোহাঁঞি ডাঙ্গৰীয়াৰ জীয়াৰী; সেই মতে বৰগোহাঁঞি ডাঙ্গৰীয়াৰ **২৪** গৰাকী ভাৰ্য্যাৰ মাজৰ **ত্ৰয়োদশ** গৰাকীৰ গৰ্ভজাত কন্যা জয়া আইদেউ। কিন্তু, এতিয়া শ্ৰীযুত গোলাপচন্দ্ৰ বৰবৰুৱাৰ বি-এ দেৱৰ-পৰা জানিবলৈ পাই আমি বৰ সন্তোষ পাইছোঁ যে, আমাৰ আজিৰ নায়িকা ৺জয়মতী কুৱঁৰীৰ নাম বোলে লিখিত পুৰুষনামা পুথি এখনত ওলাইছে,—সেইখন আদাবৰীয়া সন্দিকৈ বংশৰ পুৰুষনামা। সেই পুৰুষ-নামা মতে জয়মতী কুৱঁৰী মদন সন্দিকৈ বৰবৰুৱা বা ডুলীয়া সন্দিকৈ বৰবৰুৱাৰ জীয়াৰী। জয়মতীৰ মাতৃ দেওধাইৰ জীয়াৰী। এই জনা বৰবৰুৱাৰ পাঁচ জন পুত্ৰ; আৰু এগৰাকী মাথোন কন্যা হয়; সেই কন্যাই হৈছে জয়মতী। সেই পুৰুষনামাত বোলে আৰু অলপ বহলাই লিখা আছে যে, জয়মতী আইদেউক গদাধৰসিংহ স্বৰ্গদেৱলৈ বিয়া দিছিল, আৰু সিবিলাকৰ সংমিলনৰ ফলত লাই আৰু লেচাই নামে দুটি পুত্ৰ লাভ হয়,—লাই নামেই হৈছে স্বৰ্গদেৱ ৰুদ্ৰসিংহ। এতেকে শেহৰ বিশেষণ বাদ্ধনিলৈ চাই কবলৈ গলে, এই জয়মতীয়েই যে সেই জয়মতী তাত সন্দেহ নাই। এতিয়া, উল্লিখিত পুৰুষনামাখন অনতি পলমে পোহৰলৈ ওলালেই হয়। সেই অৰ্থে, মোৰ মনেৰে সেই পুৰুষনামাখন সাঁচিপতীয়া ভাগেই তাৰ গৰাকীয়ে "জয়মতী-তিথি মহোৎসৱ সমিতি"ক দেখুৱাই লৈ, তাত নিহিত থকা এই মূল্যবান তথ্যপ্ৰচাৰ কৰিবলৈ যুগুত কৰা বাঞ্ছনীয়। সি যি হওক, আহোম জীয়াৰী জয়মতীহেন মহানাৰীৰ নাম আহোম বুৰঞ্জীত বিচাৰি নোপোৱা পৰিতাপ মোৰ অন্তৰপৰা সতকাই আঁতৰ নহৈছে এথোন; অৱশ্যে মই আজিলৈকে পঢ়ি চাবলৈ পোৱা পুৰণি বুৰঞ্জীৰ ভাগেই কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাৰ পাচৰ বুৰঞ্জী।

## প্ৰথম দেখা দেখি

কোৱা বাহুল্য মাথোন যে, বিধতাই পতা জোৰা মিলাবলৈ সেই বিধতায়ে তাৰ ব্যৱস্থাও কৰে। এতদৰ্থে, জোৰা-নো লগা অভিপ্ৰেত অৰ্দ্ধাঙ্গ আৰু অৰ্দ্ধাঙ্গিনীৰ প্ৰাণে প্ৰাণ-ধৰা-দিয়া দিয়িয়েই পোন-প্ৰথম ব্যৱস্থা। ই মেঘত বিজুলীৰ দৰে, চমক লগোৱা দেখা দেখি। এদিন পিয় দুপৰীয়া বৰবৰ গুৱনি কৰি জয়া আইদেউ বহি আছে। এনেতে, কোনোবা ফালৰপৰা ৰ'দত পকি-জঁকি আহি গদাপাণি কোৱঁৰ চ'ৰাত উপস্থিত। ভোক-পিয়াহত আতুৰ কোঁৱৰ বৰ নোৱাৰি পোনেই ভিতৰলৈ সোমাই গল। ভিতৰ সোমাই গৈয়ে তেওঁ চাট্‌কৰে দেখি ক্ষন্তেক চমক খাই ৰল, গৃহলক্ষ্মী স্বৰূপে বহি থকা পৃথিৱী যেন শাঁত দিপ্‌লিপ্‌ গাভৰু এটি? জয়া আই-দেউৰো সেই একে দশাই; অকস্মাতে সাক্ষাত কন্দৰ্পহেন শ্ৰীমন্ত ডেকাপুৰুষ বীৰবাহু গদাপাণি কোৱঁৰক দেখা পাই আইদেউৰ গা-মন আচম্বিতে চঞ্চল হৈ উঠিল। সেই ছেগতে সেই মহেন্দ্ৰ ক্ষণতে চাৰিচকুৰ সন্মিলনত দুয়োৰো প্ৰাণে দুইকো অযাচিতে ধৰা-দিয়া-দিয়ি হল। কিন্তু, কোঁৱৰৰ ভোকটো তাতোকৈ চৰা। তেওঁ সেই অপূৰ্ব্ব অনুৰাগ অনুভৱ কৰিও, ততালিকে তালৈ পিঠি দি, জয়া আইদেউত এই বুলি আহাৰ ভিক্ষা কৰিলে, "গাভৰুদেউ, কি আছে দিয়া খাওঁ, বৰ ভোক লাগিছে"। আইদেৱে ততাতৈয়াকৈ ভিতৰ সোমাই গৈ লৰা-লৰিকৈ হাতী-খুজীয়া বৰবাটীৰে এবাটী পইতা ভাত মিঠা খালোনেৰে ভঙ্গা ভঙ্গাৰে সৈতে আনি আথেবেথে কোৱঁৰৰ আগত দিলেহি। গদাকোৱঁৰে খাই পৰম তৃপ্তি লাভ কৰিলে। তাৰ পাচত পুনৰপি চাৰিচকুৰ কটাক্ষ বান কটাকটি হল। এনেতে, দুয়ো একে ছাৱতে সংজ্ঞা লাভ কৰি তলমূৰ হল, আৰু ইতিক্ষণতে বীৰ স্থিৰ খোজেৰে কোৱঁৰ আহোঁ-নাহোঁকৈ মুখত নিজে সুবুঞ্জা বুল্‌বুলনিৰে সৈতে অগত্যা ওলাই আহিল; আহিল, কিন্তু সেই অব্যক্ত অনুৰাগৰ বাগিটি লাগিও আছিল, থাকিও আছিল। তাৰ পাচত যি হল, তাক আৰু দোহাৰি কোৱাৰ সকাম নাই।

কিন্তু হায়, জয়মতী-গদাপাণিৰ মহামিলনৰ ফলাফল আৰু তাৰ সামৰণৰ বিষয়ে নোদোহাৰি নোৱাৰি। মিলনৰ ফল হৈছে এখনি আদৰ্শ সংসাৰ। সেই সংসাৰত কলি মলিয়াইছিল লাই আৰু লেচাই। এই লাই আৰু

লেছাই গোহাঁঞিদেৱদ্বয়েই কালত ক্ৰমে মহাৰাজ ৰুদ্ৰসিংহ স্বৰ্গদেৱ আৰু নামৰূপীয়া ৰজা হয়গৈ। সামৰণ কিন্তু অকথন! কথনৰ আগেয়েই হিয়া বিদৰি যায়! আজি যি পুণ্যতীৰ্থস্থানত আমি সমবেত হৈছোঁহিঁক, এয়ে সেই মহা সমৰণৰ ভীষণ স্থল। এয়ে সেই যশস্যাসাগৰ, "জয়সাগৰ"। এই পুণ্যসলিলা সাগৰৰ সম্ মাজভাগত, অৰ্থাৎ দুই কপৰেখাৰ সম্পাতৰ স্থলত এজোপা প্ৰকাণ্ড কঁত্‌কৰা গছ আছিল। গছজোপাৰ গুৰিৰেপৰা গোট্‌গায় পাজি যেন জোঙা, থোপা থোপে কাঁইট। লৰুৰু পুতলী যেন সুকোমল শৰীৰৰ গদাভাৰ্য্যা জয়মতী কুৱঁৰীক পিচলৈ হাতকৈ সেই গছৰ গাতে পঘাৰে মৈতে মেট্‌মেট্‌কৈ বান্ধি লৈ, লৰা-ৰজাৰ নৰঘাতী নিৰ্দ্দয় চাণ্ডদাঙ্গে নিতে ন-ন শাস্তি দি তেওঁত তেওঁৰ প্ৰাণাধিক স্বামীগুৰু গদাপাণি কোৱঁৰৰ সন্ধান সুধিছিল। কঠুৱা পহটা পঘাৰ বান্ধত কুৱঁৰীৰ সুকোমল পোৱালি হাতৰ ঠাৰি উৰ্ঘ্‌লি গৈছিল! পাজি যেন জোঙা জোঙা কঁত্‌কৰা কাঁইটৰ ওপৰত অঁটা পদুমৰ পাহীযেন পিঠি, কাটি-কুটা কৰিবৰ সাধ্য নাই। এনে বান্ধোনত জঠৰ কৰি লৈ কুকুৰাচোৰা চাণ্ডদাঙ্গে কুৱঁৰীৰ গোটেই গাত ডোমচোৰাটেৰে কোবাই লৈ তাৰ ওপৰত পানী ঢালি দিয়ে; অগত্যা খিৰেৰে ৰব নোৱাৰি তেওঁৰ গা চেৰেক্-চেৰেক্‌কৈ উঠে! তাৰ প্ৰতি কচালনিত সিফালে পিঠিত কঁত্‌কৰা কাঁইট ঠহৰ ঠহৰকৈ সোমাই হোলোকা-হোলোকে তেজ বোৱায়! কোনো দিনা বেতৰ কোবত কুৱঁৰীৰ পিঠি ডৰাডৰ হয়, বেতৰ গাত তৰপে-তৰপে বগা মঙহ উঠি আছে! কোনো দিনা চাণ্ডদাঙ্গে কোব তপতাই বড়া কৰি কুৱঁৰীৰ কোমল গাত লগাই হেচি হেচি ধৰেগৈ; কুৱঁৰীৰ লুপুৰী পাভযেন দেহৰ মঙহ কোবৰ লগতে বগলা-বগলে এৰাই আছে! ইয়াতকৈও অসহন আৰু যে কত বিধৰ কিমান যে যন্ত্ৰণা আৰু লাঞ্ছনা দিয়া হৈছিল তাক বৰ্ণাবলৈ কথা নোলায়! কিন্তু, পৃথিৱী যেন ধৈৰ্য্যশীলা মহানাৰী জয়মতীয়ে সেই সকলো যন্ত্ৰণা অকাতৰে সহি থাকে। সাক্ষাত শিৱসোহাগিনী স্বৰ্গৰ সতীদেৱীৰ দৰে পৃথিৱীৰ মহাসতী জয়মতীয়ে সকলো লাঞ্ছনা নীৰৱে সহি থাকে। এই দৰে, এদিন-দুদিনকৈ সাতদিন কুৱঁৰীয়ে অদ্ভুত শক্তিৰে অশেষ যন্ত্ৰণা সহিব লাগিছে, তথাপি ভাৱেভঙ্গীয়ে, আকাৰে সঙ্কেতেও পতিপ্ৰাণা মহাসতী জয়মতীয়ে পতিৰ সন্ধান নিদিয়ে। শুনি শুনি, শেহাশুত পত্নীপ্ৰাণ কোৱঁৰ গদাপাণিৰ অসহনি হোৱাত, তেওঁ আৰু ৰব নোৱাৰি নগাৰ বেশেৰে নামি আহি, তেওঁৰ প্ৰাণপ্ৰতিম চেনেহী ভাৰ্য্যা জয়মতী কুৱঁৰীৰ কাষ চাপি, কি বুলি উপদেশ দি কি সাদৰী সমিধান আৰু কতৰী সঙ্কেত পাই অগত্যা পুনৰপি আঁতৰি যাবলৈ বাধ্য হৈছিল, সেই কথা ওপৰত উন্মুকিয়াই অহা হৈছে। কোৱঁৰ আঁতৰি যোৱাৰ পাচতো কুৱঁৰীক কুকুৰাচোৰা চাণ্ডভাঙ্গে একেৰাহে আৰু সাত দিন নানা তৰহৰ **অভাৱনীয় যন্ত্ৰণা** দিলে; কিন্তু সতীত্ব তেজেৰে তেজস্বিনী, বীৰ প্ৰসৱিনা বীৰপত্নীৰ বীৰত্বেৰে বলৱতী বীৰভাৰ্য্যা জয়মতী স্থিৰ, গম্ভীৰ আৰু **অটল** হৈয়ে ৰল, সেই মহা নাৰীৰ মনোবাক্ টোৰলা-বলৈ কাৰো সাধ্য নহল। এই একে ভাৱেই একেৰাহে **চৈধ্যদিন** বিবিধ অসহনীয় যন্ত্ৰণা আৰু অশেষ অকথনীয় লাঞ্ছনা সহি সহি, সদৌশেহত, চ'তমহীয়া শুক্লা একাদশী তিথিত, সেই কাঁইটীয়া কঁত্‌কৰা গছত বন্ধাৰপৰা মোকোলাই দিয়া মাত্ৰকে, পৃথিৱীৰ অনুপমা মহানাৰী মহাসতী জয়মতী কুৱঁৰীয়ে স্বামীগুৰুৰ চৰণ চিন্তি জগতত নাৰী জাগৰণলৈ অলক্ষ পটন্তৰ থৈ, পৰমানন্দে নশ্বৰ তনু ত্যাগ কৰি বৈকুণ্ঠ-প্ৰয়াণ কৰিলে।

**জয়মতী জগতৰ আদৰ্শ ৰমণী।** জয়া আইদেউ জাঁয়াবীৰ আছি, জয়া গাভৰু বোৱাৰীৰ চানেকি; জয়মতী বীৰজায়াৰ জেউতি, জয়মতী বীৰ জননীৰ পটন্তৰ। জয়মতী সু-ভাৰ্য্যা, সু-গৃহিনী, সু-মাতৃ; জয়মতী কুৱঁৰী ৰাজনীতিগৰ্ভা, প্ৰজাবৎসলা, স্বদেশ-প্ৰাণা ৰাজনাৰী। জয়মতীৰ সতীত্ব, জয়মতীৰ নীতিজ্ঞান, জয়-মতীৰ আত্ম মৰ্য্যাদাৰ বিজনি নাই। জয়মতী জগতৰ আদৰ্শ ৰমণী। এক জয়মতীক স্মৰণ কৰিলেই জগতৰ সদৌ গুণৱ-তীক পূজা কৰা হয়। এতেকে, আজি সেই মহানাৰী মহা-সতী জয়মতীৰ তিৰোভাৱৰ তিথি পালনেৰে আমি জগতৰ অতি শ্ৰেষ্ঠ, অতি উৎকৃষ্ট, অনৰ বাঞ্ছিত দেৱতা তুল্য গুণ-



ৰাশিক পূজা কৰিছোঁহঁক। সেই গুণৰ গৰাকিনী সাধ্বী-সতী জয়মতী কুৱঁৰীৰ স্বৰ্গীয় গুণৰ প্ৰভাৱত আমাৰ জয় হওক, পতিপ্ৰাণা গদাভাৰ্য্যাৰ নিস্পৃহ স্বামী ভক্তিত **ভাৰতৰ নাৰীকুল অনুপ্ৰাণিত হওক,** দেশপ্ৰাণা মহানাৰী জয়মতীৰ মহাত্যাগৰ ৰশ্মিয়ে ভাৰতৰ তেত্ৰিশ কোটী নৰ-নাৰীৰ অন্তৰ দীপ্তিমান কৰোক, তাৰ ফলত পতিত ভাৰতৰ অনতিপলমে পুনৰুদ্ধাৰ হওক।

ৰাইজ সকল, ইমানলৈকে মোৰ কব লগীয়া কথা চমুকৈ কোৱা হল। যি কোৱা হল, তাত যে ভালেমান ক্ৰুটী ঘটিছে, তাক আৰু কবই নালাগে। এতিয়া, ৰাজ-হংসই পানী চাকি গাখীৰ পান কৰাৰ দৰে, আপোনা-সকলে মোৰ কথাৰ অলাগতিয়াল ভাগ বাদ দি, যৎ-কিঞ্চিৎ যি লাগতিয়াল সমল থাকেগৈ, তাকে নিজগুণে গ্ৰহণ কৰিলে মই কৃতাৰ্থ জ্ঞান কৰিম। সদৌ শেহত, মোৰ প্ৰতি অযাচিতে সাদৰ-সন্মান দেখুৱাৰ বাবে আকৌ এবাৰ আপোনাসকলৰ শলাগ লৈ, আপোনা সকললৈ মোৰ সংপ্ৰীতি সম্ভাষণ দোহাৰি জনাইছোঁ। ইতি।

(স্বাক্ষৰ) শ্ৰীপদ্মনাথ গোহাঁঞি বৰুৱা।

জয়সাগৰ তীৰ্থ, ২৬ চ'ত, ১৮৫১ শক।

---

## জন্মাষ্টমী।

নিভৃত এন্ধাৰ, বিশ্ব নিদ্ৰাত মগন
বন্দীশাল,—সংসাৰৰ সুপ্ত কোলাহল
মিলিল এনেতে আহি মুক্তি-মহাষ্টমী
মহানিদ্ৰা হন্তে জাগি উঠিল ভাৰত
মেলিলে মুক্তিৰ পথ।—ভাৰত প্ৰভাৰ
আপুনি লোৰৰ বান্ধ, পৰিল সুলকি
হৰিল পৃথিৱী ভাৰ,—কঁপিল বাসুকী॥

জনমে মৰ্ত্ত্যত আজি অমৰত্ব প্ৰাণ,
প্ৰজা প্ৰপীড়ণ কৰা নীতিৰ নিৰ্য্যান।
মহা জন্মাষ্টমী আজি! বিশ্ব মানৱত।
কত কল্প মন্বন্তৰ গইছে বাগৰি
কতনা মানৱ জন্ম,—যাৰ তাতে লীন,
এটি মহাষ্টমী মাথোঁ সুৱঁৰি সুৱঁৰি
মৰতত বাজি ৰ'ব মৃত্যুহীন বীণ॥

শ্ৰীভৱনাথ হাজৰিকা,
গোলাঘাট।

---

## অসমীয়া সাহিত্যৰ প্ৰকৃতি আৰু তাৰ বুৰঞ্জীত্বৰ আভাস।

(আগৰ সংখ্যাৰ পিচৰ পৰা)

অহঙ্কাৰ থাকিলে সৃষ্টি নহয়। এই ক্ষুদ্ৰ ৰচনাত যদি অহঙ্কাৰৰ কিবা লেশ থাকে সি আপোন গুণত ধ্বংশ হৰ। জগতৰ কোনো নিকৃষ্টতম অংশতে সি স্বীকৃত নহয়। সাহিত্যৰ ভিতৰেদি কোনে কিমান সত্য-সম্পদ লাভ কৰিছে তাক আনৰ লগত মিলাই চালে লাভ আছে। আনৰ আত্ম-সন্তোষত আঘাত কৰা পাপ। সুখৰে হওক

বা দুখৰে হওক সি তেওঁৰ নিজৰ সম্পত্তি। তেনে পাপ কৰি লাভো নাই কাৰণ সম্পূৰ্ণৰূপে নিস্বাৰ্থ কাকো পাব নোৱাৰি। ইয়াৰ বাহিৰেও মানুহৰ স্বাৰ্থ দেখি মানুহৰ প্ৰতি প্ৰেম-ভক্তি কমি যায়। এইটো স্বাভাৱিক। কিন্তু ব্যথা আৰু লাঞ্ছনা সহিবৰ বাবে যদি কোনোবাই নিজৰ বুকু যথেষ্টৰূপে বহল কৰি থৈছে, তেওঁক ব্যথিত বা লাঞ্ছিত কৰোঁতাজন সততে তেওঁৰ পদৰেণু প্ৰাৰ্থী। পৃথিৱীত যিসকল গুণীৰ নাম অজ্ঞাত, যাৰ সাধনাৰ কথা কোনেও নেজানে, তেওঁবিলাকৰ চৰ্চা কৰোঁতা পৃথিৱীত অভাৱ হলেও আৰু বেন্ এধেমৰ দৰে তেওঁবিলাকৰ নাম সকলোতকৈ ওখত। নতুন পূৰ্ণতৰ সত্যৰ বাণী লৈ কোন কেতিয়া কেনেকৈ জগতলৈ আহে, তাক কোনে জানে? কোন জননীৰ সোণৰ কুক্ষিত তেনে মানুহৰ পোৱালীয়ে তাৰ বাবে নিজক তৈয়াৰী কৰিব লাগিছে তাৰ বাতৰিও ভৱিষ্যতত। সেইদেখি ভৱিষ্যতৰ মহা-মানৱৰ বাবে আমি সকলো এৰি থৈ নিজৰ এই অহঙ্কাৰ চুৰমাৰ কৰি থব পাৰোঁ। আমি আমাক দুবৰি বনতকৈও সৰু আৰু ধূলিৰো তলৰ ধূলি বুলি ভাবি সত্যৰ দেৱতাক আমাক পূৰ্ণতা দিবলৈ হাত যুৰি মাতিব পাৰোঁ। তেনে কৰিলে আমাৰ নগণ্য অহঙ্কাৰ বিনাশ ঘটিব আৰু সঁচাসঁচিকৈয়ে মানুহৰ মাজত এদিন এনে পূৰ্ণতা ঘটিব।

এই পূৰ্ণতাৰ উপলব্ধি কৰে কবিয়ে, নিজৰ ৰচনাত সেই উপলব্ধি আৰু উপলব্ধিৰ ইচ্ছা প্ৰকাশিত কৰে। জীৱন যেন দুয়ো পাৰ, ৰচনা তাৰ মাজৰ তটিনী সেই নৈ বৈ যায় জীৱনৰ তটৰ পৰা আঁতৰি জীৱনক চুব নোৱাৰি। এই কাৰণেই কবিৰ জীৱনলৈ চাই আমি শোক পাওঁ। প্ৰেম-বলিয়া কবি দৈনীয়েকৰ প্ৰতি নিৰ্দ্দয়, বিয়াৰ বাবে ভয়াতুৰ! ৰঘুনাথ চৌধুৰী, ৰত্নকান্ত বৰকাকতী বা ডিম্বেশ্বৰ নেওগে যি কেপে বাণীকান্ত কাকতীয়ে তেওঁবিলাকৰ ৰচনাত কম-বেছি এই অৱস্থাৰ স্বৰূপকে দেখিব। পূৰ্ণতাৰ সত্য বিবিধ ৰগত বিবিধ ৰূপত প্ৰকাশিত কৰি তেওঁবিলাকে অসম-জননীৰ বেদীত গন্ধ-পুষ্প ধূপ-দীপ আঁজি দিছে। কৃষ্ণকান্ত সন্দিকৈত বিভিন্ন ভাষাৰ দানৰ কাৰণে অসম জননীৰ আহ্বান আছে। এনেকুৱা কৃতবিদ্য সন্তানৰ পৰাহে জননীয়ে বিশ্বসভাত ঠাই আশা কৰে আৰু অসমীয়াৰ চিত্ত আৰু মন তেওঁবিলাকৰ দানৰ ভিতৰেদিহে উদ্বিগ্ন আৰু সুদূৰ সন্ধানী হব পোৱে। বিশ্বসভাত জনাব লগীয়া অসমীয়া সাহিত্যৰ যি প্ৰকৃতি সি কেৱল শঙ্কৰদেৱ প্ৰমুখ সাহিতিক সকলৰ লেখাতহে বেছি ভাগ থাকিলেও অসমীয়াৰ সৰল সহজ প্ৰাণৰ স্বতঃ স্ফুৰিত বিহু-নাম আৰু আইনামত এটা বেলেগ মাধুৰীত সি অৱস্থিত যাৰ ৰস বিশ্বৰ সকলো হৃদয়তে এটা বেলেগ প্ৰকৃতি বুলি অনুভৱনীয় হব পাৰে। অসমীয়াৰ এই নিজস্ব প্ৰকৃতিত ঐশ্বৰ্য্যময়ী হৈ বিশ্বসভাত অসম-জননীয়ে যিদিনা আত্মপ্ৰকাশ কৰিব সেই দিন অসমীয়াৰ পক্ষে মহৎ গৌৰৱৰ। এই দেখি এই নিজস্ব প্ৰকৃতিৰ বিৰোধী সকলো আক্ৰমণ ব্যৰ্থ কৰি অসমীয়া সাহিত্য সেই-আত্মপ্ৰকাশৰ বাটত দিনে দিনে অগ্ৰসৰ হব লাগিব।

জীৱনী বা আত্ম-জীৱনী সাহিত্যত সৰহ হব লাগে। দুৰ্ব্বল মানুহে তাৰে নিজৰ জীৱনৰ সুপথ চিনি ভাল সঁজুলি গোটাই লোৱাত সুবিধা আছে। সূৰ্য্যকুমাৰ ভূঞাৰ জ্ঞানৰ অৱতাৰ আনন্দৰাম বৰুৱাৰ কাহিনী সুলিখিত। মহাদেৱ শৰ্ম্মা আৰু সৰ্ব্বেশ্বৰ কটকীয়ে এই ক্ষেত্ৰত প্ৰকৃত-জনৰ জীৱনৰ কথা কৈছে। দেশ-বিদেশ, তীৰ্থ, অতীত কীৰ্ত্তিৰ ঠাই ফুৰি তাৰ মনোজ্ঞ বিৱৰণ কওঁতা আমাৰ বেছি নাই। অসমীয়া চকুৰে চালে এইবোৰ ঠাই কেনে দেখি, ভাৰতবৰ্ষৰ হিন্দুধৰ্ম্ম আৰু সভ্যতাৰ লগত সেইবোৰ ঠাইৰ যোগ কেনে, স্বভাৱৰ সৌন্দৰ্য্য কেনেকুৱা তাৰ চিনাকি এইবোৰ গ্ৰন্থত পাব পাৰি। জ্ঞান-সাহিত্যৰ ভাগলৈ ক্ৰমে বাগৰি অহা হল যেতিয়া এইধাৰ কথা কোৱাৰ এতিয়া সকাম পৰিছে যে এই বিষয়ত অসমীয়াৰ দৈন্য ঢকা দুষ্কৰ। লৰা-ছোৱালীক আনন্দ দিব পৰা সাহিত্য আমাৰ নাই। "জুনুকা" "ছাহি-দেমালি"ৰ নিচিনা দুপনমান কিতাপ এৰি লৰা-ছোৱালীৰ মন নচুৱাব পৰা চিত্ৰ-বিচিত্ৰৰ কিতাপ অসমীয়াত দুৰ্লভ। এইবোৰ কণ কণ পাঠক-পাঠিকাৰ



মনত পাঠ্য পুথিয়ে কঠিন ৰূপ ধৰি থাকে, সিইতে সিইতৰ সৰু সৰু বুকুবোৰ ৰসৰ পুথিত জুবুৰিয়াই ৰসাল বা ফৰকাল কৰি লবলৈ সিইতে তেনে কিতাপ নেপায়। সিইতৰ কাৰণে বিজ্ঞানকো ৰসাল কৰি বঙলা ভাষাত বিশ্ব ভাৰতীৰ এজন অধ্যাপকে দিছে। এওঁৰ আহি আমাৰ অনুকৰণীয়। খোৱা-কটা, ব্যায়াম, ৰন্ধা-বঢ়া এইবোৰৰ সাহিত্য জ্ঞান-সাহিত্যৰ অন্তৰ্গত। অসমীয়াৰ প্ৰকৃতি প্ৰচাৰ কাৰ এই বিষয়ত কিছুমান পুথি ওলাইছে। শশীচন্দ্ৰ বৰ বৰুৱাই ব্যায়াম সম্বন্ধে ওখ কিতাপ ৰচি অসমীয়াক দিব পাৰে। বিজ্ঞানৰ পৰিভাষা নিৰ্ণয় কৰিবলৈ সাহিত্যিক সকল ৰাইজ আৰু বিশেষকৈ অসমীয়া ভাষাত 'টেক্‌নিকেল' শব্দ কিছুমানৰ প্ৰতিশব্দ নথকাৰ কাৰণে এই বিষয়ৰ পুথিয়ে সাহিত্য সভাত এতিয়াও ভুমুকি মৰাহি নাই। পৰিভাষা সৃষ্টিৰ কষ্ট শ্ৰম আভিধানিক সকলৰ কাৰণে এৰি বিমূল বিষয়ৰ আলোচনাত উপযুক্ত লেখক সকল আত্মনিয়োগ হোৱা উচিত। জ্ঞান-সাহিত্য নীৰস; কিন্তু জ্ঞানময়ে তাকো কিছুমানৰ কাৰণে পৰম-ৰসাপ্লুত কৰি দিছে, এই কাৰণে এই ৰসত ৰসময় সকলৰ এই সাধনাত স্বতঃ আনন্দৰহে বোধ। এবিধ সাহিত্য আছে সেইবোৰ বিদ্বেষমূলক। হিন্দুৰ লগত মুছলমানৰ যেতিয়া সংঘাত ঘটে, বিশেষকৈ ৰাজ স্থানত, তাৰ কাহিনী টডৰ এনালসত আছে, ভাৰতবৰ্ষই তাৰ বুৰঞ্জী পাহৰা উচিত। হিন্দুময় ভাৰত বা মুছলমানময় ভাৰত আৰু নহয়। জাতিগত, ধৰ্মগত, সংস্কৃতিগত বৈষম্য এৰি আজি ভাৰতবৰ্ষীয়ৰ সাম্যময় হোৱাৰ দিন। টডৰ কাহিনীয়ে এই সাম্যৰ সহায় নকৰে বিদ্বেষ কালৰ বুৰঞ্জী উদ্ঘাটন কৰাত কি সত্য দেখি অসম সাহিত্য সভাই পুৰস্কাৰ ঘোষণা কৰিছে কব নোৱাৰোঁ: সত্যৰ অপলাপ নহলে সেইবোৰ গল্পই হিন্দুক মুছলমানৰ বিদ্বিষ্ট হোৱাতহে সহায় কৰিব। ৰাজস্থানৰ লগত অসমীয়াৰ সম্বন্ধ কম; তাৰ সলনি অসমীয়া চিত্ৰশিল্পী আৰু জ্ঞান সাধকক উৎসাহ আৰু সুবিধা দিয়াহে এতিয়া সাহিত্য-সভাৰ সৰ্ব্বোত্তম কৰ্ত্তব্য। হৃদয়ৰ লগত জ্ঞান-সাহিত্যৰ যোগ কম থকাৰ কাৰণেই পৰিশ্ৰম কৰি বিজ্ঞ জ্ঞানী হব পাৰে। উপযুক্ত লোকক পৰিশ্ৰম কৰিবৰ কাৰণে আহিলা-পাতি দি সহায় কৰিলে জ্ঞান সাহিত্যৰ দৈন্য অন্তৰ্হিত হব। উন্নত-সাহিত্য স্বভাৱতে বিক্ৰমী। ওচৰ চুবুৰীয়া বঙ্গ সাহিত্যৰ আত্মপ্ৰচাৰে অসম-সাহিত্যত আকৌ বিকৃতি ঘটাবনে কি?

কঠালৰ বনে যদি আমাৰ বনলৈ অভিমান কৰে কঠালক প্ৰতি আক্ৰমণ কৰি পকা আমে যুদ্ধত ধটুৱা টান। অজস্ৰ কাইটেৰে সেই বৃহৎ কঠাল ফলৰ তুলনাত আম একো নহয়, ঘঁহনি এটাৰ ফলতে কঠালৰ এঠা আমৰ এঠাৰ লগত মিহলি হব। আজিকালি হেনো আসামত কঠালৰ সংখ্যা আমৰ সংখ্যাৰ প্ৰায় দুগুণ। এই কাৰণে কঠালৰ সংস্পৰ্শত আমৰ জাতীয়তা যোৱাৰ আশঙ্কা আছে। এই আশঙ্কা অকাৰণ নহলেও অমূলক। যি হওক, যিজন সাহিত্য-ৰথীয়ে অসমীয়া ভাষাত স্বাজাত্যাভিমানৰ প্ৰৱৰ্ত্তন কৰিছে তেওঁক অনুসৰণ কৰি জ্যোতি প্ৰসাদ আৰু পাৰ্ব্বতী প্ৰসাদে অসমীয়া ভাষাত যুগান্তৰ সাধিছে। এই কথাত অচৰিত হব নেলাগে যে, স্বজাতি মন্ত্ৰৰ গুৰু লক্ষ্মীনাথ বেজবৰুৱাৰ অধিনায়কত্বত তৰুণ সম্প্ৰদায় আজি উদ্বুদ্ধ। পুৰণি 'বেলিমাৰ'ৰ ভাগে মান গীতৰ ভাব (১) আৰু ছন্দ নতুন শোণিত কুৱঁৰীত কিদৰে বেলেগ ৰূপত ৰূপান্তৰিত তাক নিৰপেক্ষ সমালোচকে জানিব। সমালোচক নহওঁ, সমালোচনা নেজানো, তথাপি সাধাৰণ জ্ঞানেৰেই এইষাৰ কথাও কওঁ যে পাৰ্ব্বতীপ্ৰসাদৰে ভালেমান গীতিকা বা কবিতিকা এই ভাব-সোঁতাত অনুপ্ৰাণিত। দুই কবিৰ অৱশ্যে ব্যক্তিত্ব স্বকীয়া, সৃষ্টিও সেইদৰে মৌলিক, স্বাধীন আৰু সুন্দৰ।

অসমীয়া সাহিত্যৰ প্ৰকৃতি শঙ্কৰদেৱৰ কৃপাবৰ বা লক্ষ্মীনাথৰ সাহিত্যত এইদৰে সাৰ্থক। অসমীয়াৰ প্ৰকৃতি এওঁৰ সাধুকথা উপকথাৰ মাজেদি যিমান প্ৰকৃত হৈ ওলাইছে অতি কমভাগ সাহিত্যিকৰ সাহিত্যতহে তেনে ঘটিছে। 'পত্নমকুঁৱৰী', 'বুঢ়ীআইৰ সাধু', 'ককাদেউতা নাতিলৰা', 'কাকতৰ টোপোলা', 'ওভতনি' অসমীয়াৰ যথাৰ্থ জাতীয়তাৰ ছবি। 'শঙ্কৰদেৱ' মানিকৰ সুদক্ষ জহৰী লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিৰ আভাস দিয়া এই

প্ৰবন্ধৰ উদ্দেশ্য নহয়। ডাঙৰ প্ৰতিভাৰ কাম চাপিবলৈ মানুহৰ সময় আৰু সাধ্য লাগে। এতিয়া এই কথাটোকে আমাৰ গ্ৰহণ কৰিলে চলিব যে অসমীয়াত্বৰ প্ৰকৃত নিৰিখ অৰ্থাৎ জাতীয়তাৰ নিৰিখ এওঁৰ সাহিত্যত বেছিকৈ প্ৰকাশিত। কিন্তু ইয়াৰ মানে এইটো নহয় যে ওপৰত উল্লেখ কৰা আন আন সাহিত্যিকৰ সাহিত্যত সেই নিৰিখ ধৰা পৰা নাই। ধৰা বহুতত পৰিছে কিন্তু এওঁৰ দানৰ ভাগ সকলোতকৈ সৰহ।

দানৰ কথা যদি ওলাল তেনেহলে কওঁ সাহিত্যত এই দানৰ কথাটো বৰ অদ্ভুত কথা। প্ৰত্যেকজন সাহিত্য স্ৰষ্টাই নিজৰ সৃষ্টিৰ ভিতৰেদি অভিনিবিষ্ট পাঠকক এটা বিশিষ্ট বস্তু দান কৰি যায়। সেই পাঠকে আন এজন স্ৰষ্টাৰ ৰাজ্যলৈ নোসোমোৱামানলৈকে আগৰ জন স্ৰষ্টাৰ দানে তেওঁৰ অন্তৰ-ৰাজ্য তোলপাৰ লগাই থয় আৰু পাঠকেও তেওঁৰ অন্তৰৰ অৰ্ঘ্য মনে মনে তেওঁৰ চৰণত অৰ্পণ কৰি থয়। সকলো সাহিত্যিকৰে এই ক্ষমতা নেথাকে, কিন্তু স্ৰষ্টাৰ থাকে, প্ৰতিভাশালীৰ থাকে।

সেইদেখি লক্ষ্মী-সাহিত্যৰ এই স্পৰ্শ পাঠকৰ সকলো অঙ্গ মনত বেছি নিবিড় হব বুলি কলে ভুল নহয়। তেওঁৰ পিছত দুৰ্গেশ্বৰ শৰ্ম্মা, চন্দ্ৰধৰ বৰুৱা, ৰজনীকান্ত বৰদলৈ, পদ্ম বৰুৱা প্ৰমুখ সাহিত্য স্ৰষ্টাসকলে এইদৰেই পাঠকৰ মন অধিকাৰ কৰি নিজ নিজ ৰাজ্যত পাঠকক কিছুমান দিনৰ কাৰণে বন্দী কৰি ৰাখিব। সেই সময়ৰ বন্দীশালত থাকোতে যদি স্ৰষ্টাজনৰ সৃষ্টীৰ সমালোচনা কৰিবলৈ তেওঁক এখন পুথি দিয়া হয়, সেই পুথিখনৰ অৱস্থা গৰুৱে চোবোৱা পুথিৰ দৰে হলেও তাৰ সমালোচনা হব এটা চৰাইৰ গীতৰ দৰে। কিন্তু এইবোৰ যাইকৈ ভাল লগা নলগাৰ কথা, যি কেৱল মানুহৰ অকলশৰীয়া সম্পত্তি আৰু যি কাৰো মতামতৰ অপেক্ষা নেৰাখে। লক্ষ্মী-সাহিত্য যি পাঠকৰ ভাল নেলাগে—অৱশ্যে তেওঁ-লোকৰ সংখ্যা যে নিচেই তাকৰ হব তাৰ সন্দেহ নাই—তেওঁৰ বন্দী হৈ সমালোচনা কৰিব পৰা গুণ বা যোগ্যতা আছেনে নাই তাক তেওঁৰ ভাল লগা নলগা প্ৰকৃতি-য়েই হে জানে। কোৱা বাহুল্য এই প্ৰবৃত্তি লৈহে তেওঁ গ্ৰন্থ পঢ়িব, গ্ৰন্থকাৰৰ প্ৰবৃত্তি লৈ নপঢ়ে। আদৰ্শ সাহিত্যক ভাল পোৱা প্ৰবৃত্তিও বহুতৰ নাই।

গান-গাব-নজনা মানুহে যেনেকৈ গান গাবৰ চেষ্টা কৰে অসাহিত্যিকেও সাহিত্যিক হোৱাৰ কষ্টকৰ চেষ্টা থাকে। গল্প-উপন্যাস ৰচনাত ৰচকৰ কি উদ্দেশ্য ওতপ্ৰোত হৈ থাকে তাক বুজিবলৈ ঈশ্বৰৰ শক্তিক ধ্যান কৰিব লাগিব, ভূত পিশাচৰ কাণ্ডক নহয়। ৰজনী বৰদলৈৰ 'মিৰি জীয়ৰী' পঢ়ি অন্তৰ করুণ ৰসত দ্ৰবীভূত হলে বুজিব লাগিব সি ঈশ্বৰৰ শক্তি সম্ভূত। লক্ষ্মীনাথ বেজবৰুৱাৰ 'গীতা' গল্পটো পঢ়ি অসংযমীয়ে বল পালে, তমঃ অন্তৰ্হিত হলে, বুজিব লাগিব সেই গল্পটো অৰ্জুনৰ সাৰথি যোগেশ্বৰৰ জ্যোতিৰ্ম্ময় চক্ৰৰ দৰে। অদৃশ্য এখন হাত বিশ্ব ৰচনাত নিমগন। সেই হাত মুহূৰ্ত্তে সহস্ৰ, মুহূৰ্ত্তে কোটি; আৰু অতি-দ্ৰুত সঞ্চৰণ-শীল সেই বিশ্বতোহস্ত। অলক্ষিতে সেই হাতে ডাৱৰ গঢ়ে, ফুল ফুলায়, পৃথিবীৰ ধূলিকণাক দগ্ধ কৰে। সেই হাত অতল সাগৰত, অটব্য অৰণ্যত, উচ্চ পৰ্ব্বত শিখৰত আৰু নক্ষত্ৰাকীৰ্ণ আকাশত। সেই হাতৰ স্পৰ্শত ঘাঁহ গজে, পাত সেউজীয়া হয় আৰু তাৰে স্পৰ্শত বিবৰ্ণ হৈ সৰি যায়। সেই হাতত হাত সাহিত্যিকৰ, সেই সৃষ্টিত যোগ সাহিত্যিকৰ। শৰৎচন্দ্ৰ গোস্বামীৰ 'গল্পাঞ্জলি'ৰ কোনো এটা গল্পৰ ৰহস্য বৰ্ণনাই মানুহৰ চিত্ত অধিকাৰ কৰে। ৰহস্য যি সৃষ্টি কৰে তেওঁৰ সৃষ্টিৰ শাক্ত 'গল্পাঞ্জলি' লেখকৰ লেখাত প্ৰকাশিত। এই কাৰণেই এই সৃষ্টিৰ ৰস মানুহৰ ঈশ্বৰৰ দানৰ দৰে উপভোগ্য, আৰু এই কাৰণেই মানুহে সাহিত্যিকক বোলে স্ৰষ্টা। এইবোৰ স্ৰষ্টাৰ উদ্দেশ্য ঈশ্বৰৰ উদ্দেশ্য। অসমীয়া সাহিত্যত বঙ্গ সাহিত্যৰ দৰে পৈশাচিক কাণ্ড চূড়ান্ত অৱস্থা ঘটা নাই। কিন্তু দণ্ডিনাথ কলিতাৰ 'সাধনা' উপন্যাসে নিজৰ বাট বাটকৰাৰ কাৰণে স্থান কৰিছে। মাহেকীয়া কাকতত কেতিয়াবা দুটি গল্প লেখোঁতাৰ পৈশাচিকত্বই পাঠকক ব্যথিত কৰে। ঈশ্বৰক অস্বীকাৰ কৰি এই সকল ধৃষ্টৰ লেখকে পিশাচক প্ৰাধান্য দিয়ে আৰু ইয়াৰ বাবে তেওঁবিলাকৰ কি



শান্ত হয় নেজানো, অৱশ্যে পৃথিবীত বিহ বেচিও মানুহে অৰ্থ উপাৰ্জ্জন কৰি ধনী হয়।

এইবোৰ কোৱাৰ কাৰণে শুচিবায়ুৰা আদৰ্শ-সাহিত্যক এই ৰচনাৰ কেন্দ্ৰ কৰিছো বুলি যেন কোনেও নেভাবে। যি সাহিত্যই এই প্ৰবন্ধৰ কেন্দ্ৰত, সেই সাহিত্য বিশেষণ বিহীন। এই নিৰুপাধি সাহিত্যৰ গুণ আৰু প্ৰকৃতি নিৰূপণ কৰিবলৈ যাওঁতে যদি ভুল কৰোঁ অৰ্থাৎ আদৰ্শ-সাহিত্যকো যদি ইয়াৰ ভিতৰত সুমাই লওঁ সেই দোষ মোৰ নহয়। সেই দোষ সেই বিশেষ সাহিত্যৰ। সাহিত্যক শ্ৰেণীভেদ, বিশ্লেষণ, অস্ত্ৰোপচাৰ কৰা যাৰ ব্যৱসায়, তেওঁ এই বিশেষ সাহিত্যকো যে অস্ত্ৰাঘাত কৰিবলৈ নেপাব এনে নহয়, কিন্তু মায়াৰ শৰীৰ সেই ছল্মবিত্তক তেওঁ আঘাত কৰিব নোৱাৰিব। ধৰ্ম্ম-সাহিত্য, নাট্য-সাহিত্য, পদাৰ্থ-সাহিত্য, জীৱনী-সাহিত্য, নীতি-সাহিত্য শিল্প-সাহিত্য, গীত সাহিত্য—এই সকলোবোৰ সাহিত্য সেই ব্যৱসায়ীৰ অস্ত্ৰত খণ্ড-বিখণ্ড কিন্তু এই বিশেষ সাহিত্য অখণ্ডিত এই সাহিত্য সকলো সাহিত্যৰ ভিতৰত থাকিও বাহিৰত, ঈশ্বৰ যেনেকৈ সৃষ্টিৰ ওচৰত থাকিও দূৰত, সম্বন্ধ-যুক্ত হৈয়ো সম্বন্ধবিহীন। এই সাহিত্য সৃষ্টিকৰ্ত্তাৰ সাহচৰ্য্য-যুক্তৰ তত্ত্ব ব্ৰহ্মা আৰু গুৰি পকৰা এই সাহিত্যত তুল্যমূল্য।

বাস্তৱ সাহিত্যক বুদ্ধিমান সকলৰ কাৰণে এৰি থৈ আহিছিলোঁ। কিন্তু এই বিশেষ সাহিত্যত সেই বাস্তৱ সাহিত্য কিদৰে মিলি যায় তাৰ অলপ আভাস দিবলৈ চেষ্টা কৰোঁ। এই দুই সাহিত্যৰ য'ত বিভিন্ন ব্যৱধান নাই, য'ত মিলন, সেই ঠাই মানুহৰ পোৱাৰ সীমাৰ বাহিৰ। সি অস্পষ্ট, অব্যক্ত আৰু প্ৰচ্ছন্নৰ বিষয়ত। প্ৰকাশৰ অতীতক বুজা বা বুজোৱা দুই সাহিত্যৰ লক্ষ্য। ভেদ কৰিব নোৱাৰা যিটো ৰহস্য বাস্তৱ সাহিত্যৰ মাজেদি প্ৰকাশিত হৈ উঠে বিশেষ সাহিত্যতো সিয়েই ভেদ কৰিব নোৱাৰা অনিৰ্ব্বচনীয় তত্ত্ব। বৰষুণে পৃথিবীক শস্যপূৰ্ণা কৰাত বৰুণৰ যি ৰহস্য, পৃথিবীক বাণ-পানীৰে বুৰাই প্ৰলয় কৰাতো সেই একে ৰহস্য। ইয়াক ভেদ কৰাৰ ব্যৰ্থ চেষ্টা বাস্তৱ, বিশেষ দুই সাহিত্যত। অনুসন্ধান আৰু আবিষ্কাৰ চেষ্টাৰ দূৰে দূৰে থকা সত্য দুই সাহি-ত্যৰ মিলন-কেন্দ্ৰ। যি সকল বস্তু-সাহিত্য পথৰ পথিক সেই সকলে এই সত্য নেহেকৰালে আন নহলেও পিশাচ হোৱাৰ ভয় নাই যদিও সাহিত্যৰ 'ইঠাৰত' এই বস্তু-সাহিত্যই ভোগাৰ দৰে প্ৰলয়ৰ জ্যোতি জাগ্ৰত কৰিছে।

অসমীয়া সাহিত্য আজিও বাস্তৱৰ পিনে গতি কৰা নাই যদিও ভ্ৰান্তপথ চৰ্চ্চাৰ লক্ষণ বিদ্যমান। কিন্তু পৃথিবীৰ সকলো সভ্য সাহিত্যৰ লক্ষ অনুসৰি এই বাস্তৱতাৰ ৰুচিও অসমীয়া সাহিত্যৰ ভিতৰলৈ সত্য হৈ সোমাব। নোসোমালে ভাল আছিল, কিন্তু সোমাব। আনন্দৰ বাবে, সুখৰ বাবে এই ৰুচি মানুহৰ নাছে। এই ৰুচিৰ মূলত ঘোৰ দুঃখবাদ। সৃষ্টি আৰু ঈশ্বৰক যেতিয়া মানুহে কোনোৰূপে নিৰ্ণীত কৰিব নোধাৰিলে, সংসাৰৰ ঘটনা সংঘাতে তেওঁক যেতিয়া পীড়াৰ উপৰি পীড়া দিলে, যেতিয়া ভোগটো তেওঁৰ তৃপ্তি নাহিল, তেতিয়া সংশয়, নৈৰাশ্য, আৰু অস্থিৰতাৰ এন্ধাৰ তেওঁৰ কাৰণে পুঞ্জিত হৈ পৰিল। সেই একে এন্ধাৰ যাৰ মাজত আদৰ্শ সাহিত্যৰো সেই 'তমসো মা জ্যোতিৰ্গময়'। বাস্তৱ সাহিত্য শিল্পীয়ে যি এন্ধাৰত বাৰে বাৰে জুইশলা কাঠি মাৰি জ্যোতিৰ সঞ্চাৰ কৰিবৰ কাৰণে নিৰৰ্থক চেষ্টা কৰে।

অসমীয়া সাহিত্যৰ প্ৰকৃতিত এই বাস্তৱৰ প্ৰকাশ ঘটিব লগীয়া অৱস্থা অসমীয়াৰ নোহোৱাকৈ নেথাকিব। শাস্ত্ৰ আৰু বিজ্ঞান যি প্ৰশ্নৰ উত্তৰ দিব নোৱাৰি মৌন, তাৰ সমাধানত বাস্তৱবাদী সাহিত্যিক নিৰুত্তৰ নেথাকি তাৰ সমাধানৰ কাৰণে জীৱন পণ কৰিব। তেওঁ নিজৰ বুকুৰ তেজেৰে মানুহৰ কাৰণে উজ্জ্বল কথা লেখিব যি লেখা আদৰ্শবাদীৰ ভূৰ্জ্জ পত্ৰৰ বা ফাউণ্টেন পেনৰ লেখাতকৈ বহুত মূল্যবান আৰু শ্ৰদ্ধেয় হব।

(ক্ৰমশঃ)

# ভাৰতীয় মুদ্ৰা নীতি।

(আগৰ সংখ্যাৰ পাচৰ পৰা)

এই প্ৰবন্ধত কবেক্ষি নীতিৰ বেলেগ বেলেগ অংশ বোৰৰ সমালোচনাত বৰকৈ আগুৱাবৰ মন নাই। প্ৰত্যেক বিষয়তে দুয়োটিৰে যুক্তি তৰ্কৰ অন্ত নাই। উপৰতে মুঠতে কিছুমান সাধাৰণ মত ভেদৰ আভাষ দিয়া হ'ল। যাতে আগলৈ সুক্ষ্ম বিচাৰৰ সুবিধা হয় তাৰ বাবে তলত ভাৰতীয় মুদ্ৰানীতিৰ এটা সংক্ষেপ ইতিহাস দিয়া হ'ল। বৰ্ত্তমান চলিত নীতি সম্বন্ধে ওপৰত যি বোৰ কথা কোৱা হ'ব সেই বিলাকৰ তাৎপৰ্য্য প্ৰকাশ কৰিবলৈকো ইতিহাস পিনি বৰ্ণনা কৰাৰ অত্যন্ত আৱশ্যক।

(উনৈশ শতিকাৰ শেষলৈকে ভাৰতীয় মুদ্ৰা।)

ভাৰতবৰ্ষৰ বেলেগ বেলেগ ৰাজ্যত অতীজৰ হিন্দু ৰজা সকলৰ দিনৰে পৰা সোণৰ মুদ্ৰা চলি আহিছে। ঐতিহাসিক যুগৰ কথাকে নকওঁ, ৰামায়ণ মহাভাৰতৰ দিনতো সোণৰ মুদ্ৰাৰ উল্লেখ পোৱা যায়। কিন্তু সমুদায় ভাৰতবৰ্ষ এজন সম্ৰাটৰ অধীনলৈ কেতিয়াবাহে আহিছে গতিকে ভিন ভিন ৰাজ্যত পৃথক পৃথক নামৰ মুদ্ৰাৰ প্ৰচলন আছিল। মুছলমান ৰজা সকলৰ দিনৰ পৰা ৰূপৰ মুদ্ৰাৰ বৰকৈ প্ৰচলন হবলৈ ধৰে। সকলো ৰাজ্যৰ মুদ্ৰাৰে ভিতৰত ১টা সামঞ্জস্য হবলৈ হলে এজন সম্ৰাটৰ আৱশ্যক। মৌৰ্য্য আৰু গুপ্তৰজা সকলৰ দিনত হিন্দু সাম্ৰাজ্য আটাইতকৈ অধিক পৰিমাণে বিস্তাৰিত হয়। গ্ৰীক সকল ইয়াৰ হিন্দু ৰজাসকলতকৈ মুদ্ৰা নিৰ্ম্মাণত অধিক পাৰ্গত আছিল। মুছলমান ৰাজত্বৰ কালত টোগলক আৰু মোগল সম্ৰাট সকলে অৰ্থ সংস্কাৰৰ নিমিত্তে বিশেষ যত্ন কৰে। আজি কালি কাগজত চাব মাৰি যেনেকৈ নোট কৰা হয় সেইদৰে তামৰ মোহৰ মাৰি টকা কৰিবলৈ সম্ৰাট মহম্মদ টোগলকে (      ) চেষ্টা কৰিছিল, কিন্তু তেওঁৰ সেই চেষ্টা ব্যৰ্থ হয়। মহম্মদ টোগলকে ৰাজ কোষত অৰ্থৰ অভাৱত হে তেনেকুৱা কৰিবলৈ গৈছিল, আজি কালি নোট উলিয়াওঁতে ৰিজাৰ্ভ আদি ৰাখিবলৈ যিমান পিনি বন্দবস্ত কৰিব লাগে তাৰ একোকে কৰা নাছিল। তথাপি তেওঁৰ এই চেষ্টাত এটা মৌলিকতা আছে। সম্ৰাট আকবৰেও (      ) গোটেই ভাৰতত এবাৰ এক প্ৰকাৰ মুদ্ৰা চলাবৰ চেষ্টা কৰিছিল কিন্তু তেৰোঁ কৃতকাৰ্য্য হব নোৱাৰিলে। ভিন ভিন মুদ্ৰা প্ৰচলিত থকাৰ বাবে বৈদেশিক বাণিজ্যৰ কথাকে নকওঁ ঘৰুৱা বেহা বেপাৰতো নানা বেমেজালি ঘটি থাকে। আনুসঙ্গিক (subsidiary) খুচৰা মুদ্ৰাৰো কোনো প্ৰকাৰ ভাল বন্দবস্ত নাছিল। আহোম ৰজা সকলে শুধ ৰূপৰ দু-অনিয়া এক-অনিয়া আদি কৰিবলৈ চকুৰে মনিব নোৱৰা কেতবোৰ সৰু মুদ্ৰা কৰিছিল। সেইবোৰ নেহেৰোৱাকৈ ৰখা এটা চিন্তাৰ কথা হৈছিল। তেনেকুৱা অকণি অকণি মুদ্ৰা এতিয়াও যাদু ঘৰত চাব-লগীয়া বস্তু হৈছে হৈছে। আনুসঙ্গিক মুদ্ৰাৰ সলনি বহুত ঠাইত কড়িৰ ব্যৱহাৰ আছিল। কড়ি বৰ কম মূল্যৰ মুদ্ৰা, বহুত মানুহে টেকেলিয়ে টেকেলিয়ে তাকো পুতি থৈছিল। এতিয়াও মাটি খানিলে সেইবোৰ কেতিয়াবা আমাৰ দেশত ওলায়। কড়িৰ প্ৰচলনৰ পৰা দেশত মানুহ বোৰ যে নিতান্ত দুখীয়া আৰু খাব নোপোৱা আছিল, এনেকুৱা বুজায় বৰং মুদ্ৰাৰ অভাব আৰু মুদ্ৰা তৈয়াৰ কৰিবৰ বাবে ধাতুৰ অভাব হে বুজায়। কড়িৰ নিচিনা খুচৰা মুদ্ৰাৰে এটকা কড়ি-লৈয়ে বহুত পিনি লব লাগিছিল, সেইবোৰ গণি চোৱা লৈ ক্ৰুৰোৱাও এটা আহকাল আছিল।

ইষ্ট ইণ্ডিয়া কোম্পানী যেতিয়া ইয়ালৈ আহে তেওঁলোকে ৯৯৪ বিধৰ ৰূপৰ আৰু সোণৰ মুদ্ৰা পাইছি। ১৭৬৬ খৃষ্টাব্দত ক্লাইবে সম্ৰাট শাহ আলমৰ পৰা বঙ্গ বিহাৰ আৰু উৰিষ্যাৰ দেৱানি পায়। তেতিয়াৰে পৰা কোম্পানীয়ে চলিত ৰূপৰ আৰু সোণৰ মুদ্ৰাৰ মাজত দাম-সলনিৰ হাৰ ঠিক কৰি দি দ্বিধাতু পৰিমাণ (bimetallism) চলাবলৈ যত্ন কৰে। কোৱা আছে যে ১৭৯৩ চনত অকল বঙ্গদেশতে ২৩ বিধৰ ৰূপৰ মুদ্ৰা প্ৰচলিত দেখা গৈছিল। ৰূপৰ সিক্কা টকা (Sicca Mohor) কে চৰকাৰী বুলি ধৰি ১৪ সিক্কা মোহৰে সোণৰ মোহৰ ঠিক কৰা হয়। ১৮০৬ খৃষ্টাব্দত কোম্পানীয়ে দেশত সোণৰ মোহৰ চলা কথালৈ একেবাৰে আওকাণ কৰি অকল ৰূপৰ টকাৰেহে মূল্য নিৰ্দ্ধাৰণ unit of value) হব বুলি জাননী দিয়ে। দ্বি ধাতু পৰিমাণ (bimetallism) গুছাই এক ধাতু পৰিমাণ (Monometallism) অনাৰ এয়ে সূত্ৰপাত।

ৰূপ আৰু সোণৰ মোহৰ একে লগে চলিলে তাক দ্বিধাতুৰ পৰিমাণ (bimetallism) বোলে। ইউৰোপ আমেৰিকাতো বহুদেশত এই দ্বিধাতু পৰিমাণ প্ৰচলিত আছিল। স্বভাৱতে সোণ ৰূপ এই দুই ধাতু প্ৰায় সমানে মুদ্ৰাৰূপে অতীজৰে পৰা ব্যৱহাৰ হবলৈ ধৰিছে। কিন্তু সোণ আৰু ৰূপৰ মাজত দামৰ অনুপাতৰ লৰচৰ হৈ বেমেজালি লাগি থাকে দেখি আন আন আটাই দেশে সোণাৰ মুদ্ৰাকেহে খাই মুদ্ৰা কৰি আৰু (Gold standard) গোল্ড ষ্টেণ্ডাৰ্ড চলাই ৰূপক দ্বিতীয় শাৰীত পেলায়। দৰাচলতে এক ধাতু পৰিমাণ বুলিলে গোল্ড ষ্টেণ্ডাৰ্ড হে বুজায় কিন্তু ভাৰতবৰ্ষত একধাতু পৰিমাণ আৰম্ভ হ'ল গৈ সোণক পেদি আৰু ৰূপক আনি। এই নীতি প্ৰথমতে যি চলোৱা হ'ল তাৰে পৰা ভাৰতবৰ্ষত মুদ্ৰা সম্বন্ধে এটা তুলি ডাঙিব নোৱৰা কঠিন সমস্যাই দেখা দিলে। সেই বিষয় তলত আলোচনা কৰা হ'ল।

কিন্তু ভাৰতবৰ্ষত সোণৰ মোহৰ অতীজৰে পৰা চলি আহিছে। মানুহৰ এটা চিৰকলীয়া অভ্যাস বেগতে নাযায়। আইনত যিয়ে হওক সোণৰ মোহৰ বোৰ তত্‌কালিকে দেশৰ পৰা অন্তৰ্দ্ধান হব নোৱাৰে। সোণৰ মোহৰৰ মূল্য ৰূপৰ বজাৰ দৰেৰে মিলাই চলিত ৰাখিব-লগীয়া হয়। ১৮১৮ চনতো কোম্পানীয়ে টানত পৰি নতুনকৈ কিছুমান সোণৰ মোহৰ মৰাৰ হিচাব পোৱা যায়। ঠিক কি নীতি অৱলম্বন কৰা হব তাৰ একো নিশ্চয় নোহোৱা গতিকে এনেকুৱা ওলট-পালট হৈ থাকে। এই সময়ত ইংলণ্ডত অকল সোণৰ মোহৰ ৰাখিবৰ বাবে আন্দোলন চলে। কিন্তু নিজৰ দেশত (ইংল-ণ্ডত) যিটো আন্দোলন তাৰ স্বৰূপ বহলাই কোম্পানীয়ে ভাৰতবৰ্ষত ৰূপৰ টকা চলাবলৈহে অহোপুৰুষাৰ্থ কৰে, ১৮৩৫ চনত কোম্পানীয়ে আইন কৰি দিয়ে যে ৰূপৰ টকাহে চলিত চৰকাৰী টকা বুলি গণ্য হব, সোণৰ মোহৰৰ মূল্য সোণৰ বজাৰ ভাও অনুসাৰে ঠিক হওক বুলি চৰকাৰে হস্তক্ষেপ কৰিবলৈ এৰি দিয়ে। ১৮৪১ চনত কোম্পানীয়ে আইন কৰে যে যেয়ে ট্ৰেজৰীলৈ সোণৰ মোহৰ আনিব তাকে মোহৰে পতি ১৫ টকা কৈ দিয়া হব। দেশত সোণৰ মোহৰ কমি গৈ যাতে ৰূপৰ মুদ্ৰা হে সময়ত ৰয় গৈ তাৰ বাবে এই বোৰ পথ উলিওৱা হয়। ১৮৫৫ চনত ৮১২০০ পাউণ্ডৰ সোণৰ মোহৰ বিলাতলৈ যোৱাৰ হিচাব পোৱা যায়। এই অৱস্থা এক বছৰৰ হে হিচাব। এই দৰে বছৰি বছৰি সোণ ভাৰতবৰ্ষৰ পৰা গৈয়ে থাকে এই কথাত দেশীয় ব্যৱসায়ী সকলে আৰু বহুত উচ্চ ৰাজকৰ্ম্মচাৰীয়েও আপত্তি কৰে। চাৰ ৰিচাৰ্ড টেম্পলে কয় যে "ভাৰতবৰ্ষত অতীজৰে পৰা সোণৰ মুদ্ৰা প্ৰচলিত। কোম্পানীয়ে ভাৰতবৰ্ষলৈ আহি ইয়াত খাইকৈ সোণৰ মুদ্ৰা হে প্ৰচলিত দেখিছে ৰূপৰ মুদ্ৰাহে মাথোন প্ৰচলিত ৰাখিবলৈ চেষ্টা কৰাটো কোম্পানীয়ে স্বাভাৱিক পথ এৰি অস্বাভাৱিকলৈ হে যোৱা মাথোন।"

এনেতে অষ্ট্ৰেলিয়া আৰু কালিফোৰ্ণিয়াত নতুনকৈ কিছুমান সোণৰ খনি ওলোৱাত সোণৰ দাম বহুত কমি গ'ল। মানুহে তেতিয়া সস্তা দৰত বজাৰত সোণ কিনি ট্ৰেজৰীৰ পৰা মোহৰে পতি ১৫, টকাকৈ ৰূপ আনি লাভ কৰিব পৰা হ'ল। গৱৰ্ণমেণ্টে বিবুদ্ধিত পৰি ১৮৫২ চনত প্ৰচাৰ কৰি দিলে যে ১৮৫৩ চনৰ ১ জানুৱাৰীৰ পৰা কোনো প্ৰকাৰে সোণকে ট্ৰেজৰীত লোৱা নহব। যিবোৰ মানুহৰ হাতত সোণ আছিল সেইবোৰ চৰকাৰী ৰাজহ আদি সোধাব নোৱৰা হ'ল কাৰবাৰী সকলেও সোণ লবলৈ সন্দেহ কৰা হ'ল।

বেহাবেপাৰত গোলমাল বাঢ়িব। তেতিয়া চৰকাৰে আকৌ শুনাই দিলে যে সময়মতে ষ্ট্ৰেঞ্জৰীত সোণ লোৱা যাব পাৰে। ১৮৬৬ চনত বেঙ্গল চেম্বাৰ অৱ কমাৰ্চে ( Bengal Chamber of Commerce ) সোণৰ মুদ্ৰা চলাবলৈ প্ৰস্তাৱ দিয়ে। তাৰ অলপ পিচতে এই সম্বন্ধে আলোচনা কৰিবলৈ মেন্‌চ্‌ ফিল্ড (Mansfield) কমিচন বহে। কমিচনে জনায় যে দেশৰ মানুহৰ আগ্ৰহলৈ চাই ৰূপৰ মুদ্ৰাৰ লগে লগে এবিধ সোণৰ মুদ্ৰাও চলোৱা হওক। ১৮৭২ চনত চাৰ ৰিচাৰ্ড টেম্পলে পুনৰ জনায় যে ভাৰতবৰ্ষত সোণৰ মুদ্ৰা চলোৱাৰ অত্যন্ত আৱশ্যক। কিন্তু চৰকাৰে কোনো ৰকমেই মান্তি নহয়। ইয়াৰ আগ ডোখৰত সোণৰ দাম কমোঁতে চৰকাৰে ১ টা মোহৰ ১০৲ টকাৰ সমান হব বুলি কৈ দিছিল। এতিয়া সোণৰ দাম আকৌ লাহে লাহে উঠি অহাত এটা মোহৰ ১০॥ টকাৰ সমান হব বুলি শুনাই দিয়ে। এইবোৰ বেমেজালিৰ কথা পঢ়ি আমনি লাগিবৰ কথা। কিন্তু গোল্ডষ্টেণ্ডাৰ্ড হে ভাৰতবৰ্ষৰ লক্ষ্য আৰু তাৰ পক্ষে বা বিপক্ষে যুক্তি দিবৰ হলে উপৰৰ ইতিহাস খিনিলৈ মন কৰা একান্ত উচিত। বহুতে কয় যে মেন্‌চ ফিল্ড কমিচনৰ প্ৰস্তাৱ অনুসাৰে তেতিয়াই গোল্ড ষ্টেণ্ডাৰ্ড ধৰা হলে ইয়াৰ পিচত গোলমাল বোৰ নহ'ল হেঁতেন।

অষ্ট্ৰেলিয়া আৰু কালিফোৰ্ণিয়াত সোণৰ খনি ওলাই বহুত গোলমাল লগাৰ কথা ওপৰত কোৱা হৈছে। এতিয়া ৰূপৰ দাম কমিবৰো কেতবোৰ কাৰণ উপস্থিত হ'ল হি। ফ্ৰাঙ্কো প্ৰুচিয়ান যুদ্ধৰ পিচত নতুন জৰ্ম্মাণ সাম্ৰাজ্য গঠিত হৈ জৰ্ম্মাণ ৰাজ্য বোৰে ৰূপৰ মুদ্ৰা গুছাই সোণৰ মুদ্ৰা প্ৰচলিত কৰিলে। ৰূপৰ ব্যৱহাৰ কমি যোৱাত তাৰ দাম নামিবলৈ ধৰে। ৰূপৰ খনি বোৰৰ পৰা ৰূপও সৰহকৈ উৎপন্ন হবলৈ ধৰে। আমেৰিকা আৰু ভাৰতবৰ্ষে কিছুমান ৰূপ কিনে কিন্তু তাৰ পৰা দাম চৰিব নোৱাৰিলে। ১৮৭৮ চনত এক আউঞ্চ ৰূপাৰ দাম ৫২¾ পেঞ্চ আছিল, ১৮৯০ চনত ৪৩¾ পেঞ্চ আৰু ১৮৯২ চনত ৩৭¾ পেঞ্চত পৰে গৈ। সোণৰ আৰু ৰূপৰ মূল্যৰ যি অনুপাত আছিল তাত ভয়ানক গোলমাল লাগে। ইউৰোপ আৰু আমেৰিকাৰ কেবাখন দেশে জৰ্ম্মাণিত দেখা দেখি কৈ সোণৰ মুদ্ৰা চলাবলৈ আৰম্ভ কৰে। বেহা বেপাৰৰ গোলমালত পৰি কিছুমান দেশে প্ৰস্তাৱ কৰে যে সকলো দেশ লগলাগি সোণ আৰু ৰূপৰ এটা ঠিকা অনুপাত কৰিবৰ উদ্দেশ্যে এটা জাতি সঙ্ঘ ( Inter nationl Bimetallic League ) হব লাগে। দুই এক বাৰ এনেকুৱা জাতি সঙ্ঘ বহেও কিন্তু কোনো স্থিৰ সিদ্ধান্ত হৈ নুঠে। এই গোলমালত বিশেষকৈ ভাৰতবৰ্ষৰ অনেক ক্ষতি হবলৈ ধৰে। আন আন যি বোৰ দেশত ৰূপৰ মুদ্ৰা চলিছিল তাতকৈ ভাৰতবৰ্ষত বিশেষ পৰিমাণে ক্ষতি হোৱাৰ কেবাটাও কাৰণ আছে। প্ৰধান কাৰণ হৈছে ভাৰতবৰ্ষই বিলাতৰে সৈতে ৰাজনৈতিক সূত্ৰত আবদ্ধ থকাৰ ফলত বছৰি বছৰি কিছুমান ধন দিব লাগে। এই দিব লগীয়া ধন সোপাক হোম চাৰ্জ্জ (Home charge বোলে)। ভাৰতবৰ্ষত ৰেল আদি নিৰ্ম্মাণ কৰিবৰ নিমিত্তে বিলাতী মহাজন সকলৰ পৰা ধাৰ কৰি থটোৱা অসংখ্য টকাৰ সুদ ভাৰতত কাম কৰি যোৱা ইংৰাজ কৰ্ম্মচাৰী সকলৰ পেঞ্চন আৰু এনেকুৱা আন আন নানা বিষয় লগ হৈ এই হোম চাৰ্জ্জ হয়। ১৮৭৪ চনতে এই হোম চাৰ্জ্জৰ পৰিমাণ প্ৰায় ১৩॥ লক্ষ পাউণ্ড আছিল। ১ টকাৰ ১ শ্বিলিং ১০½ পেঞ্চ হাৰত ইয়াৰ বাবে প্ৰায় ১৪ কোটি টকা দিব লগীয়া হয় গৈ। ১৮৯৩ চনত হোমচাৰ্জ্জ প্ৰায় ১৬৫ লক্ষ পাউণ্ড হয় গৈ আৰু টকাৰ ১ শ্বিলিং ২$\frac{9}{16}$ পেঞ্চ হাৰত সি প্ৰায় ২৬॥০ কোটি হয় গৈ। যিমানেই টকাৰ মূল্য কমি আহে সিমানেই হোমচাৰ্জ্জৰ ভাৰ ভাৰত গৱৰ্ণমেণ্টৰ ওপৰত সৰহ হৈ আহে। এই খৰচ বহন কৰিবৰ নিমিত্তে নানা প্ৰতিবাদ স্বত্বেও প্ৰজাৰ ওপৰত নতুন নতুন টেক্স বহাব লগীয়া হয়। এনেতে আমেৰিকাই বছৰি বছৰি যি ৰূপ কিনিছিল তাকো কিনা বন্ধ কৰে। ১৮৭৬ চনত যিমান ৰূপ খনিৰ পৰা উৎপন্ন হৈছিল ১৮৯২ চনত তাৰ প্ৰায় দুগুণ উৎপন্ন হয় গৈ। এই আটাই বোৰ ঘটনাই ৰূপৰ দাম কমাইহে থাকে। জাতি সঙ্ঘ গঠন কৰি ৰূপৰ দাম ঠিক কৰা প্ৰস্তাৱ ক'ৰবালৈ উটি যায়। সকলো স্বাধীন দেশে নিজ নিজ স্বাৰ্থ আৰু সুবিধা অনুসৰি নিজৰ মুদ্ৰা সংস্কাৰ কৰি লয়। যাইকে আটায়ে গোল্ডষ্টেণ্ডাৰ্ড গ্ৰহণ কৰে, ৰূপৰ পিনে পিঠি দিয়ে। ভাৰত গৱৰ্ণমেণ্ট বৰ বিপদত পৰে। এই সময়ত ভাৰত গৱৰ্ণমেণ্টৰ কিমান টকা অপব্যয় হল তাৰ সীমা নাই।

(ক্ৰমশঃ।)

---



# ভৱভূতি।

( ২ )

## ( মালতী মাধৱ ) ।

মহাকবি ভৱভূতিৰ শেষ কাব্য—মালতী-মাধৱ। ই এখন দহ অঙ্কীয়া নাট। আলঙ্কাৰিক পণ্ডিতসকলৰ মতে ইয়াৰ নাম মালতী-মাধৱ প্ৰকৰণ। আমি ইয়াত নাট বুলিয়ে লেখিম।

এই নাটত মুঠতে ওঠৰ জন ভাৱৰীয়া। তাৰে ভিতৰত সাত জন মুনিহ আৰু এঘাৰ জনী তিৰী।

### মুনিহ ঃ—

| নাম | | পৰিচয় |
|---|---|---|
| ১। সূত্ৰধাৰ | — | প্ৰধান ভাৱৰীয়া ( কিছুমানৰ মতে Stage manager ) |
| ২। নট | — | অন্যতম ভাৱৰীয়া। |
| ৩। মাধৱ | — | নায়ক ; এওঁ কুণ্ডিন নগৰৰ ৰাজমন্ত্ৰীৰ পুতেক। |
| ৪। মকৰন্দ | — | মাধৱৰ লগৰীয়া বন্ধু। |
| ৫। কলহংস | — | মাধৱৰ অনুচৰ। |
| ৬। অঘোৰঘণ্ট | — | বীৰাচাৰী কাপালিক। |
| ৭। এজন পুৰুষ | — | মদয়ন্তিকাৰ কাপালিক। |

### তিৰী ঃ—

| | | |
|---|---|---|
| ১। মালতী | — | নায়িকা, পদ্মাৱতী নগৰৰ ৰাজমন্ত্ৰী ভূৰিবসুৰ জীয়েক। |
| ২। মদয়ন্তিকা | — | পদ্মাৱতী নগৰৰ ৰজাৰ ৰংদেমালিৰ লগৰীয়া নন্দনৰ ভনীয়েক। |
| ৩। কামন্দকী | — | বুঢ়া, বৌদ্ধসন্ন্যাসিনী। |
| ৪। সৌদামিনী | — | কামন্দকীৰ ছাত্ৰী, এওঁই পিচত তান্ত্ৰীক মতে চলি মহাপ্ৰভাৱ লভে। |
| ৫। কপালকুণ্ডলা— | | অঘোৰ ঘণ্টৰ শিষ্যা, নানা প্ৰকাৰ তান্ত্ৰীক মত ধৰি যোগ সিদ্ধি কৰে। |
| ৬। অৱলোকিতা ⎫ | | কামন্দকীৰ শিষ্যা আৰু মৰমৰ |
| ৭। বুদ্ধৰক্ষিতা ⎭ | | লগৰী। |
| ৮। লৱঙ্গিকা | — | মালতীৰ সখী। |
| ৯। মন্দাৰীকা | — | বৌদ্ধমঠৰ চাকৰণী ; কলহংসৰ অবৈধ প্ৰণয়িনী। |
| ১০। ডজনী বেটী — | | ভূৰিবসুৰ ঘৰত কাম কৰা। |
| ১১। প্ৰতীহাৰী | — | ভূৰিবসুৰ অন্তেষপুৰত থকা। |

এই নাটৰ প্ৰধান কথা হৈছে মালতীৰ লগত মাধৱৰ বিয়া। কুণ্ডিন নগৰৰ ৰজাৰ মন্ত্ৰী দেৱৰাত ; আৰু পদ্মাৱতী নগৰৰ ৰজাৰ মন্ত্ৰী ভূৰিবসু। বিদ্যাবুদ্ধি, মান-গৌৰৱ বংশমৰ্য্যাদা, ধনসম্পত্তি আদিত দুয়ো সমান। দুয়ো সহপাঠী। সেই সময়ত কি তিৰী কি মুনিহ সকলোৱে জ্ঞান চৰ্চ্চা কৰিছিল। আন কি একেখন পঢ়াশালিতে তিৰী পুৰুষে পঢ়িবও পাৰিছিল। ভূৰিবসু আৰু দেৱৰাতৰ লগত কামন্দকীও একেজন গুৰুৰ পৰা একে

পঢ়াশালিতে শিক্ষা লাভ কৰিছিল। সেই দেখি তেওঁ লোকৰ ভিতৰত বৰ বন্ধুত্ব আছিল।

পাঠ্যাৱস্থাতে এদিনাখন কথাৰ প্ৰসঙ্গত ভৱিষ্যতে দুয়ো বিয়ৈ বান্ধিব বুলি দেৱৰাত আৰু ভূৰিবসুৰ কথা হয়। কালক্ৰমে দুয়ো আগত কৈ অহা মতে মন্ত্ৰী-পদ পায়। আৰু দেৱৰাতৰ এটি পুত্ৰ; ভূৰিবসুৰ এটি-কন্যা সন্তান জন্মে। এওঁলোকেই কৱিৰ নায়ক নায়িকা মালতী আৰু মাধৱ।

লাহে লাহে দুয়ো ডাঙৰ দীঘল হ'ল। এতিয়া ভূৰিবসুৱে আগৰ প্ৰতিজ্ঞা মতে মালতীক মাধৱলৈ বিয়া দিব লাগে। মনো আছে; মালতী আৰু মাধৱ দুয়ো পৰস্পৰৰ বাবে ৰূপে-গুণে, স্বভাৱে-চৰিত্ৰেই উপযুক্তও; কিন্তু মাজতে পাক্ লাগিল ৰজাৰ কাৰণে। পদ্মাৱতীৰ ৰজাই মালতাক তেওঁৰ বন্ধু নন্দনলৈ বিয়া দিবৰ নিমিত্তে নিজমন্ত্ৰী ভূৰিবসুক ধৰিলে। মন্ত্ৰী বিবুদ্ধিত পৰিল। আন উপায় নাপাই ৰজাকে সকলোৰে কৰ্ত্তা-কৰ্ত্তা বুলি কৈ প্ৰকাৰান্তৰেৰে ছলপূৰ্ণ সম্মতি জনালে। এই কাৰ্য্যত মন্ত্ৰীৰ সমূলি ইচ্ছা নাছিল। কিন্তু কি কৰিব; ৰজাৰ আদেশ অমান্য কৰাটো যে তেওঁৰ পক্ষে একেবাৰে অসম্ভৱ। নাই বুলিলেই সকলো অন্ত পৰে,—তেওঁৰ পদমৰ্য্যাদা, আত্মগৌৰৱ, সুখ সুবিধা সকলো পণ্ড হয়। সেই দেখি তেওঁ ভলে ভলে সংধ্যায়িনী কামন্দকীক খাটনি ধৰিলে যে তেওঁক প্ৰতিজ্ঞা ভঙ্গ দোষৰ পৰা কোনো মতে ৰক্ষা কৰিব লাগে।

কামন্দকীৰ পক্ষে তেনে অকৃত্ৰিম বন্ধুৰ অনুৰোধ উপেক্ষা কৰা টান যে আছিলেই তাৰ উপৰিও মালতীৰ দৰে কন্যাৰত্ন এটীক নন্দনৰ দৰে কুৰূপ, আধা বয়সীয়া আৰু মূৰ্খ এজনৰ হাতত সোধোৱাটো একেবাৰে অসহনীয় আৰু অকাৰ্য্য। এই বাবে তেওঁ ভগবানৰ ওপৰত আস্থা-ৰাখি নানান্ কৌশলেৰে গোপনে সাক্ষাতে কাৰ্য্য আৰম্ভ কৰিলে। তেওঁৰ আদেশ অনুসাৰে এফালে অৱলোকিতা আন ফালে লৱঙ্গিকা দূতীৰ কাৰ্য্যত কাচি-পাৰি লাগি গ'ল।

তেতিয়াৰ দিনত ন্যায়দৰ্শনৰ আলোচনাৰ নিমিত্তে দাক্ষিণাত্যৰ বিদৰ্ভ নগৰ এখন বিখ্যাত ঠাই আছিল। দেৱৰাতে পুতেক মাধৱক ন্যায়দৰ্শন পঢ়ুৱাবলৈ, দূৰ হলেও বিদৰ্ভ নগৰলৈ পঠাইছিল। অৱশ্যে তাৰ মাজতে আৰু আন এটি বেলেগ উদ্দেশ্যও নাছিল বুলি কব নোৱাৰি।

মাধৱ তালৈ গ'ল। কিছুমান দিন পঢ়ি ন্যায়দৰ্শনত ব্যুৎপত্তি লাভ কৰিলে। এনে সময়ত অৱলোকিতাই মাধৱক নানা কথাৰে ফুচুলাবলৈ ধৰে। এই ফুচুলনিত পৰি মাধৱে মালতীহঁতৰ ঘৰৰ কাষৰ বাটেদি অহা যোৱা কৰিবলৈ লয়। ইফালে মালতীৰ সমযৰ লগৰী লৱঙ্গিকাই মাধৱৰ ৰূপ, গুণ, বংশগৌৰৱ আদি ব্যাখ্যা কৰি বুৰাৰ লগীয়া আটাইখিনি বাকী নথকাকৈ মালতীক বুজাইছিল। সেই দেখি তেতিয়া মালতীয়েও দুমহলীয়া ঘৰৰ ওপৰ মহলাৰ খিৰিকিয়েদি অহা যোৱা কৰা মাধৱক চাই চাই চকু জুৰাবলৈ ধৰিলে। সদায় সেই মনোহৰ মূৰ্ত্তি চাবলৈ মন গ'ল। কিন্তু অসম্ভৱ! নিদাৰুণ বিধাতাই সেই সুবিধা তেওঁক নিদিলে। নিদিয়া দেখি তেওঁ তাৰ বুদ্ধি উলিয়ালে। মাধৱ তেওঁৰ চকুৰ আগৰ পৰা কেতিয়াও আঁতৰিব নোৱৰাত পৰিল; মালতীয়ে নিজ হাতে মাধৱক চিত্ৰফলকত আবদ্ধ কৰিলে। মাধৱলৈ মালতীৰ যে এনে প্ৰীতি এনে অনুৰাগ তাক মাধৱক জনাবলৈ লৱঙ্গিকাৰ গা উঠি পৰি লাগিল। সেই চিত্ৰ মন্দাৰিকাৰ হাতত দি কলহংসৰ হতুৱাই মাধৱক দিয়াবলৈ অনুমতি দিলে। কথামতে কাৰ্য্য হ'ল—চিত্ৰখন মাধৱৰ হাতত পৰিলগৈ।

এই ছবি পোৱাৰ আগতে মদন-উদ্যানত মালতী আৰু মাধৱৰ দেখা দেখি হয়। নগৰৰ মহিলা সকলে সেই উদ্যানত মহোৎসৱ পাতিছিল; আৰু নগৰৰ প্ৰায় বিলাক মহিলাই সেই উৎসৱত যোগ দিছিল। সখীহঁতে সৈতে মালতীও তাত উপস্থিত হয়। ইফালে কামন্দকীৰ প্ৰেৰণাত মাধৱো তালৈ নোযোৱাকৈ নোৱাৰিলে, গ'ল। কিন্তু মুনিহ মানুহ তাত উপস্থিত থাকিব নোৱৰাৰ কাৰণে সেই ঠাইৰ পৰা অলপ আঁতৰত থাকিলগৈ।

লৱঙ্গিকা প্ৰমুখ্যে সখীহঁতৰ অনুৰোধ মতে তেওঁলোকৰ লগত মালতীও ফুল তুলিবলৈ গ'ল। সখীহঁতৰ উদ্দেশ বেলেগ হৈ আছিল। উদ্দেশ্য সিদ্ধি হ'ল, ফুল তুলি তুলি তৈ হঠাৎ মাধৱৰ ওচৰ পালে। নায়ক নায়িকাৰ চাক্ষুষ প্ৰত্যক্ষ ঘটিল, লগতে চাৰি চকুৰ মিলনত মিলন-মাধুৰী-লোলুপতা দৃঢ়ীভূত হ'ল।

এই ঘটনাৰ অলপ আগৰে পৰা মাধৱে কিছুমান বকুল ফুল গোটাই লৈ মালা এধাৰ গাঁথিবলৈ আৰম্ভ কৰিছিল; কিন্তু কামদেৱৰ ত্ৰিভুবন বিজয়ী মহা-অস্ত্ৰ সেই ৰমণীয় ৰমণী মূৰ্ত্তিটী চকুত পৰাৰ পৰা তেওঁৰ দেহত সংযোগ বিজুলীৰ চো উঠা বাবে বাকী ডোখৰ মালা ওলোটাকৈ গাঁথি পেলালে, তেওঁ তাৰ ভু-কে নাপালে। এনে সময়তে আন ২ লগৰী সকলক আঁতৰতে ৰাখি লৱঙ্গিকা আহি মাধৱৰ ওচৰ চাপে আৰু তেওঁলোকৰ সখীৰ আয়াৰিয়ে মালাধাৰ পাবলৈ বৰ আগ্ৰহ কৰা বুলি কৈ মাধৱৰ পৰা খুজি লৈ মালতিক দিয়ে হি। এই মালাই ক্ৰমাৎৰয়ে নায়ক নায়িকাৰ পৰম আদৰৰ ধন হৈ উঠে; আন কি, বিৰহ-বিধুৰ নায়ক নায়িকাৰ জীৱন ৰক্ষাৰ অব্যৰ্থ মহৌষধৰ দৰে কাৰ্য্য কৰিছিল।

মালতীয়ে অঁকা ছবিখনি যেতিয়া মাধৱৰ হাতত পৰিলে তেতিয়া তেওঁৰ আনন্দ চাই কোনে? যেনে অমৃত সাগৰৰ মধুময় তৰঙ্গত উটি বুৰিহে ফুৰিলে। আনন্দৰ যেন্দোলনি মাৰ যোৱাৰ পিচত মকৰন্দৰ পৰামৰ্শ মতে সেই ছবিৰ দাতিত তেওঁ মালতিক আঁকিলে; আৰু তলত এটি মনোহৰ কবিতা ৰচনা কৰি লেখি দিলে:—

মন প্ৰাণ হৰি নিয়া
অতুল আনন্দ দিয়া
চন্দ্ৰকলা আদি বস্ত আছে অগণন;
যদিও সি ৰুৱাচয়
স্বভাৱতে মধুময়
তথাপি সম্যক্ জানো হয় মোৰ মন?
যি দিনা তুমিত মোৰ,
দগ্ধ হ'ল চকুযোৰ,
দেখি এই চন্দ্ৰনিভ ৰমণী মূৰতি,
ই মানৱী জীৱনত
সেয়ে মাথো মৰতত
যত্ৰ মহোৎসৱ মোৰ জীৱন আৰতি॥

এই কবিতা পঢ়ি আৰু ছবি দেখি যাতে মালতী সুখী হব পাৰে তাৰ ব্যৱস্থা কৰিলে। যথা সময়ত ই মালতীৰ হাতত পৰিল। এইবোৰ দেখি শুনি মালতী একেবাৰে আনন্দত মতলীয়া হ'ল। ভৱিষ্যতৰ ছবি কল্পনা পটত সোণালী সাজে উজ্জ্বলি উঠিল। কিন্তু এনে সুখ তেওঁৰ সৰহ সময় স্থায়ী ন'হল। লৱঙ্গিকাৰ মুখে সেই কুৰূপ নন্দনকে বৰ স্বৰূপে পিতাকে ঠিক কৰা কথা শুনি একেবাৰে ম্ৰিয়মান হ'ল। সকলো আশা ভৰসা ভস্মভূত হৈ গ'ল। এনে সময়তে কামন্দকী উপস্থিত হৈ জলা জুইত ঘিউ দিয়াৰ দৰে, নন্দনৰ লগত মালতীৰ বিয়া হলে যে ৰাহু গ্ৰহৰ লগত চন্দ্ৰকলাৰ মিলনৰ দৰেহে হব ইত্যাদি কথাৰে মালতীৰ দুখ-অনল-দুগুণে বঢ়ালে। মালতী একেবাৰে নন্দনৰ নাম শুনিবকে নোৱৰা হৈ উঠিল। লগে লগে তেওঁৰ অসহনীয় দুখ-বেজাৰ পোৱাটো চকু মুখত ভালদৰে ফুটি ওলালে।

কামন্দকী বৰ চতুৰ। তেওঁ মালতীৰ তেনে অৱস্থা দেখি আহিন কথাৰে পাতনি কৰিলে; আৰু লৱঙ্গিকাৰে সৈতে মালতীক শিৱ-মন্দিৰৰ ওচৰত থকা ফুলনিলৈ লৈ গল। কামন্দকীৰ পৰামৰ্শ মতে মাধৱো তাত উপস্থিত আছিল—কিন্তু দেখা ঠাইতে নহয়; আঁতৰত। মালতীহঁতৰ নানা কথা চলিছে, এনেতে হঠাৎ তেওঁলোকে চিঞৰ-বাখৰ শুনিবলৈ পালে। কোনোবাই চিঞৰি চিঞৰি কৈছে যে শিৱ মন্দিৰত থকা মানুহ বিলাক সাৱধান হব লাগে, এটা বাঘ ওলাই মানুহ-দুনুহ মাৰি খাই একেবাৰে খাণ্ডাং কৰিলে, এতিয়া সেই বাঘে মদয়ন্তিকাক আক্ৰমণ কৰৰ খুজিছে। কোন ক'ত আছে তেওঁক সেই বিপদৰ পৰা ৰক্ষা কৰিব লাগে।

---

মূলত পকা কবিতাটি এই:———

জয়তি জয়িন শ্বেতে ভাবা নবেন্দু কলাদয়ঃ,
প্ৰকৃতি মধুৰাঃ সন্ত্বোনাঙ্গে মনো মদয়ন্তি যে।
মমতু যদিযং জাতালোকে বিলোচন চন্দ্ৰিকা,

এই সুযোগতে মাধৱে গা দেখা দিলে, মালতীৰ চকু বিস্ময় মিহলি আনন্দত কুলি উঠিল, আৰু লগতে বিষাদৰ ৰেখা এটিয়ে সেই উজ্জ্বল বদনত খেলা কৰি আঁতৰিল;——মাধৱে কোনো ফালে লক্ষ্য নকৰি বিপদলৈ কেৰাহিকৈও নাচাই সেই বিপন্না বালিকাক ৰক্ষা কৰিবলৈ বীৰ দৰ্পে ওলাই গ'ল। প্ৰকৃত কামতহে আন্তৰিকতা দেখুৱালে।

অলপ সময়ৰ পাচত দেখা গ'ল,—এটি অতি মনোহৰ নয়ন তৃপ্তিকৰ দৃশ্য—মালতী মাধৱ আৰু মকৰন্দ-মদয়ন্তিকাৰ যুগল মূৰ্ত্তি।

মাধৱ গৈ বাঘৰ ঠাই পোৱাৰ আগতে তেওঁৰ বন্ধু মকৰন্দই সেই বাঘটো মাৰি মদয়ন্তিকাক উদ্ধাৰ কৰে. বাঘেও তেওঁক সুদাই এৰা নাছিল আঁচুৰি কামুৰি দেহ জৰ্জ্জৰীয়া কৰিলে; তথাপি বীৰে তালৈ থাওকান কৰি বাঘ মাৰিহে এৰিলে। বাঘৰ তেনে আক্ৰমণৰ ফলত অলপ সময়ৰ পাচতে মকৰন্দ মূৰ্চ্ছিত হয়। তাক দেখি মদয়ন্তিকাৰ প্ৰাণে মগাহিল। তেওঁ লাজ-চৰম কাতি কৰি থৈ জীৱন ৰক্ষকক সাবটি ধৰি তুলি ললে: আৰু সুস্থ কৰিবলৈ বিভিন্ন আচৰণ কৰিবলৈ ধৰিলে। মাধৱ গৈয়ে এনে ঘটনা দেখি বিশেষকৈ প্ৰিয়বন্ধুৰ বিশেষ বিপদৰ সম্ভাৱনাত তেৱোঁ মূৰ্চ্ছা গ'ল। মাধৱক শুশ্ৰূষা কৰিবলৈ মালতীৰ মনত একান্ত ইচ্ছা, তথাপি লাজে ভয়ে থমকি আছিল: কামন্দকীৰ অনুমতি পাই তেৱোঁ মদয়ন্তিকাৰ পথ ললে। বিহাৰ আঁচলেৰে মূৰত বাদিবলৈ ধৰিলে। আগৰ সকলো কথা মনৰ পৰা আঁতৰি গ'ল।

মালতী আৰু মদয়ন্তিকাৰ শুশ্ৰূষাত মাধৱ আৰু মকৰন্দৰ মূৰ্চ্ছা দূৰ হ'ল; দুয়ো সুস্থ। এই আশাতীত অপূৰ্ব্ব মিলনত আটাইৰে মনত কেনে অপাৰ আনন্দ, অসীম উৎসাহ, অকৃত্ৰিম কৃতজ্ঞতা পূৰ্ণ-মোহন চাওন! কি মহোৎসৱ!! ই বৰ্ণনাৰ অতীত। "সুখৰ পাচে পাচে দুখ ঘূৰে" বুলি কোৱা কথা মিছা নহয়। তেওঁলোকৰো সুখৰ সপোন ভাঙ্গি পেলালে এজন বাতৰি অনা দূতে। সি আহি মদয়ন্তিকাক কলে, যে "ৰজাই মালতীক তোমাৰ ককায়েৰা নন্দনলৈ দিব বুলি আজি বন্দবস্ত কৰি পলাতি, তুমি ঘৰলৈ গৈ এই শুভকাৰ্য্যত সহানুভূতি দেখুওৱাৰ বাবে ৰজাক অভ্যৰ্থনা কৰিব লাগে"।

এই কথা শুনি মদয়ন্তিকাৰ পৰম আনন্দ। যদিও সাময়িক মিলন সুখৰ বাবে তেওঁ হঠাৎ যাবলৈ ওলোৱাত অলপ বেয়া লাগিছিল সি সেই আনন্দৰ আগত তুচ্ছ। আনন্দ পাবৰে কথা তেওঁ যে মালতীৰ দৰে ৰূপে গুণে অনুপম ছোৱালী এজনিক বৌৱেক স্বৰূপে লবতে পাব। ইয়াতকৈ আৰু কি ডাঙৰ আনন্দৰ কথা হব পাৰে! তেওঁ লৰালৰিকৈ বুদ্ধৰক্ষিতাক লগত লৈ ৰজাক অভ্যৰ্থনা আৰু বিয়াৰ আয়োজন কৰিবলৈ ঘৰমুৱা হল।

মালতী মাধৱৰ মূৰত সৰগ ভাগি পৰিল. দুইৰো মুখ বিবৰ্ণ আৰু শেঁতা পৰি গল। কামন্দকী কথাৰ মূৰত মকৰন্দই শুনালে, যে 'বন্ধুৰে চিৰবাঞ্ছিত চৰ কাৰ্য্য ৰক্ষৰ আশা আজিৰ পৰা পৰিত্যাগ কৰিবলৈ বাধ্য হৈছে; কাৰণ সম্প্ৰতি সেই ৰমণীৰত্ন বাগ দত্তা। তেনে কন্যাক আনে বিয়া কৰাব নাপায়। কামন্দকী বুদ্ধিমতী আৰু বিদুষী,—তেওঁ নায়ক নায়িকায়ো যাতে শুনে তেনে ভাৱে মকৰন্দৰ আগত কবলৈ ধৰিলে। কলে,—তেওঁ বৌদ্ধ সন্ন্যাসিনী হলেও হিন্দুশাস্ত্ৰ ভালকৈ জানে, বাগ্‌দত্তা কন্যা আনে বিয়া কৰাব নোপোৱাত বিদিত আছে কিন্তু মাকৰ মাথুতে বাগ্‌ দান কৰিবলৈ অধিকাৰ কোনো পালে, তাকেহে বুজি পোৱা নাই। বাগ দান কৰে ছোৱালীৰ পিতাকে, মন্ত্ৰীৰ সেই বিষয়ে মত নাই যেই তেওঁ কোনো কথা দিয়া নাই। ৰজাই কলে কি হব! এনে স্থলত কোনো প্ৰকাৰে বিয়াত বাধা জন্মিব নোৱাৰে। এনেবোৰ কথাৰে নায়ক-নায়িকাৰ মৃত প্ৰায় আশা-লতা পুনঃ সঞ্জীৱিত কৰিলে। আৰু তেওঁ মালতী মাধৱৰ এই যোগ্য মিলনত প্ৰাণ দিও সহায় কৰিব বুলি দৃঢ় প্ৰতিজ্ঞা কৰিলে নায়ক-নায়িকাৰ মনত সাধ্য মূলক আশাৰ ক্ষীণ পোহৰে ৰেখা পাত কৰি অন্তৰ্হিত হ'ল।

এনেতে মালতীৰ ঘৰৰ পৰা তেওঁক লগত লৈ কামন্দকী তালৈ যাব লাগে বুলি আদেশ আছিল। কামন্দকীয়ে আদেশ পালিলে।



ইফালে মাধৱ আৰু মকৰন্দৰ জল্পনা-কল্পনাৰ মহামাৰ হ'ল। চিন্তাচক্ৰত ঘূৰি পৰি এবাৰ আকাশ, এবাৰ পতাল এবাৰ পৃথিৱী, আকৌ কত কি পাব ধৰিলে তাৰ সীমা সংখ্যা নাইকিয়া হ'ল। মনৰ জ্বালা যন্ত্ৰণা দূৰ কৰিব নোৱাৰি দুয়ো বন্ধু পাৰা আৰু সিন্ধু নৈৰ সঙ্গম-স্থানত নানা তৰুৰ দৃশ্য চাই চাই কথমপি নাম মাত্ৰ শান্তনা লভিছিল। প্ৰকৃত শান্তি নাপালে, মাধৱে ভাবিছিল—কামন্দকীয়ে তেওঁক বৰ ভাল পায় আৰু মৰম কৰে, সেই দেখি তেনে বিপদত অধৈৰ্য্য হৈ কিবা বেয়া কৰিব বুলিহে তেওঁক সেইবোৰ মূল্যহীন কথাৰে শান্তনা দিবলৈ চেষ্টা কৰিছে মাথোন, প্ৰকৃততে তেওঁৰ আৰু কোনো কালেও মনৰ আশা নফলিব মনৰ আশা মনতে হে লয় যাব।

অঘোৰ ঘণ্ট এজন বীৰাচাৰী কাপালিক। তেওঁৰ প্ৰধান শিষ্যা কপালকুণ্ডলা। অঘোৰে পুৰশ্চৰণ সমাপ্ত কৰে। পুৰশ্চৰণ সিদ্ধি হোৱাৰ পাচত কৰালাদেৱীক এজনী অনুপম ৰূপলাৱণ্যৱতী ছোৱালী উপহাৰ দিব বুলি কৈ থোৱা আছিল। আজি কপাল-কুণ্ডলা সেই উদ্দেশ্য মনত লৈ ওলাই গৈছে। য'ত কৰালাদেৱীৰ মন্দিৰ আছে তাৰ কাষতে এখন মহা শ্মশান। তাত ভূত প্ৰেত আদিৰ নানা তৰহৰ ভৌতিক ধেমালি চলিছে। পিশাচনী হঁতে মৰা শ-ৰ নাড়ীকে হাতৰ খাৰু কৰি পিন্ধিছে, গলত হাড়ৰ মালা আঁৰি লৈছে আৰু এনে ধৰণৰ নানান্ বিধ সাজ-পাৰ পিন্ধি তাণ্ডৱ নৃত্য চলাইছে। মৰা শ-ৰ গাৰ পৰা আধাপোৰা অৱস্থাত ওলোৱা তেল যোৰ মূৰৰ লাউখোলাত ধৰি ধৰি মদ খোৱাদি খাবলৈ আৰম্ভ কৰিছে। মাজে মাজে শিয়ালৰ হোৱা হোৱা মাত, বাঘৰ গোজৰণি, বা হুদু আৰু ফেঁচাৰ কৰ্কশ ভয় লগা মাত। এনে অদ্ভুত শ্মশানৰ মাজত আন্ধাৰ ৰাতি অকলশৰে মাধৱ ঘূৰি ফুৰিছে। অকলশৰীয়া হৈও নিৰ্ভীক আৰু বীৰ তেজী। সোঁ হাতত এখন তৰোৱাল, বাওঁ হাতত এডোখৰ মহামাংস।

মাধৱৰ এনে অৱস্থা আৰু ভ্ৰমণৰ কাৰণ একমাত্ৰ মালতী বিচ্ছেদৰ অসহনীয় মনৰ যন্ত্ৰণা। এনেদৰে ঘূৰি ফুৰোঁতে হঠাৎ কোনোবা এজনী ছোৱালীৰ কৰুণ হৃদয়-বিদাৰক আৰ্ত্তনাদ মাধৱৰ কাণত পৰিল। তেওঁ সাৱধানে কাণ পাতি আকৌ শুনিলে, শুনিয়েই তেওঁৰ ধাৰণা হ'ল, যেন সেই কোকিলকণ্ঠ বিনিন্দিত স্বৰৰ লগত তেওঁৰ কাণৰ পৰিচয় আছে, তেওঁ যেন আগেয়ে আৰু সেই সুৰ কৰবাত শুনিবলৈ পাইছিল; কিন্তু কাৰ মাত একো ঠাৱৰাব নোৱাৰিলে। তথাপি তেওঁৰ হৃদয় বিদীৰ্ণ হ'ল, মৰ্ম্ম স্থানত যেন ভীষণ আঘাত লাগিল, লগে লগে অসীম বীৰতেজ তপত হৈ শৰীৰৰ প্ৰত্যেক ধমনিত প্ৰবাহিত হ'ল। তেওঁ কাল-বিলম্ব কৰিব নোৱাৰিলে, কৰালা দেৱীৰ মন্দিৰকে এনে নিৰ্দ্দয় পাশবিকতাৰ কেন্দ্ৰভূমি বুলি জানি তৎক্ষণাৎ সেই নিৰাশ্ৰয়া ৰমণীক উদ্ধাৰ কৰিবলৈ বীৰ দৰ্পে লৰি গ'ল।

সিফালে কৰালাদেৱীৰ মন্দিৰত অঘোৰে বিহিত পূজা সমাধা কৰি হাতত তৰোৱাল তুলি লৈ কপট মৰমতে সেই ছোৱালীজনীক তেওঁৰ প্ৰিয়তমক এবাৰ সুঁৱৰিবলৈ সময় দিছে। এনে সময়তে হঠাৎ মাধৱ তাত উপস্থিত। উপস্থিত হৈয়েই তেওঁ, বধ্যমালা পিন্ধা সেই ছোৱালী জনীৰ মুখৰ পৰা প্ৰিয়তমৰ নাম স্বৰূপে উচ্চাৰণ কৰা নিজ নাম শুনি একেবাৰে স্তম্ভিত হ'ল।

আৰু সেই ৰমণীৰত্ন কোন? তাক বুজিবলৈ তেওঁৰ বাকী নাথাকিল। ই বৈ থাকিবৰ সময় নহয় বুলি ভাবি তৎক্ষণাৎ কৰ্ত্তব্যত ব্ৰতী হ'ল। চকুৰ পচাৰতে সেই দুৰ্দ্দান্ত ঘাতকৰ সোঁ হাতত থাপ মাৰি ধৰি আন হাতেৰে তেওঁৰ সেই অসীম আদৰৰ দ্বিতীয় হৃদয় স্বৰূপ মালতীক টান মাৰি আনি বুকৰ মাজত সুমাই ল'লে।

ইফালে মন্ত্ৰীৰ ঘৰত যেতিয়া মালতী নাইকিয়া হ'ল, তেতিয়া বহুত মানুহে তন্ন তন্ন কৈ সকলো ঠাইত বিচাৰিবলৈ ধৰিলে, কোনো ঠাই বাকী নথকাকৈ বিচাৰিলে তথাপি মালতীক নাপালে। তেনে সময়ত কামন্দকীয়ে কৰালা দেৱীৰ মন্দিৰ অৱৰোধ কৰি তাত হে বিচাৰিব লাগে বুলি পৰামৰ্শ দিলে। মন্ত্ৰীৰ আদেশ পাই বহুত সৈন্য সামন্ত গৈ কৰালাৰ মন্দিৰ অৱৰোধ কৰিলে। ঠিক এই সময়তে ভিতৰত মাধৱ আৰু আগত কৈ অহা কাৰ্য্য।

মাধৱে বাঘৰ হাতৰপৰা হৰিণীক উদ্ধাৰ কৰিলে, এই হেন পাপৰ প্ৰায়শ্চিত্ত ৰূপে মাধৱৰ তৰোৱালৰ আঘাতত বাঘ মৰিল। লগৰ বাঘিনী পলাল. মাধৱেও তিৰীবধ কৰিব নাপায় দেখি তাইক এৰি দিয়ে।

মাধৱে মালতীক যমৰ হাতৰ পৰা ৰখাদি ৰাখিলে, মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিলে, তথাপি তেওঁ মালতীক লগত লৈ গৈ মন্ত্ৰীক গতাই দিবলৈ সুবিধা নাপালে। সেই সময়তে মন্ত্ৰী ঘৰৰ বহুত সৈন্য সামন্ত তাত উপস্থিত হৈছিল গৈ। সিবিলাক তাত নথকা হলে অকলৈ মালতীক পঠিয়াব নোৱাৰি মাধৱে লগত নি মন্ত্ৰীৰ ঘৰত সোধাব পাৰিলোহঁতেন। কিন্তু এতিয়া সি হৈ নুঠিল। মালতীৰ ওপৰত মাধৱৰ কোনো অধিকাৰ নাছিল। মন্ত্ৰীঘৰীয়া মানুহ বিলাকে মালতীক লৈ গ'ল। আৰু ঘৰ পোৱাৰ পিচত নন্দনৰ লগতে আকৌ বিয়াখন পাতিলে। চাওঁতে চাওঁতে বিয়াৰ দিন পালেহি। বিয়াৰ দিনাখন তেওঁৰ কথা মতে মালতীক নন্দনলৈ দিবলৈ উলিয়াত ৰজাই বং পাই কিছুমান ভাল ভাল দামী অলঙ্কাৰ আৰু কাপোৰ কানি কন্যাৰ নিমিত্তে পঠিয়াই দিলে।

বিয়াৰ দিনা গধূলি সময়ত বংশৰ দস্তুৰ মতে মালতীক শিব পূজা কৰিবলৈ শিব মন্দিৰলৈ পঠালে। লগত বহুত ৰখীয়া আৰু আন আন অনেক লোক গ'ল। কামন্দকী আৰু লবঙ্গিকা তো আছেই। মন্দিৰৰ পৰা অলপ আঁতৰতে গা-ৰখীয়া সৈন্য-সামন্ত আৰু আন লোক সকল থাকিল; মালতীৰ লগত অকল তেওঁৰ চেনেহৰ লগৰীয়া লবঙ্গিকা আৰু কামন্দকী মন্দিৰলৈ গ'ল মাথোন। মন্দিৰত সোমাব খোজোতে এজন মানুহ ৰজাই পঠোৱা অলঙ্কাৰ আৰু কাপোৰ-কানি খিনি লৈ তাত উপস্থিত হলগৈ। কামন্দকীয়ে সেই অলঙ্কাৰ আৰু তাৰ লগত থকা হীৰা-মাণিক মুকুটা আদি ভাল নে বেয়া পৰীক্ষা কৰাৰ ছল কৰি আঁতৰি গ'ল। মালতী আৰু লবঙ্গিকাই মন্দিৰ সোমোৱালে। মালতীৰ মাকে দেৱতাৰ আগত অলঙ্কাৰ আদি পিন্ধিলে সকলো অশুভ দূৰ হব ভাবি লবঙ্গিকাৰ হাতত সেই বোৰ দিছিল, লবঙ্গিকাই মালতীক পিন্ধিবলৈ উলিয়াই দিলে।

মালতীৰ মনত হলে সুখ শান্তি এতিলও মানো নাই। তেওঁৰ চিৰ বাঞ্ছিত মাধৱক এৰি সেই কুৰূপ নন্দনক স্বামী বৰণ কৰাতকৈ মৃত্যু শতগুণে শ্ৰেষ্ঠ। তেনে অনুপযুক্ত এজনক প্ৰাণৰ দেৱতা কৰা তেওঁৰ পক্ষে যে একেবাৰে অসম্ভৱ। কি কৰিব, একো উপায় নোপোৱাত পৰিল। কোনো মতে প্ৰাণ বিসৰ্জ্জন দিব পাৰিলেই তেওঁ ৰক্ষা পায়। ইমান মানুহে বেঢ়ি থকা অৱস্থাত যে তাকো কৰিব নোৱাৰে। লবঙ্গিকাই অলঙ্কাৰ আৰু কাপোৰ কানি উলিয়াই দিয়া দেখি তেওঁ কান্দিবলৈ ধৰিলে। লবঙ্গিকাৰ নানা যুক্তি, অশেষ শান্ত্বনা, অগলে গ'ল।

মালতীৰ শোক ৰেজাৰ অনুক্ৰমে উথলি উঠিল, শেষত তেওঁ কাৰ্য্যত পৰিণত কৰিব পাৰক বা নোৱাৰক মনেৰে হলে মৰণকে নিশ্চয় কৰি লগৰী লবঙ্গিকাক শেষ অনুৰোধ জনালে যে তেওঁ মৰি যোৱাৰ পিচতো যাতে তেওঁৰ প্ৰিয়তম মাধৱে তেওঁক নাপাহৰে আৰু শোকত নমৰি যাতে সেই পৰম ধন বকুল-মালা ধাৰ আজীৱন বুকত বান্ধি লৈ থাকে, এয়ে তেওঁৰ অন্তিমৰ অন্তিম অনুৰোধ। এই কথা কোৱাৰ লগে ২ তেওঁ কান্দি ২ লবঙ্গিকাৰ ভৰিত দীঘল দি পৰিল আৰু চকুৰ পানীৰে চকু ঢাক পাই থকা অৱস্থাৰেই লবঙ্গিকাক সাবট মাৰি ধৰি পৰম আদৰৰ ধন বকুলমালা ধাৰ তেওঁৰ গলত পিন্ধাই তৎক্ষণাৎ আঁতৰি গৈ লাজে-ভয়ে থৰথৰে কঁপিবলৈ ধৰে।

মালা পঠোৱাৰ সময়ত তেওঁৰ চকু মেল খাইছিল, তেতিয়া তেওঁ দেখিলে তেওঁ লবঙ্গিকাক মালা পিন্ধোৱা নাই পিন্ধাইছে মাধৱক। এই একে বাৰে আচৰিত ঘটনা কেনেকৈ ঘটিল তাক তেওঁ গমকে নাপালে। কামন্দকীৰ মন্ত্ৰণা অনুসাৰে মাধৱ আৰু মকৰন্দ মালতীৰ তালৈ যোৱাৰ আগতে মন্দিৰত লুকাই আছিলগৈ। আৰু লবঙ্গিকাৰ ঠাৰ বুজি মাধৱে লাহে ২ আহি লবঙ্গিকাৰ ঠাই লৈছিল।

মালতী লাজে-ভয়ে তলমূৰা হৈ থকা সময়ত কামন্দকী আহি পালে আৰু তেওঁলোকৰ গন্ধৰ্ব্ব বিবাহ হোৱা বুলিকে বিয়াৰ আন অনুষ্ঠান পালিবলৈ মন্দিৰৰ আৰ



দুৱাৰেদি ফুলনিৰ মাজে মাজে গৈ বৌধ মন্দিৰৰ দাঁতিলৈ যাবলৈ কলে। মালতী পোনতে অমান্তি হৈছিল, কিন্তু কামন্দকীৰ ইঙ্গিতত তেনে কাৰ্য্যত নিজ পিতৃ-মাতৃৰ মত থকা বুলি জানি সন্মত হ'ল। পতিৰ মানত পত্নী আৰু পত্নীৰ মানত পতি কেনে বস্তু আৰু উভয়ৰ কি সম্বন্ধ—এই বিলাক উপদেশ দিবলৈয়ো কামন্দকীয়ে বাকী নেৰিলে। তেওঁলোক গ'ল।

মালতীৰ নিমিত্তে যি বোৰ সাজ-পাৰ কানি-কাপোৰ অনা হৈছিল তাৰে মকৰন্দক সজাই পৰাই মালতী পাতিলে, আৰু মন্ত্ৰীৰ ঘৰত নন্দনৰ লগত পৰিণয় কাৰ্য্য সমাধা কৰালে। লবঙ্গিকা আৰু অবলোকিতাক লগত লৈ নকলি মালতী গৈ নন্দৰ ঘৰ পায়। বাসৰ ঘৰত নন্দন আৰু মালতীৰ কাজিয়া লাগে। সেই অপমানতে নন্দনে নানা অকথ্য ভাবেৰে গালি পাৰি ঘৰৰ পৰা ওলাই যায়। এই কথা শুনি নন্দনৰ ভনিয়েক মদয়ন্তিকাই মালতীক বুজাই বঢ়াই খং ভাঙিবলৈ মন কৰি সেই ঘৰত উপস্থিত হয়। তেওঁ বুদ্ধৰক্ষিতাকো লগত নিছিল।

মদয়ন্তিকা বাসৰ ঘৰত উপস্থিত হোৱা সময়ত মালতীৰ কপটনিদ্ৰা। লবঙ্গিকাই তেওঁৰ সখী বহুত সময়ৰ মূৰত অলপ টোপনি মাৰিছে বুলি কৈ তেওঁক মাতিবলৈ হাক দি লাহে লাহে সেই শেতেলীৰ দাঁতিতে বহিবলৈ কয়। মদয়ন্তিকা বহে। সমনীয়া কেৱা জনী ছোৱালীৰ মিলনত নানা কথাৰ অৱতাৰণা হয়। বুদ্ধিমতী লবঙ্গিকাইতে কথাৰ প্ৰসঙ্গতে মদয়ন্তিকাৰ পেটৰ কথা উলিয়াবলৈ চেষ্টা কৰাত তেওঁ যে মকৰন্দক বৰ ভাল পায় এই কথা তেওঁৰে মুখৰ পৰা ওলাই পৰে, কিয় ভাল পায় কিমান ভাল পায় এনেকুৱা প্ৰশ্নমূলক কথাৰ উত্তৰ দিওঁতে দিওঁতে মদয়ন্তিকাই যে মকৰন্দক ভাবী স্বামী ৰূপে ভাল পায় আৰু তাকে কাৰ্য্যত কৰিবলৈ তেওঁৰ একান্ত আগ্ৰহ ইমান বোৰ কথা প্ৰকাশ পোৱাত ছদ্মবেশী মকৰন্দই সাজ-পাৰ পেলাই নিজ মূৰ্ত্তিত দেখা দিয়ে। আগেয়ে সকলো কথা কৈ পেলোৱা বাবে মদয়ন্তিকা গাতত প্ৰতিকূলে কবলৈ একো নাইকিয়াত পৰিল আৰু বাধা কৈ বিবাহ কাৰ্য্য সমাধা কৰিবৰ উদ্দেশ্যে মকৰন্দেৰে

সৈতে মালতী আৰু মাধৱ থকা ঠাইলৈ যাত্ৰা কৰে। তেতিয়া সময় প্ৰায় দোভাগ ৰাতি। মদয়ন্তিকাৰ লগত সখীইতো আছিল।

এই শুভ যাত্ৰাত অশুভ মিলিল। নগৰ ৰখীয়া পুলিচৰ লগত মকৰন্দৰ কাজিয়া লাগিল, কাৰণ মাজনিশা মাইকী মানুহ লগত লৈ যোৱাটো নিয়ম বিৰুদ্ধ। পুলিচইতে যাব নিদিয়ে; ইফালে মকৰন্দও নৈগে নোৱাৰে মাজতে হ'ল সেই গণ্ডগোলখন। তথাপি তেওঁ কৌশল কৰি কলহংসৰ লগত সখীইতে সৈতে মদয়ন্তিকাক তালৈ পঠাই দিয়ে। কলহংসই তেওঁলোকক তাত ৰাখি মাধৱক কাজিয়াৰ কথা জনায়। খবৰ পায়ে মাধৱে বন্ধুক বিপদৰ পৰা ৰক্ষা কৰিবলৈ ওলাই গ'ল। মালতীয়ে দেখিলে যে কামন্দকীৰ মন্ত্ৰণা সবাতোকৈ শ্ৰেষ্ঠ এই সময়ত তেওঁক খবৰ দিলে জানোবা কিবা এটা ভাল দিহা উলিয়াব পাৰেই, ইয়াকে ভাবি অবলোকিতা আৰু বুদ্ধৰক্ষিতাক তেওঁৰ ওচৰলৈ পঠিয়ালে।

মালতীৰ আদেশ অনুসাৰে মাধৱক সাৱধান কৰি দিবলৈ লবঙ্গিকা ওলাই গ'ল। তেওঁক বহুত পৰ পলম কৰা দেখি আহিছে নে নাই অহা চাবলৈ বুলি মালতী বাহিৰলৈ ওলাই আহোতে অঘোৰ শিষ্য কপাল কুণ্ডলাই লগ পায়। কপাল কুণ্ডলাৰ পূৰণি খং মাৰ যোৱা নাছিল, সেই দেখিহে তেওঁ আহি কিবা সুবিধা কৰিব পাৰিব বুলি আহিছিল, দৈবযোগে সেই সুবিধা হাততে পালে। তেওঁ তৎক্ষণাৎ মালতীক হৰি লৈ গুচি গ'ল।

তাত মাধৱ আৰু মকৰন্দ বলবীৰ্য্যৰ আগত নগৰ ৰখীয়াইত টিকিব নোৱাৰি পলাই পত্ৰং দিলে, বন্ধু দুজনৰ এনে সাহ-পিত, বলবীৰ্য্য দেখি বীৰত্বৰ মোল বুজা ৰজাই পৰম সন্তুষ্ট হৈ ধন্যবাদ দি তেওঁলোকক বিদায় দিলে। তাৰ পৰা ঘূৰি আহি দেখে যে মালতী নাই। নাই যে নায়েই। কিমান ঠাই বিচাৰিলে কতো মালতীৰ সন্ধান নাই। পৰ্ব্বত-পাহাৰ হাবি-বন গাঁও-ভূই সকলোতে বিচাৰিলে, বিচাৰি একেবাৰে হাৱৰাণ হ'ল কিন্তু মালতীৰ কোনো শুংসূত্ৰকে নাপালে। এই কাৰ্য্যত, শ্ৰীৰামচন্দ্ৰৰ

সহায় লক্ষ্মণৰ দৰে—মাধৱৰ একমাত্ৰ সহায় মকৰন্দ। নিজৰ আশা আকাঙ্ক্ষা পৰিত্যাগ কৰি দুখ-কষ্টলৈ মন কাণ নকৰি বন্ধুৰ লগত অশেষ দুৰ্গতি ভুগিলে গৈ।

তেওঁলোক দুয়ো দেশ দেশান্তৰ কিমান ঘূৰিলে কিন্তু কতো তেওঁলোকৰ ভাগ্যোদয় নহ'ল। কিমান বিচাৰিব কিমান কি কৰিব, কিমান যন্ত্ৰণা সহিব ; আৰু সহিব নোৱাৰাত পৰিল। শাৰীৰিক পৰিশ্ৰমতকৈও মনৰ দুখ যে শত গুণে সৰহ। এতিয়া আৰু মাধৱ সুস্থ অৱস্থাত নাই। মাজে মাজে মূৰ্চ্ছিত হৈ পৰিব ধৰিলে। মকৰন্দৰ শুশ্ৰূষাত কেবাবাৰো সুস্থ হৈছিল কিন্তু এইবাৰ হলে তেওঁৰ মূৰ্চ্ছা নে মহাযাত্ৰা ঠিক কৰাই টান হৈ পৰিল। নহব নো কিয় ? যি মাধৱে, এদিন মালতীৰ ৰূপ-গুণ বৰ্ণাই বন্ধুৰ আগত এই বুলি কৈছিল, যে—

অধিষ্ঠাত্ৰী দেৱী তেওঁ সৌন্দৰ্য্য খনিৰ,
নতুবা সুষমা সাৰ একেটি মন্দিৰ।
নিশ্চয় নিশ্চয় সখি ! শিল্পী কামদেৱে;
সাজিলে তেওঁক আহা ! আলসুৱা ভাবে।
ইন্দু সুধা মৃণালাদি লই উপাদান ;
শৰীৰত ঢালি দিলে জোনালী বৰণ॥

অলপ সময় নেদেখি ভাব ৰাজ্যত প্ৰিয়তমাক এনে দৰে দেখা পাইছিল :—

সোঁৱে-বাৱেঁ আগে পাচে
ভিতৰে বাহিৰে,
প্ৰকৃতিৰ প্ৰতি অঙ্গে
প্ৰতি শিৰে শিৰে ;
জিলিকিছে সোৱা মোৰ
প্ৰাণ প্ৰিয়তমা,
সকলোতে ব্যাপি থকা
পবিত্ৰ আতমা।
মনোমোহা মুখখনি
পদুম ধুনীয়া,
অনুৰাগ পূৰ্ণদৃষ্টি
কেৰাহি কৈ চোৱা॥

বিচাৰি নাপাই যি এবাৰ আনন্দ মুখে কৈছিল,— "হে বায়ু ! তুমি ফুলৰ ৰেণুবোৰ উড়াই নি যতৈ তলৈ বাব পাৰা এতেকে মই মৰোঁ মোৰ প্ৰাণৰ ৰেণু বৈ নি মোৰ প্ৰিয়তমাৰ গাত সানি দিয়াগৈ"।

এনে প্ৰেমিক জনে যেতিয়া কতো বিচাৰি তেওঁৰ প্ৰেমিকাক নাপালে ; আন কি বাতৰি এটিও দেৱৰ দুৰ্লভ হ'ল, তেনে স্থলত তেওঁৰ মূৰ্চ্ছা নোহোৱাটোহে আচৰিত হ'ল হেঁতেন।

এই বাৰ মূৰ্চ্ছিত হৈয়ে তেওঁ বহুত সময় পৰি থাকিল, তাকে দেখি মকৰন্দই তেওঁক মৰিব বুলি ঠিক কৰি বন্ধুৰ তেনে ঘটনা যাতে তেওঁ দেখা নাপায় তাৰ উপায় উলিয়ালে। মকৰন্দই পাটলাৱতী নামে নদীত জাহ দি মৰিবলৈ গ'ল। নদীত পৰে পৰে এনে সময়তে এজনী যোগিনী আহি তেওঁৰ আগত উপস্থিত হৈ মালতী জীয়াই থকাৰ বাতৰি দিলে, আৰু প্ৰমাণ স্বৰূপে সেই প্ৰসিদ্ধ বকুল-মালা দেখুৱালে। ইয়াকে দেখি মকৰন্দৰ মনত প্ৰত্যয় জন্মিল। দুয়ো গৈ মাধৱৰ ওচৰ চাপিল গৈ।

তেতিয়া দুয়ো মাধৱৰ ওচৰ চাপি দেখিলে তেওঁৰ মূৰ্চ্ছা ভাগিছে, যদিও একেবাৰে সুস্থ হোৱা নাই। তেওঁ হাতযোৰ কৰি আগত কৈ অহা মতে বায়ুক প্ৰাৰ্থনা জনাব লাগিছে এনেতে হঠাৎ তেওঁৰ হাতত বকুল মালা-ধাৰ পৰিল, দেখি তেওঁ আনন্দত নাচি উঠিল, নিৰাশ মৰু হৃদয়ত আশালতাৰ কিৰ কিৰীয়া অঙ্কুৰ এটিয়ে দেখা দিলে। তেওঁলোকৰ পৰা মালতী জীয়াই থকাৰ বাতৰি পাই সুস্থ হ'ল। যোগিনীয়ে তেওঁক মালতীৰ ওচৰ পোৱালে গৈ।

ইফালে কামন্দকী লৱাঙ্গিক আৰু মদয়ন্তিকাই মালতীক বিচাৰি ফুৰিলে, কিন্তু কতো মালতীক নাপালে মাধৱ ইতৰ পৰা ও কোনো আশাজনক বাতৰি নাপাই শোকত অস্থিৰ হ'ল। বহুদিন এনেদৰে বিচাৰি বিচাৰিও তেওঁৰ কোনো শুভবাতৰি নোপোৱাত সকলোটীয়ে মধুমতী নদীত আত্ম বিসৰ্জ্জন দিবলৈ সাজু হৈ ওলাল। এনে হঠাৎ এটা জ্যোতিঃ পুঞ্জ তেওঁলোকৰ চকুত পৰিল আৰু জ্যোতি নিষ্প্ৰভ হোৱা মাত্ৰকে মকৰন্দক দেখা পালে।



দেখা পালে। তেওঁৰ পৰা সকলো বৃত্তান্ত শুনি আটাই বিলাকে বং পালে আৰু তেনে নিন্দনীয় কামৰপৰা আঁতৰিল।

মন্ত্ৰীৰ ঘৰত মহা হাহাকাৰ। সকলোৰে কন্দা কটা। ইমান দিনৰ মূৰতো একমাত্ৰ সন্তান মালতীৰ কোনো উদ্দেশ নোপোৱাত মন্ত্ৰীয়ে জুইত জাহ দিবলৈ ওলাল। যোগিনী তৎক্ষণাৎ তালৈ গৈ সকলো কথা তেওঁক ভাঙ্গিপাতি কৈ সান্ত্বনা দিয়ে, কিন্তু সময়ৰ পাচত কামন্দকীইতৰ তাত মালতী আৰু মাধৱ উপস্থিত হয়। সেই সময়ত মালতীয়ে পিতাকৰ দুৰ্ঘটনাৰ কথা শুনি মূৰ্চ্ছিত যেন হোৱাত মাধৱে তেওঁক ধৰি নি কামন্দকীইতৰ ওচৰ পোৱায়।

শেষত কোনো এটি প্ৰাণীৰো অনিষ্ট নোহোৱাকৈ সকলোৰে পুনঃ পূৰ্ণমিলন ঘটে। নন্দনৰ লগত পৰামৰ্শ কৰি ৰজাই, মকৰন্দই মদয়ন্তিকাক বিয়া কৰাব পাৰে বুলি হুকুম দি পঠিয়ায়। মন্ত্ৰীৰ আদেশতো আগৰ পৰাই আছিল, মাজতে যি বাধা উপস্থিত হৈছিল সি আঁতৰি গ'ল। কোনো বিঘিনি নোহোৱাকৈ আনন্দৰ মিলনে পূৰ্ণতা লাভ কৰিলে।

যি গৰাকী যোগিনীয়ে কপাল কুণ্ডলাৰ হাতৰ পৰা ভোগৰ ডোগৰকৈ কাটি কাটি বধ কৰিবলৈ নিয়া মালতীক ৰক্ষা কৰিলে, মকৰন্দ কামন্দকী আৰু মন্ত্ৰীইতৰ তেনে বিষম বিপদৰ সময়ত উপস্থিত হৈ হৈ সকলোকে তেনেকুৱা নিন্দনীয় মৰণৰ পৰা জীয়াই ৰাখিলে আৰু যি সকলোৰে এই পূৰ্ণমিলনত সম্ভৱ পৰ কৰিলে, সেই যোগিনীৰ নাম সৌদামিনী। তেওঁ বিদুষী কামন্দকীৰ প্ৰধান আৰু প্ৰথম শিষ্যা। তেওঁ নোহোৱা হলে এই মধুময় মিলন, বিষময় বিচ্ছেদত পৰিণত নহ'ল হেঁতেন বুলি কোৱাটো টান। যিকি নহক সকলোৰে। মনৰ বাঞ্চা সিদ্ধ হ'ল, আনন্দ পূৰ্ণানন্দত পৰিণত হ'ল।

মুঠতে কবিৰ এনে নিৰ্দ্দোষ কল্পনা অতি প্ৰশংসনীয় তাত অণু মাত্ৰও সন্দেহ নাই। শেষত ইয়াকে মাথোন কব খোজোঁ, কোনেও যেন এই প্ৰবন্ধত মালতী মাধৱ নাটকৰ বিশেষ আলোচনা কৰিব নোখোজে। এই প্ৰবন্ধত নাটকৰ অতি চমু বিবৰণ মাত্ৰ হৈছে। ইমান ডাঙ্গৰগ্ৰন্থ এখনৰ সকলো কথা এনে ক্ষুদ্ৰ প্ৰবন্ধত ঠাই নোপোৱাটো অস্বাভাৱিক নহয়। আজিলৈ ইমানতে সামৰণি মাৰিলোঁ। ইতি—

পণ্ডিত শ্ৰীউমাকান্ত মিশ্ৰ ব্যাকৰণতীৰ্থ,
বিদ্যাবিনোদ।

৩।৫।৩০

---

# অচিনাকি।

ৰক মানুহৰ বন্ধু,- বিজ্ঞানৰ প্ৰমাণৰ বাণী—
শুনি উঠে হাহি।
ৰঙ্গ মঞ্চত কোনে পাই ৰস-পুখুৰীৰ পানী
বায় তৃপ্তি বাঁহী ?
আজিও তৰুক কাটো, পৰি ফালোঁ, গঢ়ো কত নিধি
অসঙ্কোচে অতি।
প্ৰকৃতিক অনাক হই কত পাকো মানুহৰ বিধি
গুছোৱা দুৰ্গতি॥

তথাপি হে অচিনাকি ! পাওঁ যেন তোমাৰ ইঙ্গিত
বৈজয়ন্তী উৰে ;
সুন্দৰী উষাৰ সেই সৌন্দৰ্য্যৰ সৰ্গ সঙ্গীত
পুৰে পুৰে ঘূৰে।
জন্মান্তৰ অন্ধকাৰ হৰি হৰি এই ধৰণীৰ
এটি বেদ-বাণী—
এই উষাৰূপে ৰচে জগতৰ চিনাকি মন্দিৰ
শোভণ, কল্যাণী॥

মৃত্যুত অমৃত আনে, ধ্বংসত সৃষ্টিৰ বাণী দিয়ে
অসত্য সংহৰি,
অবিশ্বাস নিশাচৰ কুৰ্ব্বলি অবিদ্যা হৰি নিয়ে
ওঙ্কাৰ উচ্চৰি।

হে মহাদেৱতা মোৰ অচিনাকি, মৌণী সৃষ্টিৰ
সোমোৱা মন্দিৰ।
মুক্তিৰ নিৰ্দ্ধাৰি দিশ, শুছোৱা নিঠৰ ভয়ঙ্কৰ
মানৱ-বন্দীৰ॥

শ্ৰীকমলেশ্বৰ চলিহা।

---

# কালিদাস আৰু শকুন্তলা।

পূৰ্ণিমা ৰাতি চন্দ্ৰৰ সুশীতল পোহৰত মন আনন্দত নাচি উঠে। অনেকেই কাৰ্য্যৰ সাৰথি আবিৰ্ভূত হ'ল ভাবি চন্দ্ৰক আলিঙ্গন কৰিবলৈ হাবিয়াস কৰে। নাটকৰ নায়ক-নায়িকাৰ মুখ শ্ৰীৰ উপমা চন্দ্ৰতেই পোৱা যায়। প্ৰেমিক প্ৰেমিকাৰ এই খিনিতেই প্ৰেমালাপৰ উত্তম সুযোগ। চোৰেও চুৰ কৰিবৰ এই নিৰ্ম্মল ৰাতিহে প্ৰকৃত সময় বুলি অনুমান কৰে, পানীয়ে আনন্দত মতলীয়া হৈ নিজ আকৃতি সলনি কৰি জোৱাৰ ভাটা নাম লৈ চন্দ্ৰ মিলনত তৎপৰ হয়। "জোনবাই এ বেজি এটা দিয়া" বুলি কেচুৱা লৰাক জোন দেখুৱাইহে নিচুকাব পাৰি। আৰ্য্য-ঋষি সকলে চন্দ্ৰ-দৰ্শনত আনন্দিত হৈ হবেক ৰকমৰ স্তুতি কৰে। এইদৰে চন্দ্ৰই অনেকৰ মনত যেন আনন্দ বিগাবলৈহে আকাশত বিকাশ হয়।

কালিদাসৰ শকুন্তলা নাটক বহুতেই পঢ়িছে। নাটকৰ মূল কথাটো মহাভাৰতৰ পৰাই উদ্ধৃত। কালিদাসে আনি এই এখন অতি মনোহৰ সৰ্ব্বাঙ্গীন আৰু সৰ্ব্ব কাল-প্ৰিয় নাটক ৰচনা কৰিলে। কণ্বসুতা শকুন্তলা নাটকৰ প্ৰধান নায়িকা। তেওঁক কবিয়ে মহাভাৰতত্তকৈ অনেক গুণে শ্ৰেষ্ঠ কৰি পৃথিৱীত অতুলনীয় কন্যা গঢ়িলে। মহাভাৰতৰ শকুন্তলা অতি কুৰূপ কিম্ভুত কিমাকাৰ এটা জীৱ মাত্ৰ। কালিদাসে সেই সামগ্ৰীৰে শকুন্তলাক গঢ়ি তাত স্ত্ৰী জাতিৰ স্বাভাবিক লজ্জাশীলতা হৃদয়ৰ সৰলতা মনৰ উদাৰতা অঙ্গৰ সৌন্দৰ্য্য আৰু অতুলনীয় শৃঙ্গাৰ সমাবেশ কৰালে।

এনেকুৱা বিবিধ বিশিষ্ট গুণমণ্ডিত শকুন্তলা তিকনা মাত্ৰেৰেই মনত পূৰ্ণ চন্দ্ৰৰূপে বিৰাজ কৰিব। এই শকুন্তলা সকলো যুগতেই আদৰ্শনীয় আৰু সকলো ঠাইতে সপ্ৰাণা মূৰ্ত্তিমতী দেৱতা। ভাৰতৰ কথা নকওঁৱেই সুদূৰ আইচ্‌লেণ্ড বাসীয়ে শকুন্তলা নাটকৰ অনুবাদত শকুন্তলা কাহিনী পঢ়ি মুগ্ধ হৈছে। তেওঁলোকৰ আনন্দৰ পৰিমাণ কৰাত টান হ'ল হেতেন যদি তেওঁলোকে মৌলিক নাটক পঢ়ি শকুন্তলাৰ কথা হৃদয়ঙ্গম কৰিব পাৰিলেহেঁতেন। গোটেই ইউৰোপৰ পণ্ডিতেই শকুন্তলাৰ চৰিত্ৰত মুগ্ধ হৈ কালিদাসক শ্ৰেষ্ঠ কবি বুলি স্বীকাৰ কৰিছে। জাৰ্ম্মাণ কবি গেটে ( Goethe ) এনেদৰে শকুন্তলাৰ প্ৰশংসা কৰিছে।

wouldst thou the young years' blossoms,
And the fruits of its decline,
And all by which the soul is charmed
Enraptured, feasted fed,
Wouldst thou the earth and heaven itsel
In one sole name combine ?
I name thee, O Sakuntala, and
All at once is said

শকুন্তলাই কবিৰ বাহিৰেও অনেকৰ মন-প্ৰাণ হৰি নিছিল। চোৰ চুকীয়েও শকুন্তলা সিহঁতৰ গৰাকী বুলি বন্দনা কৰে। চোৰে কেৱল কৰিব পাৰে অস্থাৱৰ সম্পত্তি কিন্তু শকুন্তলাই সকলো চুকণীক চেৰ পেলাই অপূৰ্ব্ব ধৰণেৰে ৰজাৰ মন-প্ৰাণকে চুৰ কৰিলে। ৰজা



ভ্ৰমত মৃগয়া কৰিবলৈ আহি কণ্বৰ আশ্ৰম পালেহি। কৃষ্ণসাৰ অনুসৰণ কৰোঁতে কৰোঁতেই তেওঁৰ দৃষ্টি কৃষ্ণসাৰৰ পৰা আঁতৰি অন্য ঠাইত হে পৰিল।

শকুন্তলা মৃগীৰ ওপৰত। বল্কলধাৰিণী শকুন্তলাই জাকজমক প্ৰিয়, সপত্নীক ৰাজ দৃশ্যকো চিত্ৰবদ্ধ কৰি পেলালে। বিধিৰ বিপাকত মৃত্যু বাণৰ সলনি ৰজাৰ পঞ্চবাণ কৃষ্ণ সাৰত নপৰি শকুন্তলাৰ ওপৰত পৰিল। সমবয়স্কা সুন্দৰী অনসূয়া আৰু প্ৰিয়ম্বদা এই পঞ্চবাণৰ ভাগি নহল। কাৰণ শকুন্তলাইহে ৰজাৰ মন চুৰ কৰিবৰ সপাৰগ।

শিক্ষিতা তিৰোতায়ো শকুন্তলা 'আমাৰ আমাৰ' কৈ উগনা-উগনি লগাব। কালিদাসে প্ৰায় ৫০০ খৃঃত শকুন্তলা নাটক লিখে। সেই সময়ত স্ত্ৰী শিক্ষাৰ বিশেষকৈ লেখা পঢ়াৰ বৰ প্ৰথা নাছিল। গুৰুৰ ওচৰত বা স্বামীৰ লগত হে অলপ অচৰপ শিকিব পাৰিছিল। শকুন্তলাৰ কিন্তু জন সাধাৰণতকৈ সৰহ আছিল। সম সাময়িক তিৰোতাই এই গুণত আশ্ৰম কন্যাতকৈ হাৰ মানিবহ ; আধুনিক তিৰোতায়ো তেওঁৰ গীত মাধুৰ্য্যত বিস্ময় মানিব। স্বামী বিচ্ছেদত ম্ৰিয়মানা শকুন্তলাই নলিনী পত্ৰত নখেৰে প্ৰেমলিপি এনেদৰে লিখিছিল :—

তব ন জানে হৃদয়ং মম পুনঃ কামোদিবাপি ৰাত্ৰিমপি।
নিঘৃণ তপতি বলীয়স্ত্বয়ি বৃত্ত মনো ৰথানি অঙ্গানি।

তোমাৰ মন মই বুজিব নোৱাৰোঁ। কিন্তু মোৰ মন প্ৰাণ অহৰ্নিশে পঞ্চবাণে তাপন কৰিছে। মোৰ মন প্ৰাণ তোমাতেই সপি দিলোঁ ; তোৰ বাহিৰে আৰু মোৰ কোনো নাই। তোমাৰ প্ৰাণ মমতা বিহীন। এনেহেন সুমধুৰ গীত কেইজনী তিৰোতাই লিখিব পাৰে।

আশ্ৰমৰ গছ-লতা ফল-ফুলৰ সেৱাত শকুন্তলা সদায় তৎপৰ। যৌৱন অৱস্থাতো তেওঁ নিজ সুপত জলাঞ্জলি দি হৃত বালি ... ৰ ওপৰীয়াৰ বাঁদ পিঠিত লৈ গছ-লতাত পানী যোগাইছিল। কলহৰ ভাৰ বওঁতে বওঁতে যেন তেওঁৰ কাউৰী ছুটা খহি পৰিছে, হাতৰ তলুৱা সেন্দুৰৰ নিচিনা ৰঙা হৈছে, ঘনে ঘনে নিশ্বাস লওঁতে স্তনদ্বয় কঁপিব লাগিছে শিৰীষ ফুলৰ কেক খহি আহি মুখৰ ঘামত বৈছেহি। খোপা মেলখাই চুলি আলুলায়িত হৈছে। ইমান কষ্টকো কষ্টবোধ নকৰি গছ-লতাৰ পোষণতেই শকুন্তলা আনন্দিত। শকুন্তলাৰ ফল-ফুলৰ প্ৰতি স্নেহ আশ্ৰমৰ মেলানি মাগোঁতে আৰু বিশদৰূপে ফুটি ওলাইছিল, কণ্ব ঋষিয়ে গছলতাক সম্বোধন কৰি কৈছে।

"ভো, ভো, তপোবন তৰবঃ
পাতুংন প্ৰথমং ব্যৱসাতি জলং যুষ্মাস্বপীতেষু বা
নাদত্তেপ্ৰিয়মণ্ডনাপি ভবতাং স্নেহেন যাপল্লবম।
আদোবঃ কুসুম প্ৰসূতি সময়ে যস্যা ভবত্যুৎসবঃ
সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্ব্বৈৰনুজ্ঞায়তাম্।

হে তপোবন তৰুগণ, তোমালোকক পানী নিদিয়াকৈ যি প্ৰথমে পানী নাখায়, অকাৰণ প্ৰিয় হলেও মৰমত যি তোমালোকৰ ফুল নিচিঙ্গিছিল। তোমালোকৰ নতুন কলি ওলালেই যাৰ আনন্দৰ সীমা নাইকিয়া হয় সেই শকুন্তলা আজি পতি গৃহলৈ যাব তোমালোকে তেওঁক অনুমতি দিয়া।

শকুন্তলাৰ ফলফুল গছলতাৰ স্নেহ দেখি মালিনী বৃন্দ একত্ৰ হৈ শকুন্তলাক তেওঁলোকৰ নেত্ৰী অভিষিক্ত কৰিবলৈ হাবিয়াস নকৰিবনে ?

শকুন্তলাৰ সখী অনসূয়া আৰু প্ৰিয়ম্বদা, পৰৰ কন্যা হলেও শকুন্তলাই তেওঁলোকৰ প্ৰতি পৰ ভাব মনত নানিছিল। সখীদ্বয়ৰ মিলন সুখ সম্পদেই শকুন্তলাৰ জীৱন আৰু তেওঁলোকৰ বিচ্ছেদ বিপদেই তেওঁৰ মৰণ। তেওঁলোকৰ বাহিৰে নিজ অস্তিত্বৰে গৌৰৱ কৰিব নোৱাৰিছিল।

সুখ দুখৰ ভাগী অনসূয়া আৰু প্ৰিয়ম্বদাক শকুন্তলাই স্বামী গৃহলৈ যাওঁতে এৰি থৈ যোৱাৰ কথা ভাবিয়েই মুমুৰ্ষা হল। মেলানি মাগিবৰ সময়ত চকু পানী টুকি টুকি তেওঁ এনেদৰে কবলৈ ধৰিলে "মই আহিলোঁ। বেজাৰ নেপাবা। অন্য ঠাইত থাকিলেও মোৰ মন প্ৰাণ তোমালোকৰ লগতহে থাকিব"।

এনে মৰম কৃত্ৰিম কিম্বা অকৃত্ৰিম মিত্ৰৰ ওচৰত বিৰল। পৰৰ জীয়াৰীৰ প্ৰতি এনে ভাব স্নেহত কোন সখী মুগ্ধ নহৈ থাকিব পাৰে ?

শকুন্তলাৰ পিতৃ ভক্তিও অতি প্ৰশংসনীয়। প্ৰেমিক

প্ৰেমিকাৰ সন্মতিয়েই গন্ধৰ্ব্ব বিবাহৰ বিধান। দুষ্মন্ত আৰু শকুন্তলাৰ পৰস্পৰ আকৰ্ষিত হলেতো শকুন্তলাই কণ্বৰ সন্মতি প্ৰতীক্ষা কৰিছিল। স্বামীৰ ঘৰলৈ যাবৰ সময়ত আশ্ৰম বিহীনা শকুন্তলা নিজেই শোকাগ্ৰস্ত কিন্তু কণ্বই তনয়াৰ বিচ্ছেদত কষ্ট ভুগিছে বুলি ঋষিৰ গাত হাত বুলাই শকুন্তলাই এনেদৰে শান্ত্বনা দিছে।

তপশ্চৰণাডিতং তাত শৰীৰম্। তং অলম অতি মাত্ৰং মমকৃতে উৎকণ্ঠা।

পিতাৰ শৰীৰ তপশ্চৰণে পীড়িত। সেই দেখি মোৰ কাৰণে বৰ বেছি উৎকণ্ঠিত নহব।

বিবাহৰ আগলৈকে শকুন্তলাই পিতৃ বিচ্ছেদৰ কথা নাজানিছিল? কিন্তু বিবাহৰ পাচতে এই বিচ্ছেদ দুখৰ গম পাই পিতাকৰ ভৰিত পৰি কান্দি কান্দি কৈছে,

কথমিদানীং তাতস্য অঙ্কাৎ পৰিভ্ৰষ্টা মলয়
তৰুন্মিলিতা চন্দনলতা ইব দেশান্তৰে জীবিতং ধাৰয়িষ্যামি॥

কেনেকৈ মই পিতাৰ অঙ্কচ্যুত হৈ মলয়, তৰুচ্যুত চন্দন লতাৰ দৰে বিদেশত প্ৰাণ ৰাখিম। শকুন্তলাৰ নিচিনা পিতৃ ভক্তি আৰু পিতৃস্নেহ কোনোযুগতেই কোনো দেশতেই পোৱা সুকঠিন।

এই সকলোৰে উপৰিও শকুন্তলাৰ স্বামী ভক্তি। স্বামী বিচ্ছেদৰ দিনাৰে পৰা শকুন্তলা স্বামী চিন্তাত একাগ্ৰত। নিজৰ শৰীৰৰ দিনক দিনে হ্ৰাস হৈছে স্বামী চিন্তাত। মিলন ভাবত একানপতীয়া হৈ লাগি থাকোঁতে তেওঁ বিচ্ছেদৰ অভিশাপ আহবান কৰিলে; কিন্তু সেই অভিশাপৰ কথাও একনিষ্ঠা সেৱাত শকুন্তলাই গম নেপালে। দুৰ্ব্বাশাৰ অভিশাপত শকুন্তলা দুষ্মন্তৰ মিলন নহল, হ'ল বিচ্ছেদ। পতি পাণা পতি গতি শকুন্তলাৰ স্বামীৰ বিনে জীৱন বৃথা। তেওঁ স্বামীক যুক্তিৰে, ঘটনাৰে, মৰমেৰে সকলো কথা প্ৰসঙ্গকৈ বৰ্ণাই তেওঁক গ্ৰহণ কৰিবলৈ কলে, দুষ্মন্ত কিন্তু একো পথো মান্তি নহ'ল।

সময়ত শকুন্তলাৰ বিচ্ছেদ হ'ল। তেওঁ সিমানতো স্বামীৰ ওপৰত দোষাৰোপ নকৰি নিজৰ ভাগ্যকে ধৰি কাল কটাইছে, বিৰহিণীৰ নিয়ম পালনত তেওঁ ম্লানমুখী শুদ্ধ স্বভাবা আৰু একবেনি ধৰা। শকুন্তলা বিবাহৰ পাচৰ পৰাও একাগ্ৰচিতে পতি সেৱাত লাগি থাকিল। তেওঁ সুন্দৰকৈ জানিছিল যে, পত্নীৰ পতি শুশ্ৰূষাৰ বিনে ইহকাল পৰকালত কল্যাণ নাই সতীৰ ভিতৰতো শকুন্তলা অতুলনীয়।

শকুন্তলাক যেয়ে যেনেকৈ বিচাৰে সেয়ে তেনেকৈয়ে পায়। এটা প্ৰাণী সকলোৰে আদৰ্শ হলে পাৰ্থিব হৈয়ো ঐশ্বৰিকতাতকৈ উৎকৃষ্ট। অহল্যা, দ্ৰৌপদী, কুন্তী, তাৰা আৰু মন্দোদৰী এটা এটা গুণতেই সকলো তিৰোতাৰে পূজ্যা হৈছে। বিশেষ গুণমণ্ডিত শকুন্তলাই তেওঁলোকৰ ওপৰতো উচ্চস্থান লাভ কৰি সকলোৰে পূজ্যা হব।

কালিদাসে প্ৰতিভা শক্তিৰ বলত চপৰা মলিৰ পৰা অতি মনোৰম মূৰ্ত্তি গঢ়ি সকলো দেশতেই সকলো যুগতেই অপণ্ড মূৰ্ত্তি পূজাৰ আয়োজন কৰিলে। কবিৰ নাটক অন্য নাটকৰ দৰে সাময়িক ভাব আৰু ভাষাৰ বশীভূত নহয়। তেওঁৰ নাটকৰ ভাষা সৰল ভাব গভীন। মহাৰাজাৰ পৰা ভিকহলৈকে, ব্ৰাহ্মণৰ পৰা চাণ্ডাললৈকে তেওঁৰ নাটকাভিনয়ত আত্মহাৰা হব বিশেষকৈ শকুন্তলাৰ চিত্ৰদৰ্শনত তিৰোতাই বিস্ময়মানি নিজক নিজে গৰিহনা দি শকুন্তলা মূৰ্ত্তি পূজাত তৎপৰ হব।

শ্ৰীমুক্তানাথ বৰুৱা

---

# পোৱা কিতাপৰ সমালোচনা।

**বীণা**—শ্ৰীযুতা স্নেহলতা দেবীয়ে লেখা, সামাজিক উপন্যাস। যোৱা বছৰত এইখন কিতাপ প্ৰতিযোগিতাৰ বাবে আসাম সাহিত্য সভালৈ লেখকে পঠিয়াইছিল। কিন্তু হাতে লেখা অৱস্থাত নপঠিয়াই চেপাত মাৰি পঠিওৱাৰ কাৰণে নিয়ম অনুসৰি সভাই তাক গ্ৰহণ কৰিব নোৱাৰিলে। অসমীয়া উপন্যাস, তাতে মাইকী মানুহে লেখা, সিনো কি বিশেষ ভাল হব, এই ভাবত কিতাপ খনলৈ আওকাণ কৰাটো সকলো অসমীয়াৰে স্বাভাবিক। অইন কিতাপ নথকাত সিদিনা অগত্যা আমি তাকে পঢ়ি চাবলৈ বাধ্য হলোঁ। পঢ়ি উঠি মনত ধাৰণা হল—অসমীয়া ভাষাত আজিলৈকে যতবোৰ উপন্যাস ওলাইছে সেই আটাইবোৰৰ মাজত এই খনেই উৎকৃষ্ট। বীণাত অৱশ্যে কোনো লোমহৰ্ষক বা অভাবনীয় (Dramatic) ঘটনাৰ বিৱৰণ নাই; গল্পৰ পাক-চক্ৰ ইয়াত নাই। স্বাভাবিক ঘৰুৱা জীৱনক অৱলম্বন কৰি লিখা এই উপন্যাসত স্বামী স্ত্ৰী, ভাই, ককাই, বাই-ভনীৰ, পিতা-পুত্ৰীৰ নিৰ্ম্মল অগাধ স্নেহৰ চানেকি আছে। পঢ়িলে ঠায়ে ঠায়ে চকুপানী সামৰিব নোৱাৰি। নায়ক নায়িকা সকলৰ মাজত হোৱা কথাবোৰ ওখ খাপৰ। তাৰ এটা নমুনা আমি তলত দিলোঁ—"যি দেশৰ ডেকা গাভৰুৱে সপোনতো দুবুজে কেনেকৈ পৰস্পৰৰ হৃদয় জয় কৰিব পাৰি, প্ৰেমে কি আদৰ্শ দেখুৱাব পাৰে, কিমান ত্যাগ স্বীকাৰ কৰিব পাৰে, আৰু যত তেওঁবিলাকৰ ভেদাভেদ কৰিবৰ আকাঙ্ক্ষা কৰিবৰ একো নাই। প্ৰেমৰ গৰ্ব্ব আৰু পৰাজয়ৰ মৰ্ম্মভেদী অনলপো অনুভৱ কৰিবলৈ সুবিধা নেপায়—এনেকুৱা সমাজক মই বুজাবলৈ চেষ্টা নকৰোঁ, পৰিণয় বস্তুটো কি? বিয়া বস্তুটো জী খেমালীৰ সামগ্ৰী নহয়। এজনক দেৱতা বুলি আগত লৈ আন এজনে এজনী আজলী ছোৱালীক দান পাহৰ দৰে উছৰ্গা কৰিলেই বিয়া নহয়। এই বিষয়ে পৰস্পৰে পৰস্পৰক উছৰ্গা নকৰিলে অইনে কৰিবৰ অধিকাৰ নাই" ইত্যাদি ইত্যাদি। ...

এই বিলাক মত সমৰ্থন নকৰে। সেই সমাজে স্বামী-স্ত্ৰীৰ সম্বন্ধটোক এটা পাৰ্থিব বস্তু বুলি নধৰে। সেই সমাজত ডেকা গাভৰুৱে শৰ ধনু লৈ হৃদয় ৰাজ্য জয় কৰিবলৈ যুদ্ধ ঘোষণা কৰি ঘূৰি ফুৰুৰে আৰু তেনে যুদ্ধৰ আনুসঙ্গিক কটা-আজোৰাও হিন্দু সমাজত নাই।

বিয়াৰ আগতে পুৰুষ হৃদয় জয় কৰা আত্ম প্ৰসাদৰ পৰা বঞ্চিত ভগিনী সকললৈ আমাৰ সম্পূৰ্ণ সহানুভূতি আছে, কিন্তু এই কথাটো তেওঁবিলাকে মনত ৰাখিলে বেয়া নহয়, যে সেইদৰে জয় কৰা হৃদয় যে বিয়াৰ পাচত আকৌ অনেক স্থলত হেৰায়, Dorivce Law Suits বিলাকেই তাৰ সাক্ষ্য প্ৰদান কৰে। প্ৰেম আৰু ত্যাগৰ আদৰ্শ বিয়াৰ পাচতো দেখুৱাবলৈ সুবিধা আছে। স্বামী পৰায়ণতা হিন্দু স্ত্ৰীৰ এটা ধৰ্ম্ম, বোধ হয় একমাত্ৰ ধৰ্ম্ম। ঈশ্বৰক চকুৰ আগত কোনোকালে নেদেখাকৈও যেনেকৈ ভক্তই তেওঁক প্ৰেম আৰু ভক্তি কৰিব পাৰে, স্বামী মৰিলেও সেইদৰে হিন্দু পত্নীয়ে তেওঁক ভক্তি আৰু প্ৰেম কৰি সুখত জীৱন নিয়াব পাৰে। হিন্দু বিধবা আৰু ঈশ্বৰ ভক্ত, দুইৰো অৱস্থা একে। ইফাল সিফাল কৰিলে দুইয়ো ব্যভিচাৰী হব; ঈশ্বৰ আৰু স্বামীৰ আত্মাক অৱহেলা কৰা হব। সেইহে বিধবা বীণাই যেতিয়া প্ৰকাশক নিৰ্জ্জনে পাই পতিৰূপে বৰণ কৰিলে, তেতিয়া মৃত স্বামীৰ আত্মাৰ বিচ্ছেদ ব্যাকুলতা বেদনাৰ সুৰত প্ৰতিধ্বনিত হল। "ক্ৰো ক্ৰোউ ক্ৰোউ-উ—ক্ৰো-উ-উ, ক্ৰো-উ-উ!" উপন্যাস লেখাত শ্ৰীযুতা স্নেহলতা দেবীৰ 'হাত আহিছে' যেন স্পষ্ট দেখি দ্বিতীয় প্ৰয়াসত আৰু কৃতকাৰ্য্য হব বুলি অনুমান কৰোঁ—আমাৰ ধ্ৰুব বিশ্বাস।

**বাসন্তীৰ অভিষেক**—অৰুণমানি গীতি নাটিকা; ৰচোতা—শ্ৰীযুত কীৰ্ত্তিনাথ শৰ্ম্মা বৰদলৈ আৰু তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত মুক্তিনাথ শৰ্ম্মা বৰদলৈ। বসন্তৰ আগমনত ফুলে পাতে জাতিস্কাৰ হৈ পৃথিৱীয়ে ...

চৰাইয়ে মানুহৰ অন্তৰত কেনেকৈ মৌ বৰষে, মলয়াই আহি কেনেকৈ উদ্ভিদ জগতক অনুপ্ৰাণিত কৰে তাকে অৱলম্বন কৰি এই গীতি-নাটিকা লেখা হৈছে। গীত বিলাকৰ সুৰ অসমীয়াৰ স্বজাতীয়; সেই এটা কিতাপ-খনৰ বিশেষত্ব। সৰু লৰা-ছোৱালীৰ মুখত এই গীত বিলাক শুনিবলৈ বৰ সোৱাদ লগা হয়। চৰাই চিৰিকতি বতাহ ফুল ইত্যাদি বিলাক নায়ক নায়িকা ৰূপে ফ্ৰেঞ্চ, ইংৰাজী আৰু বঙ্গলা সাহিত্যত কেতিয়াবাই সোমালে। যদিও পিচ হল, তথাপি অসমীয়া সাহিত্যত তেওঁবিলাকক ঠাই দিয়াত আমি বৰদলৈ ডাঙৰীয়াৰ শলাগ লৈছোঁ। এই ধৰণত আৰু দুই এখন ৰসাল সাহিত্য তেখেতৰ কাপৰপৰা ওলাব বুলি আমি আশা কৰি থাকিলোঁ।

**গল্প চিৰিজ**—সৰু সৰু সাধু কথাৰ মাহেকী; সম্পাদক শ্ৰীযুত বিপীনচন্দ্ৰ বৰুৱা। ইয়াৰ দুটা সংখ্যা পাই আমি সুখী হৈছোঁ। ভালকৈ লেখিলে সৰু সৰু সাধু একোটাই মানুহৰ তথা জাতীয় জীৱনৰ ওপৰত যে বহুত নৈতিক প্ৰভাৱ আৰু আনন্দ দিব পাৰে সেইটো আজি কালি সকলোৱে স্বীকাৰ কৰে। আশা কৰোঁ এই বিষয়ে "গল্প চিৰিজ" কৃতকাৰ্য্য হব। প্ৰথম দুই সংখ্যাই এই আশা সমৰ্থন কৰে। কিন্তু এই অসমীয়া সাহিত্যিক মাহেকীৰ নামটো এডোখৰ বঙালী আৰু এডোখৰ ইংৰাজী কিয় হল তাকেহে আমি বুজিব পৰা নাই। তাৰ দ্বাৰাই অসমীয়া ভাষাক নিন্দা কৰাৰ বাহিৰে আমি ইয়াৰ একো সাৰ্থকতা দেখা নাই। 'গল্প' আৰু 'সাধু' এই দুই শব্দৰ অৰ্থ কাৰো কাৰো মনত একে যেন লাগিব পাৰে। কিন্তু এনেকুৱা বহুত শব্দ আছে যি বিলাকৰ অৰ্থ চটা মানুহে একেদৰে বুজে। এতেকে সাধু শব্দটোৰ অৰ্থ যাৰ আৱশ্যক সি বহলাই বুজিলেই হব; যেনেকৈ 'টাই' শব্দটোৰ অৰ্থ আগেয়ে ভাষাত স্বজাতীয় মানুহক বুজোৱাৰ উপৰি সকলো মানুহকে বুজাবলৈ ব্যৱহাৰ কৰা হয়।

**গজমুকুতা**—শ্ৰীযুত মহেশচন্দ্ৰ শৰ্ম্মা কটকীয়ে লেখা আঠোটা পৌৰাণিক আদি সাধু কথাৰ সমাবেশ। সাধু কিটা সৰু লৰাৰ নিমিত্তেই যদিও লেখা হৈছে তথাপি ডাঙৰেও তাক পঢ়ি সুখ পাব; কাৰণ কটকীদেৱৰ লেখাৰ ঠাচ আৰু ভাষা অতুলনীয়। তেখেতে বিশেষকৈ অতি ঘৰুৱা অসমীয়া শব্দ আৰু খণ্ডবাক্য বিলাক ব্যৱহাৰ কৰাত আমি সুখী হৈছোঁ।

**স্বাধীন অসমীয়া**—শ্ৰীযুত নৱনাথ শৰ্ম্মাই লেখা ৰাজনৈতিক ভাবৰ কিতাপ। ইয়াক পঢ়িলে অসমীয়া মানুহে নিজ নৈতিক আৰু সামাজিক অৱস্থা ভালৰূপে বুজি উঠিব পাৰিব আৰু তাৰ সৰ্ব্বতোমুখী উন্নতি কৰিবলৈ যত্নবান হব বুলি আমি বিশ্বাস কৰোঁ। এনে কিতাপ বোধ কৰোঁ অসমীয়া ভাষাতে অতি তাকৰ। লেখকৰ দেশানুৰাগ সকলোৰে অনুকৰণীয়।

---

# অসমীয়া ভাষা আৰু মাগধী প্ৰাকৃত।

অসমীয়া, বঙলা, বিহাৰী আৰু উড়ীয়া, এই চাৰিটা ভাষা মাগধী প্ৰাকৃতৰ পৰা ওলাইছে বুলি ভাষাবিৎ সকলে ( e.g. Griers on ) কয়। এই কথাষাৰ অন্ততঃ অসমীয়া ভাষাৰ সম্পৰ্কে কিমানদূৰ সঁচা আমি এই প্ৰবন্ধত চাব খুজিছোঁ। প্ৰথমতে এইটো কোৱা দৰ্কাৰ যে আধুনিক ভাৰতীয় কোনো এটা ভাষা পূৰ্ব্বৰ যেই সেই এটা ভাষাৰ পৰা ওলাইছে বুলিলে কথাষাৰ শুদ্ধ নহব। যেনেকৈ কেবাডালো সূতা পাক খাই এডাল কয় তৈয়াৰ হয়। আৰু সেই সূতা বিলাকৰ যেই সেই এডালক কয় ডালৰ পূৰ্ব্বাৱস্থা বুলিব নোৱাৰি; ঠিক



সেই দৰে বহুত অপভ্ৰংশ ( Dialects ) আৰু ভাষাৰ শব্দ আৰু ব্যাকৰণ গোট খাই আধুনিক ভাৰতীয় ভাষা বিলাক হৈছে আৰু সেই বিলাক অপভ্ৰংশ বা ভাষাৰ কোনো এটাক আধুনিক এটা ভাষাৰ পূৰ্ব্বাৱস্থা বুলি কব নোৱাৰি। এই কথা অইন ভাষাতকৈ অসমীয়া ভাষাত বিশেষকৈ খাটে। কিয়নো, আসাম কেবাটাও জাতিৰ সঙ্গম স্থল আছিল।

এটা ভাষা যে অইন এটা ভাষাৰ পৰা পৃথক সেইটো প্ৰধানকৈ বুজিব পাৰি উচ্চাৰণৰ পৰা; দ্বিতীয়, ব্যাকৰণৰ পৰা আৰু তৃতীয় শব্দৰ পৰা। এই তিনটি প্ৰমাণৰ প্ৰত্যেকটোতকৈ তাৰ পূৰ্ব্বৰটো অধিক শকত। এতেকে প্ৰথমে উচ্চাৰণ সম্বন্ধে চোৱা যাওক অসমীয়া আৰু মাগধী প্ৰাকৃতিৰ ভিতৰত কি সম্পৰ্ক।

**১। শ, ষ, স,** এই তিনিটা আখৰৰ উচ্চাৰণ মাগধী প্ৰাকৃতত শ ( Sh ) হয়। অসমীয়া ভাষাত Sh উচ্চাৰণ নাই আৰু এই তিনিটা আখৰৰ উচ্চাৰণ অসমীয়াত × ( খ'ৰ ওচৰা উচৰি—Silent guttural )

**২। চ, ছ, জ, ঝ,** এই কিটা আখৰৰ উচ্চাৰণ মাগধী প্ৰাকৃতত স্পষ্ট তালব্য। কিন্তু অসমীয়া ভাষাত সিইতৰ উচ্চাৰণ তালব্য নহয় বৰং দন্তমূলীয় যেনে, ts,dz।

৩। মাগধী প্ৰাকৃতত মূৰ্দ্ধণ্য উচ্চাৰণ ( **ট, ঠ, ড, ঢ, ণ** ) আছে আৰু অনেক স্থলত দন্ত্য বৰ্ণকো মূৰ্দ্ধণ্যৰ দৰে উচ্চাৰণ কৰে কিন্তু অসমীয়া ভাষাত মূৰ্দ্ধণ্য উচ্চাৰণ নাই। ট, ত, ঠ, থ, ড, দ, ঢ, ধ, ণ, ন, ইহঁতৰ উচ্চাৰণ অসমীয়াত একে দন্তমূলীয় ( alveolar )

এতিয়া ব্যাকৰণ সম্বন্ধে দেখা যাওক।

১। অসমীয়া ভাষাত সম্বন্ধ কাৰক বা পদৰ ( Possessive case ) চিন হৈছে 'ৰ' আৰু অধিকৰণৰ হৈছে 'ত'। মাগধী প্ৰাকৃতত সম্বন্ধ কাৰকৰ চিন হ বা শ আৰু অধিক-ৰণৰ 'এ' হয়। যেনে অং—পুৰুষৰ, মাঃ প্ৰাং—পুলিশাহ বা পুলিশশ্শ; অং—পুৰুষত; মা প্ৰাং-পুলিশে।

২। অসমাপিকা ক্ৰিয়াত ধাতুৰ পাচত মাঃ প্ৰাকৃতত 'দানি' যোগ কৰা হয় যেনে কৰিদানি ( কৃত্বা ), অসমীয়া ভাষাত ধাতুৰ পাচত 'ইয়া' বা ই যোগ কৰা হয়; যেনে কৰি, কৰিয়া ( পুৰণি দৰণে )। গোৱ শেণীত ইয়' হ'য়; যেনে, কৰিয়।

৩। অপাদান কাৰকত মাঃ প্ৰাকৃতত শব্দৰ পাচত হুন্ত বা হিন্তো উপশব্দ যোগ হয়। অসমীয়া ভাষাত সেই স্থলত পৰা উপশব্দ যোগ হয়। পুৰণি অসমীয়াত 'হন্তে' আৰু 'পৰা' দুয়োটাকে পাবলৈ আছে। হন্তে টো 'হিন্তো'ৰ পৰা হৈছে বুলি অনুমান কৰিব পাৰি।

এতিয়া শব্দ সম্বন্ধে দেখা যাওক। বহুত অসমীয়া শব্দ গঢ়ত মাঃ প্ৰাকৃততকৈ বৰং সংস্কৃতৰ হে অধিক নিকটবৰ্ত্তি। আৰু বহুত অসমীয়া শব্দ মাঃ প্ৰাকৃতৰ দৰে সংস্কৃতৰ পৰা ৰূপান্তৰিত নহৈ অইন ৰকমে হৈছে। কিছুমান উদাহৰণ তলত দিয়া হল।

| সংস্কৃত ৰূপ | মাঃ প্ৰাক্ | অসমীয়া | বঙলা |
|---|---|---|---|
| চক্ৰ | চক্ক | চকৰি | চাকা |
| অত্ৰ | অথ | আত | এথা |
| উডুখল | উক্খল | উৰাল | উখুল |
| মক্ষি | মচ্ছি | মাখি | মাছি |
| চক্ষু | চক্খ | চকু | চোখ |
| আম্ৰ | অম্ব | আম | আঁব |
| ঈদৃশ | এৰিশে৷ | এইদৰে | |
| গৰ্ত্ত | গড্ড | গাত | গাড়া |
| পঞ্চদশ | পন্নৰ | পোন্ধৰ | পনৰ |
| তপ্ত | তত্ত | তপত | তাতা |
| তাম্বুল | ঝম্বৰ | তামোল | সুপাৰি |
| লক্ষ্মী | লচ্ছি | লখিমী | লক্ষী |
| সভা | সহা | সবাহ | |
| কিম পৰিমাণং | কেত্তিয় | কিমান | কত |
| ইক্ষু | উচ্ছু | কুঁহিয়াৰ | আম |
| সূৰ্য্য | শূয্যো | সূৰ্য্য | শূৰ্য্য |
| মিত্ৰ | মিত্ত | মিতিৰ | মিতা |

এই লিষ্টি ইচ্ছা কৰিলে বহুত দীঘল কৰিব পাৰি। এই লিষ্টিত অসমীয়াতকৈ বৰং বঙলা শব্দ বিলাকৰ গঢ়

যে মাঃ প্ৰাকৃতৰ লগত বেছি মিলে এইটোও এই লিষ্টৰ পৰা স্পষ্ট দেখি। ওপৰত দিয়া কাৰণ বিলাকৰপৰা এইটো পৰিষ্কাৰৰূপে প্ৰমাণিত হয় যে অসমীয়া ভাষা মাগধী ভাষাৰ পৰা ওলোৱা নাই। অৰ্থাৎ আধুনিক অসমীয়া ভাষাত মাঃ প্ৰাকৃতৰ প্ৰভাব অতি কম। অৱশ্যে বহুত শব্দ পোৱা যাব যিবিলাক অসমীয়া আৰু মাঃ প্ৰাকৃতত একে। কিন্তু এনেকুৱা বহুত শব্দ অসমীয়াত পোৱা যাব যিবিলাক সৌৰ শেণীৰ লগতো মিলে, মহাৰাষ্ট্ৰীৰ লগতো মিলে, বঙলা, উড়ীয়া মাৰাঠী হিন্দী আদি ভাষাৰ লগতো মিলে। কাৰণ উত্তৰ ভাৰতীয় সকলোবিলাক ভাষা গোৰতে আৰ্য্য ভাষাৰ পৰা ওলাইছে।

যদি অসমীয়া ভাষা মাঃ প্ৰাকৃতৰপৰা ওলোৱা নাই তেন্তে ইনো কোনটো প্ৰাকৃতৰ পৰা ওলোইছে? এনে এটা প্ৰশ্ন সহজে মানুহৰ মনত খেলাব। প্ৰশ্নটো নুটিয়াই চালে এইদৰে হয়,—প্ৰাকৃত যুগত আসামত কি প্ৰাকৃত ভাষা চলিছিল? তাৰ উত্তৰ, প্ৰাকৃত যুগত আসাম দেশত মাঃ প্ৰাকৃত চলা নাছিল। তেতিয়া তাত এটা প্ৰাকৃত ভাষা চলিছিল যাৰ নমুনা আমি পোৱা নাই। কিন্তু মাঃ প্ৰাকৃত যে চলা নাছিল সেইটো ঠিক: কাৰণ উচ্চাৰণ ব্যাকৰণৰ ফালে অসমীয়া শব্দবোৰো মাঃ প্ৰাকৃতৰ লগত মিলিলে হেতেন। আৰু এই কথাটোকে চীনা পৰিব্ৰাজক হিয়েন চাঙে সমৰ্থন কৰে।

তেওঁ সপ্তম শতিকাত কামৰূপলৈ আহি কৈছিল যে সেই ঠাইৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ (পাটলিপুত্ৰৰ ভাষা) অলপ পৃথক। দুটা প্ৰাকৃত ভাষাৰ ভিতৰত পৃথক অলপেই হয়। এতেকে কামৰূপত যি প্ৰাকৃত ভাষা চলিছিল তাৰ অইন নাম থাকক বা নেথাকক তাক কামৰূপীয়া প্ৰাকৃত অন্ততঃ বোলাত কোনো দোষ হব নোৱাৰে। নাম লৈ কোনো কথা নাই; যাই কথা হৈছে সেই প্ৰাকৃত মাঃ প্ৰাকৃতৰ লগত নিমিলে। সি এটা সুকীয়া প্ৰাকৃত ভাষা। সৌৰ শেণী আৰু মহাৰাষ্ট্ৰী প্ৰাকৃতৰ লগত মাঃ প্ৰাকৃতৰ যিমান প্ৰভেদ মাঃ প্ৰাকৃতৰ লগত কামৰ প্ৰাকৃতৰ পাৰ্থক্য অন্ততঃ তাকৰ নহয় বৰং সৰহ আছিল। কামৰূপীয়া প্ৰাকৃত নাম প্ৰাকৃত বৈয়াকৰণিক সকলে উল্লেখ কৰি যোৱা নাই। তেওঁবিলাকে যে প্ৰাচ্যা বুলি এটা প্ৰাকৃতৰ নাম উল্লেখ কৰি গৈছে সেইটোও কামৰূপীয়া প্ৰাকৃত নহয়। সেইটো সৌৰশেণী প্ৰাকৃতৰে এটা অপভ্ৰংশ। মূল আৰ্য্য ভাষা ভাগছিগি ঠায়ে ঠায়ে যিবি গঢ় লৈছিল সেইবিলাকেই প্ৰাকৃত ভাষা। এতেকে সি স্থল বিশেষে যে বেলেগ বেলেগ ধৰণৰ আছিল সেইটো স্বভাবসিদ্ধ। কামৰূপত যিটো প্ৰাকৃত ভাষা চলিছিল সেই সময়ত তাত কোনো পুথি ৰচনা হোৱা নাছিল বুলিয়েই সি কথিত ভাষাৰ শাৰিতে থাকিল; আৰু গতিকে তাৰ উল্লেখ পোৱা নাযায়।

---

## বেজবৰুৱা সম্বৰ্দ্ধন সমিতি।

কলিকতাৰ অ, ভা, উ, সা, সভাৰ সম্পাদক শ্ৰীযুত পৰমানন্দ ওঝাদেৱে আমাক ২১।৭।৩০ তাৰিখে চিঠি দি জনাইছে যে কলিকতাৰ অ, ভা, উ, সা, সভাই শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াক "আসাম বাসীয়ে যি মান-পত্ৰ দিবলৈ স্থিৰ কৰিছে সেই মান-পত্ৰখনি আগবঢ়াই দিয়া পাত্ৰ ( Casket ) টি দিবলৈ ইচ্ছা কৰিছে। কিন্তু কিমান খৰছ পৰিব, আৰু পাত্ৰটি কেনেকুৱা বিধৰ হব লাগিব সেই বিষয় আগতে জনাব লাগিব আৰু পৰাপক্ষত তাৰ খৰছ ১০০ ( এশ ) টকাৰ ভিতৰতে পৰিলে ভাল।"



বেজবৰুৱা সম্বৰ্দ্ধন সমিতিয়ে কলিকতা অ, ভা, উ, সা সভাৰ এই সত্ ইচ্ছা সাদৰে গ্ৰহণ কৰিছে, আৰু যেওঁত সকলক যথা সময়ত পাত্ৰ ( Casket ) ৰ বিষয়ে যেওঁত সকলে সোধা কথা জনোৱা হব। কলিকতাৰ অ, ভা, উ, সা সভাৰ সভ্য সকলক এই সমিতিয়ে আন্তৰিক ধন্যবাদ দিছে।

শ্ৰীদেবেশ্বৰ চলিহা,
প্ৰধান সম্পাদক।

---

## শঙ্কৰ দেৱ।

### ( ব্ৰহ্মপুত্ৰৰ পাৰত নিৰলে )।

**শঙ্কৰ**—হে পৰম প্ৰতাপী মহাবাহু ব্ৰহ্মপুত্ৰ, তুমি কোন অজান গিৰি শিখৰত জন্ম লৈ দেশ দেশান্তৰ ভেদ কৰি কোন সুদূৰ নীল সাগৰত আত্মহাৰা হবলৈ উধাতু খাই লৰ ধৰিছা! আজি ক'ত যুগ ধৰি অবিৰাম অবিশ্ৰান্ত গতিৰে কামৰূপৰ মাজে দি চলি আছা! তোমাৰ পাৰতেই কত ৰাজ্যৰ প্ৰতিষ্ঠা আৰু কত ৰাজ্য লয় হৈছে! কত ৰণ বিগ্ৰহৰ তেজেৰে তোমাৰ দুই পাৰ প্লাবিত হৈছে। অনন্তকালৰ ইতিহাস আঁকি থোৱা তোমাৰ সুদীৰ্ঘ স্মৃতিপট লুটিয়াই চাই মোক কবা নে, হে লোহিতাঙ্গ, কামৰূপবাসীৰ এনে অধঃপতন আগেয়ে কেতিয়াবা হৈছিল নে? যি কামৰূপে এসময়ত জ্ঞানৰ কেন্দ্ৰস্থল হৈ জ্যোতিঃপুৰ আখ্যা পাইছিল, সেই কামৰূপ আজি অজ্ঞান আৰু অনিষ্টাত মোহাচ্ছ। যি কামৰূপৰ বিজয় দুন্দুভি এসময়ত ভাগীৰথীৰ তীৰলৈকে শুনা গৈছিল, সেই কামৰূপ আজি নিমাত, নিতাল। মাজে মাজে শুনা যায় কেৱল আত্ম কলহৰ বোৰোৱনি! কিয় যে কামৰূপৰ এনে দুৰ্দশা হল, নিশ্চয়েই বা হব কেনেকৈ, তাকেই হে আজি দুবছৰ কাল তোমাৰ পাৰত নিৰলে বহি চিন্তা কৰিছোঁ। অধোগতিৰ চৰম সীমা পালে গৈ। অজ্ঞান আৰু অনীতিৰ পঙ্কসুৱা বোকাৰ পৰা প্ৰজাক উদ্ধাৰ কৰা প্ৰায় অসম্ভৱ হৈ পৰিছে। বিদ্যা অৰ্থে কেৱল নাচগান; আৰু ধৰ্ম্ম অৰ্থে কেৱল প্ৰাণীহিংসা। ধৰ্ম্মৰ নামত নিৰ্দোষ তপত তেজৰ বন্যাৰ দিনে দিনে বৈ যাব তাৰ পৰাই এক হিংসা দৈত্য উদ্ভৱ হৈ গোটেই জাতিটোকে আক্ৰমণ কৰিছে। ( তিনিজনী পানী নিবলৈ অহা ছোৱালী লৰি লৰি প্ৰবেশ কৰে )

**ছোৱালী তিনিজনী**—শঙ্কৰ, আমাক ৰক্ষা কৰাঁ, ৰক্ষা কৰঁ।

**শঙ্কৰ**—কি হল তইতৰ?

**১ম ছোৱালী**—সেই মানুহকিটালৈ চোৱাঁচোন, চেৰাপ খাই আমাৰ পাচে পাচে কেনেকৈ আহে?

( তপন, ৰামদাস আৰু মোহনে ভুমুকীয়াই চাই প্ৰস্থান কৰে )

**শঙ্কৰ**—আহা, আহা, কিয় ধমকখাই ৰলাহঁক! ছিঃ তোমালোকৰ আচৰণ অতি ঘৃণনীয়। ইয়াতকৈ আৰু অধঃপতন কি হব পাৰে। –

( তিনি ছোৱালীৰ প্ৰস্থান )

শিক্ষা নাই, দীক্ষা নাই, ডেকাকালত এইদৰে আলীয়ে বাটে মতলীয়া হৈ ফুৰে, আৰু বুঢ়া লকাত মদ ভাং খাই ঘৰত বহি জুৰা খেলে। কেৱল স্ত্ৰী, মদ, মাংস সেৱাৰ কথা কৈ মৰে, কৰে জন্মক বৃথা। ধৰ্ম্মৰ নামতেই সুৰাপান আৰু ধৰ্ম্মৰ নামতেই ব্যভিচাৰ। যিবিলাক দেৱ মন্দিৰ পূৰ্ব্বে সাম গানেৰে মুখৰিত হৈছিল, সেইবিলাক আজি নৰ্ত্তকী দলৰ নুপুৰ ধ্বনিৰে ঝনঝনাব লাগিছে। আজি কামৰূপবাসী, নীতি বৰ্জ্জিত আৰু জ্ঞান শূন্য। সিহঁতৰ ধৰ্ম্ম সাম্প্ৰদায়িকতাৰ দ্বাৰা সীমাবদ্ধ। নৈতিক আৰু আধ্যাত্মিক উন্নতিয়েই সকলো সুখৰ মূল। এনে ধৰ্ম্ম নাইনে সংসাৰত যাৰ দ্বাৰা এই দুই

উন্নতি সুসম্পন্ন হয়। এনে ধৰ্ম্ম নাইনে শাস্ত্ৰত থ'ত সম্প্ৰদায় নিৰ্ব্বিশেষে সকলোৱে সমানে যোগ দিব পাৰে। এনে এটা ধৰ্ম্ম বিচাৰি মই সকলো শাস্ত্ৰ মথি চাম; সকলো দেশ ভ্ৰমণ কৰিম। আগন্তুক শৰত কালেই তীৰ্থ ভ্ৰমণৰ উপযুক্ত সময়। আৰু পলম কৰা অসম্ভৱ। কৰিৰ সংসাৰ ৰিলম্বত কাৰ্য্য নাই, চিন্তামণি জন্ম হেৰা হাতত হেৰায়।

( প্ৰস্থান )।

---

# আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ত্ৰয়োদশ বছৰৰ ৭ম অধিবেশন।

( দেওবাৰ—১৪। ৬। ৩০ )

উপস্থিত :— ১। শ্ৰীযুত বেণুধৰ ৰাজখোৱা (সভাপতি); ২। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ; ৩। খান্ বাহাদুৰ মৌঃ কেৰামত আলি; ৪। শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা; ৫। শ্ৰীযুত পূৰ্ণানন্দ পাঠক; ৬। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা; ৭। শ্ৰীযুত মিত্ৰদেব মহন্ত; ৮। শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা; ৯। শ্ৰীযুত দেবানন্দ ভঁৰালি; আৰু ১০। প্ৰধান সম্পাদক।

দৰ্শক :— ১। শ্ৰীযুত পৰেশনাথ বৰুৱা;
২। শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস,

১। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱে প্ৰস্তুত কৰি দিয়া "বিজ্ঞানৰ গল্প" পুথিৰ বিষয়-তালিকা ( Syllabus) পাঠ কৰা হয় কিন্তু কেইটিমান বিষয় অলপ টান যেন ভাবি পুনৰ গোস্বামীদেৱক চকু ফুৰাই চাবলৈ অনুৰোধ কৰা হ'ল।

২। পুৰস্কাৰ প্ৰতিযোগিতাৰ অৰ্থে পোৱা "সৰল-ৰসায়ণ' পুথি কেইখনিৰ পৰীক্ষক সকলৰ মন্তব্য সভাত মেলা হয় আৰু পাঠ কৰা হয়। পৰীক্ষক সকলৰ মতাধিক্য অনুসৰি পৰীক্ষক সকলৰ মন্তব্য মতে সংশোধিত হোৱাৰ পিচত শ্ৰীযুত চিন্তাহৰণ পাটগিৰিৰ 'সৰল ৰসায়ণ" পুথিকে পুৰস্কাৰ দিবলৈ স্থিৰ কৰা হয়। উক্ত মন্তব্য মতে সংশোধিত কৰিবলৈ গ্ৰন্থকাৰ অসম্মত হলে পুৰস্কাৰৰ টকা দাবি কৰিব নোৱাৰিব।

৩। "আহোম আৰু হিন্দু সমাজ" বিষয়ক প্ৰবন্ধ কেইবাখনো জাননী দিও নোপোৱা বাবে সৰ্ব্বসম্মতি ক্ৰমে পুৰস্কাৰ দাতাক নতুন বিষয় এটি বাচি দিবলৈ অনুৰোধ কৰা হল।

৪। সাহিত্য সভা পত্ৰিকাৰ" বহুল প্ৰচাৰৰ অৰ্থে "এজেণ্ট" নিযুক্ত কৰিবলৈ প্ৰধান সম্পাদকক ক্ষমতা দিয়া হল। নতুন গ্ৰাহক সংগ্ৰহ কৰাৰ পিচত প্ৰত্যেক এজেণ্টে নগদ টকা আদায় কৰি সভাৰ পুঁজিত জমা দিব লাগিব; আৰু প্ৰধান সম্পাদকে জমা হোৱা টকাৰ বাবে টকাত সিকি নিৰিখে প্ৰত্যেক এজেণ্টক "কমিচন" বা বানচ দিব পাৰিব। এজেণ্টে নিজে বানচৰ টকা আগতে কাটি লব নোৱাৰিব।

৫। সাহিত্য সভা মন্দিৰত ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়াৰ সন্মানাৰ্থে চিত্ৰ বা তেনেকুৱা আন বস্তু ৰাখিবৰ নিমিত্তে ৰায় বাহাদুৰ ডাঙৰীয়াৰ সম্মত খুজিবলৈ স্থিৰ কৰা হ'ল।

৬। শ্ৰীহট্টৰ তাৰাপুৰ গাঁওত আসমীয়া নিম্নপ্ৰাইমেৰি পাঠশালা চলাবৰ নিমিত্তে উক্ত গাঁওৰ অধিবাসী সকলে তাতে এজন উপযুক্ত পণ্ডিত নিযুক্ত কৰিব পাৰিবনে নোৱাৰে আৰু পাৰিলে মাসিক কিমান বেতনত তেনে শিক্ষক পোৱা যাব পাৰে, এই কথা জানিবৰ নিমিত্তে প্ৰধান সম্পাদকে উক্ত গাঁওৰ মুখিয়াল অধিবাসী



সকললৈ চিঠি দিব আৰু তেওঁলোকৰ পৰা পোৱা উত্তৰ পৰবৰ্ত্তী সভাত দাখিল কৰিব।

পৰবৰ্ত্তী সাহিত্য সন্মিলন অহা পূজাৰ বন্ধত পাতিবলৈ অসুবিধা দেখুৱাই অভ্যৰ্থনা সমিতিৰ সহকাৰী সম্পাদকে দেখা চিঠি পাঠ কৰা হয়; আৰু তেখেত সকলৰ প্ৰস্তাব মতেই বৰ দিনৰ বন্ধতে পৰবৰ্ত্তী সন্মিলন পাতিবলৈ স্থিৰ কৰা কথা জনা হয়।

(স্বাক্ষৰ) শ্ৰীদেবেশ্বৰ চলিহা,
প্ৰধান সম্পাদক।
৩১ জেঠ, ১৮৫২।

(স্বাক্ষৰ) শ্ৰীবেণুধৰ ৰাজখোৱা,
সভাপতি।
১৪। ৬। ৩০

---

# আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ বিশেষ অধিবেশন।

( বুধবাৰ—২৩। ৭। ৩০ )

উপস্থিত :—১। খাঁ বাহাদুৰ মৌঃ কেৰামত আলি ( সভাপতি )।
২। শ্ৰীযুত শৰৎ চন্দ্ৰ গোস্বামী; ৩। শ্ৰীযুত কুলধৰ চলিহা; ৪। ,, দেবানন্দ ভৰালী; ৫। ,, লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা; ৬। হাজি মৌঃ ফাইজুদ্দিন আহমদ; ৭। " কীৰ্ত্তিনাথ বৰদলৈ ৮। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা; আৰু ৯। প্ৰধান সম্পাদক।

দৰ্শক :—( ১ ) শ্ৰীযুত গুনগোবিন্দ দত্ত

১। চন্দ্ৰকান্ত অভিধান ছপা কৰিবৰ নিমিত্তে যোগমায়া প্ৰেচৰ লগত কৰিব খোজা চুক্তিনামাৰ সকলো দিশৰ কথা আলোচনা কৰা হ'ল। সভাই প্ৰেচক এই অৰ্থে যি টকা দিব, যাতে সেই টকা সকলো প্ৰকাৰে সংৰক্ষিত হয় সেই দৰে চুক্তি নামা প্ৰস্তুত কৰিবলৈ সম্পাদকক ভাৰ দিয়া হল।

২। উপৰোক্ত চুক্তিনামা পত্ৰ যেতিয়ালৈকে সভাৰ সম্পাদক আৰু যোগমায়া প্ৰেচৰ স্বত্বাধিকাৰীৰ দ্বাৰা সম্পাদিত নহয়, তেতিয়ালৈকে সভাৰ কোনো টকা যোগমায়া প্ৰেচক অগ্ৰিম দিবলৈ মঞ্জুৰ কৰিব পৰা নহয়।

(স্বাক্ষৰ) শ্ৰীদেবেশ্বৰ চলিহা,
প্ৰধান সম্পাদক।
৭ শাওন, ১৮৫২।

(স্বাক্ষৰ) শ্ৰীকেৰামত আলি,
সভাপতি।
২৩। ৭। ৩০।

---

## স্থায়ী সভ্য।

যোৱা সংখ্যা কাকতত শ্ৰীশ্ৰীবটদ্ৰৱা বৰছিচাৰ সত্ৰাধিকাৰ গোস্বামী সাধাৰণ সভ্যৰ লিষ্টত ভুলক্ৰমে ছপা হৈ গ'ল। তাক তলত শুধৰাই দিয়া হল :—

আসাম সাহত্য সভাৰ স্থায়ী সভ্য :—

### নগাঁও।

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
| --- | --- | --- |
| শ্ৰীশ্ৰীবটদ্ৰৱা বৰছিচাৰ সত্ৰাধিকাৰ গোস্বামী, | নগাঁও | ২৮। ৯। ২৭ |

# আসাম সাহিত্য সভাৰ সাধাৰণ সভ্যৰ তালিকা।

( আগৰ সংখ্যাৰ পাচৰ পৰা )।

## মঙ্গলদৈ ঃ—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
|---|---|---|
| ১। শ্ৰীযুত ভুবনচন্দ্ৰ দত্ত | মঙ্গলদৈ টাউন | ১২।৬।২৬ |

## তেজপুৰ ঃ—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
|---|---|---|
| ১। শ্ৰীযুত কণকেশ্বৰ হাজৰিকা | গহপুৰ | ৩০।৩।৩০ |
| ২। ,, কাণুৰাম শইকীয়া | ঐ | ৩০।৪।২৫ |
| ৩। ,, গোপাল চন্দ্ৰ হাজৰিকা | ঐ | ৩০।৩।২৫ |
| ৪। ,, দক্ষিণাথ কলিতা | তেজপুৰ টাউন | ৮।১।২৫ |
| ৫। ,, নগেন্দ্ৰ কুমাৰ লস্কৰ | গহপুৰ | ৩০।৩।২৫ |
| ৬। ,, বিষয়ৰাম মহাজন | তেজপুৰ টাউন | ৮।১।২৫ |
| ৭। ,, যোগেশ্বৰ হাজৰিকা মৌজাদাৰ | গহপুৰ | ৩০।৩।২৫ |
| ৮। ,, ৰমাকান্ত বৰা | ঐ | ঐ |
| ৯। ,, শিৱৰাম কাকতী | ঐ | ঐ |
| ১০। ,, যজ্ঞেশ্বৰ বৰুৱা | তেজপুৰ টাউন | ১০।১১।২৬ |
| ১১। ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা | ঐ | ২২।৪।২৭ |
| ১২। সাহিত্য সৰস্বতী শ্ৰীযুত কমলাকান্ত ভূঞা বিদ্যাবিনোদ | তেজপুৰ টাউন | ১৮।৮।২৭ |

## গোলাঘাট ঃ—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
|---|---|---|
| ১। শ্ৰীযুত গোলোকচন্দ্ৰ ঠাকুৰ | দেৰগাওঁ | ৩০।৪।২৫ |
| ২। ,, ডিম্বেশ্বৰ বৰুৱা | জামুগুৰী | ,, |
| ৩। ,, চিত্ৰসেন কাকতি | গোলাঘাট টাউন | ,, |
| ৪। ,, ধনকান্ত মহন্ত | দৈয়াং বাগিছা | ২৭।১০।২৫ |
| ৫। ,, চন্দ্ৰধৰ শৰ্ম্মা | ,, | ,, |
| ৬। ,, ফণিধৰ শৰ্ম্মা | ওৱাটিং | ১৯।৯।২৫ |
| ৭। ,, বিশ্বেশ্বৰ শৰ্ম্মা | বালিজান বাগিছা | ২৭।১০।২৫ |
| ৮। ,, যোগানন্দ ভূঞা | দৈয়াং বাগিছা | ,, |
| ৯। ,, পূৰ্ণচন্দ্ৰ শইকীয়া | বঙ্গাজান বাগিছা | ৮।৭।২৯ |
| ১০। ,, লক্ষ্মণ চন্দ্ৰ দাস | আঠগুৰী | ১৯।১।৩০ |
| ১১। ,, গোলাপ চন্দ্ৰ গোস্বামী | গোলাঘাট টাউন | ,, |



| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ১২। শ্ৰীযুত নগেন্দ্ৰ নাথ বৰুৱা | গোলাঘাট টাউন | ,, |
| ১৩। ,, হিমুলৰাম হাজৰিকা | ,, | ২০।৬।২৭ |
| ১৪। ,, ভৱনাথ হাজৰিকা | ,, | ২৮।৫।২৯ |
| ১৫। ,, পূৰ্ণেন্দু মোহন বৰুৱা | ,, | ১৯।১।৩০ |

## নগাঁও ঃ—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ১। শ্ৰীযুত অমলচন্দ্ৰ শৰ্ম্মা | নগাঁও টাউন | ২৩।১২।২৪ |
| ২। ,, আনন্দৰাম ভট্টাচাৰ্য্য | ,, | ,, |
| ৩। মৌঃ আব্দুল হেমিদ | ,, | ,, |
| ৪। ,, আব্দুল কুদ্দোচ | ৰহা | ২৩।১২।২৫ |
| ৫। শ্ৰীযুত উমাকান্ত গোহাঁই বি, এল, | নগাঁও টাউন | ২৩।১২।২৪ |
| ৬। মৌঃ ওচমান আলি সদাগৰ | নগাঁও আলি টাঙনি | ২৩।১২।২৫ |
| ৭। শ্ৰীযুত কণক চন্দ্ৰ শৰ্ম্মা কাব্যতীৰ্থ | নগাঁও টাউন | ,, |
| ৮। ,, গোলোক নাথ হাজৰিকা | ,, | ২৩।১২।২৪ |
| ৯। ,, গুণাভিৰাম মহন্ত | ,, | ,, |
| ১০। ,, জগৎচন্দ্ৰ বেজবৰুৱা বি, এল | ,, | ,, |
| ১১। ,, জোনাৰাম বৰা | ,, | ,, |
| ১২। ,, থুলেশ্বৰ মহন্ত | ,, | ১২।১২।২৪ |
| ১৩। ,, চন্দ্ৰনাথ বৰ ঠাকুৰ | ,, | ২১।১।২৫ |
| ১৪। ,, দেবেন্দ্ৰ নাথ বৰুৱা | ,, | ২৩।১২।২৪ |
| ১৫। খাঁ চাহাব মৌঃ মুকদ্দিন আহম্মদ | ,, | ৩০।৪।২৫ |
| ১৬। শ্ৰীযুত পীতাম্বৰ শৰ্ম্মা | ,, | ২৩।১১।২৪ |
| ১৭। ,, বৃন্দাবন চন্দ্ৰ গোস্বামী, বি, এল, এম এল চি | ,, | ২৩।১২।২৪ |
| ১৮। ,, বিমলাকান্ত বৰা বি, এল, | ,, | ,, |
| ১৯। ,, বিষ্ণুচৰণ বৰা বি, এল, | ,, | ,, |
| ২০। ,, মীনাদেৱ গোস্বামী | ,, | ১২।১২।২৪ |
| ২১। মৌঃ মহম্মদ আব্দুল সামাদ | নগাঁও আলি টাঙনি | ২৩।১২।২৫ |
| ২২। ,, মহমদ ৰফিক | নগাঁও টাউন | ২৯।৬।২৬ |
| ২৩। ,, মহম্মদ চালেহ হাজৰিকা | পুৰণি গুদাম | ,, |
| ২৪। শ্ৰীযুত যোগেশ্বৰ বৰা | কুৰুৱাঁ টোল | ১২।১২।২৪ |
| ২৫। ,, যোগ সিং চেত্ৰী বি, এ, | নগাঁও টাউন | ২৩।১২।২৪ |
| ২৬। ,, সতীশ চন্দ্ৰ ভূঞা | ,, | ,, |
| ২৭। ,, ৰজনী কান্ত মহন্ত | ,, | ১২।১২।২৪ |

| | নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
|---|---|---|---|
| ২৮। | শ্ৰীযুত ৰামেশ্বৰ বৰুৱা, বি, এ, | নগাঁও টাউন | ২৩।১২।২৪ |
| ২৯। | শ্ৰীযুত ৰবিলাল ভূঞা | ,, | ২৩।১২।২৪ |
| ৩০। | মৌ ৰেহান আলি হাজৰিকা | ,, | ২৩।১২।২৫ |
| ৩১। | শ্ৰীযুত ৰত্নকান্ত বৰকাকতি | ,, | ২৯।৬।২৬ |
| ৩২। | ,, পূৰ্ণচন্দ্ৰ শৰ্ম্মা বি, এল, | ,, | ৩০।৪।২৫ |
| ৩৩। | ,, লক্ষ্মীনাথ বৈৰাগী | পুৰণী গুদাম | ২৯।৫।২৬ |
| ৩৪। | ,, কমলাকান্ত শইকীয়া | নগাঁও টাউন | ১০।১১।২৬ |
| ৩৫। | ,, কল্পনাথ ভূঞা | ,, | ,, |
| ৩৬। | ,, যোগেন্দ্ৰনাথ কটকী | ,, | ,, |
| ৩৭। | ,, প্ৰাণনাথ শৰ্ম্মা | ,, | ,, |
| ৩৮। | ,, উণাদেৱ গোস্বামী | ,, | ,, |

## গুৱাহাটী ঃ—

| | | | |
|---|---|---|---|
| ১। | শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী | গুৱাহাটী টাউন | ৭।১।২৫ |
| ২। | মৌঃ ওৱাজেদ আলি বি, এল, | ,, | ২৫।৮।২৫ |
| ৩। | শ্ৰীযুত কান্তিধৰ মেধি | সোৱালকুছি | ৮।১।২৫ |
| ৪। | পণ্ডিত শ্ৰীযুত কামাখ্যাচৰণ ভট্টাচাৰ্য্য, ব্যাকৰণ শাস্ত্ৰী | পলাশবাৰী | ,, |
| ৫। | শ্ৰীযুত কেশৱচন্দ্ৰ বৰঠাকুৰীয়া | গুৱাহাটী টাউন | ,, |
| ৬। | ,, চিত্ৰমল্ল বৰুৱা | নলবাৰী | ,, |
| ৭। | ,, জলতিৰাম ভূঞা লহকৰ | গুৱাহাটী টাউন | ,, |
| ৮। | ,, জ্যোতিঃ প্ৰসাদ আগৰৱালা | ,, | ৩০।৪।২৫ |
| ৯। | মিঃ জ্ঞানদাভিৰাম বৰুৱা, বাৰ-এট-এল | ,, | ২৯।৬।২৬ |
| ১০। | শ্ৰীযুত দণ্ডিৰাম দত্ত | বেলশৰ | ৮।১।২৫ |
| ১১। | ,, নীলকান্ত বৰুৱা | গুৱাহাটী টাউন | ,, |
| ১২। | ,, নীলনাথ শৰ্ম্মা | ,, | ১২।১২।২৪ |
| ১৩। | ,, নবকুমাৰ বৰুৱা | ,, | ৩০।৪।২৫ |
| ১৪। | ,, কোহিৰাম দাস বি, এ, | ,, | ১২।১২।২৪ |
| ১৫। | ,, কাশীনাথ বৰ্ম্মণ | ছয়গাঁও | ,, |
| ১৬। | ,, প্ৰতাপ নাৰায়ণ চৌধুৰী | নলবাৰী | ৩০।৩।২৫ |
| ১৭। | ডাঃ শ্ৰীযুত ভূবনেশ্বৰ বৰুৱা, এম, বি, | গুৱাহাটী টাউন | ৩০।৪।২৫ |
| ১৮। | শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী | নলবাৰী | ৮।১০।২৬ |
| ১৯। | ,, আদ্যনাথ শৰ্ম্মা | গুৱাহাটী টাউন | ,, |
| ২০। | ,, দুৰ্গেশ্বৰ গোস্বামী | ,, | ১০।১১।২৬ |



| | নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|---|
| ২১। | ডাঃ শ্ৰীযুত সুৰেন্দ্ৰনাথ দত্ত বি, এচ, চি, এম, বি, | গুৱাহাটী টাউন | ২৫।১২।২৫ |
| ২২। | শ্ৰীযুত ভাৰতচন্দ্ৰ দাস ই,এ,চি, | ,, | ২২।৪।২৭ |
| ২৩। | মিঃ উপেন্দ্ৰনাথ বেজবৰুৱা, বাৰ-এট-ল | ,, | ২৮।৫।২৯ |
| ২৪। | ৰায়চাহাৰ শ্ৰীযুত সীতানাথ বৰবৰা | ,, | ,, |
| ২৫। | শ্ৰীযুত ৰঘুনাথ চৌধুৰী | ,, | ১৯।১।৩০ |
| ২৬। | ডাঃ শ্ৰীযুত বংশীধৰ বৰুৱা, এম, বি | ,, | ১৯।১২।২৪ |
| ২৭। | শ্ৰীযুত যজ্ঞৰাম তালুকদাৰ | ,, | ২৮।১১।২৪ |
| ২৮। | ,, পৰমানন্দ শৰ্ম্মা | ,, | ৩০।৪।২৫ |
| ২৯। | ,, ৰাধানাথ হাজৰিকা | ,, | ২৮।৫।২৯ |

## বৰপেটা

| | | | |
|---|---|---|---|
| ১। | শ্ৰীযুত অক্ষয় কুমাৰ দাস | বৰপেটা টাউন | ২৬।১১।২৫ |
| ২। | ,, কালীদাস পাটনিয়াৰ | পাটাবাৰ কুছি | ২৫।২।২৫ |
| ৩। | ,, কালীমোহন সেনগুপ্ত, বি,এ, | বৰপেটা টাউন | ১৮।৯।২৫ |
| ৪। | ,, চিন্তাহৰণ পাটগিৰি | বৰনগৰ | ১৪।১১।২৪ |
| ৫। | শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়ানী | দৈশীঙৰী | ৮।১।২৫ |
| ৬। | শ্ৰীযুত নৰেশ্বৰ শৰ্ম্মা | পাটাচাৰ কুছি | ,, |
| ৭। | ,, পীতাম্বৰ তালুকদাৰ | ,, | ২৬।১১।২৫ |
| ৮। | ,, ললিত মোহন বৰ্ম্মণ | বৰনগৰ | ২০।৮।২৫ |
| ৯। | ,, সোণাপতি দেৱ শৰ্ম্মা | বৰপেটা টাউন | ২৬।১১।২৫ |
| ১০। | ,, গিৰিশ চন্দ্ৰ চৌধুৰী | ,, | ১৬।৯।২৬ |
| ১১। | ,, গণেশলাল চৌধুৰী | ,, | ,, |
| ১২। | ,, দেবেন্দ্ৰ নাথ উজিৰ, বি.এল | ,, | ,, |
| ১৩। | ,, বনমালী দাস | ,, | ,, |
| ১৪। | ,, হাৰাণ চন্দ্ৰ দাস | চক্চকা | ১০।১১।২৬ |
| ১৫। | ,, গঙ্গাধৰ দেৱ গোস্বামী | ,, | ,, |
| ১৬। | ,, গোপীনাথ দেৱ গোস্বামী | ,, | ,, |
| ১৭। | ,, সৰ্ব্বানন্দ দাস | বৰপেটা টাউন | ১৮।৯।২৫ |
| ১৮। | ,, দীনবন্ধু দাস | ,, | ৩০।৯।২৭ |
| ১৯। | ,, ধনিৰাম তালুকদাৰ | ,, | ১৯।১।৩০ |
| ২০। | ,, শ্ৰীৰামচন্দ্ৰ দাস | ,, | ১৭।৬।৩০ |

## গোৱালপাৰা:—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ। |
|---|---|---|
| ১। শ্ৰীযুত লক্ষীৰাম নাথ | গোৱালপাৰা টাউন | ৯।১।২৫ |
| ২। ,, দণকান্ত দেব অধিকাৰী | ধেকাপাৰ | ২৯।৬।২৬ |
| ৩। ,, নিৰ্ব্বান্তৰাম দাস | ভাতিপাৰা. বিজনী | ১০।১১।২৬ |
| ৪। ,, সুৰেন্দ্ৰ চন্দ্ৰ দাস | ,, | ,, |
| ৫। ,, কমলাকান্ত দাস | ,, | ,, |
| ৬। ,, অমৰ সিং দাস | ,, | ,, |
| ৭। ,, গুন্দৰ ৰাম দাস | ,, | ,, |
| ৮। ,, শ্যামা চৰণ ৰাজবংশী | মাণিকপুকুৰ, বিজনী | ,, |
| ৯। ,, আদৰ ৰাম দাস | ,, | ,, |
| ১০। ,, বেধাৰাম ৰাজবংশী | ,, | ,, |
| ১১। ,, পীপৰ ৰাম ৰাজবংশী | ,, | ,, |
| ১২। ,, চুৰাৰাম দাস | ,, | ,, |
| ১৩। ,, লহৰ ৰাম দাস | ,, | ,, |
| ১৪। ,, মঙ্গাৰাম দাস | ,, | ,, |
| ১৫। মৌ: আব্দুল হেমিদ মিঞা | জামাদাৰ হাট | ,, |
| ১৬। শ্ৰীযুত বটাৰাম ৰাজবংশী | মাণিকপুকুৰ, বিজনী | ,, |
| ১৭। কুমাৰ শ্ৰীযুত দ্বীপ নাৰায়ণ দেৱ | বৈটামাৰী | ২০।৬।২৭ |
| ১৮। শ্ৰীযুত দেবেন্দ্ৰ নাথ চক্ৰবৰ্ত্তী | গোৱালপাৰা টাউন | ২৫।৯।২৮ |
| ১৯। ,, চন্দ্ৰকান্ত নাথ | ,, | ,, |

## ধুবুৰী ঃ—

| | | |
|---|---|---|
| ১। শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী | ধুবুৰী টাউন | ১৯।৯।২৪ |
| ২। ,, যাদব চন্দ্ৰ দাস | ,, | ২৬।৬।২৬ |
| ৩। ,, মহিম চন্দ্ৰ সিং | ,, | ৩০।৪।২৫ |
| ৪। ,, গৌৰীকান্ত ডেকা | ,, | ২৫।২।২৫ |
| ৫। ,, প্ৰমথ নাথ চক্ৰবৰ্ত্তী, বি, এল | ,, | ১৯।১।৩০ |

## চিলেট ঃ—

| | | |
|---|---|---|
| ১। অধ্যাপক শ্ৰীযুত উমাকান্ত গোস্বামী এম.এ-বি, এল, | চিলেট টাউন | ১২।১২।২৪ |
| ২। মৌ: ফজললহক আহমদ | ,, | ১৯।১২।২৪ |

## কোচ বিহাৰ ঃ—

| | | |
|---|---|---|
| ১। শ্ৰীযুত গঙ্গানাথ দেব শৰ্ম্মা | কুমাৰী কোট, কোচবিহাৰ | ২৫।৯।২৮ |



## চিলং ঃ—

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ১। শ্ৰীযুত পূৰ্ণলাল দাস | লাবান, চিলং | ২৯।৬।২৬ |
| ২। ,, ৰজনী লাল বৰুৱা | ,, | ,, |
| ৩। ,, লক্ষেশ্বৰ বৰ বৰুৱা | ,, | ,, |
| ৪। ,, সোণাধৰ সেনাপতি | ,, | ১৯।৮।২৪ |

## যোৰহাট:—

| | | |
|---|---|---|
| ১। শ্ৰীশ্ৰীযুত উৎসবানন্দ গোস্বামী | পূৰণিমাটী সত্ৰ | ২৫।২।২৫ |
| ২। মিষ্টাৰ এ, চি, টানষ্টল | চিনামৰা | |
| ৩। শ্ৰীযুত কুলধৰ চলিহা বি. এল, | যোৰহাট টাউন | ১৯।৯।২৪ |
| ৪। খাঁ বাহাদুৰ মৌ: কেৰামত আলি এম. এল, চি | ,, | ,, |
| ৫। ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা | ,, | ,, |
| ৬। শ্ৰীযুত কুল কমল বৰুৱা | সৰ্ব্বাই বন্ধা | ৩০।৪।২৫ |
| ৭। ৰায়চাহাব শ্ৰীযুত গোলাপ চন্দ্ৰ বৰুৱা | যোৰহাট টাউন | ১৪।১১।২৫ |
| ৮। শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামী বি, এ, | ,, | ১২।১২।২৪ |
| ৯। ,, গুণগোবিন্দ দত্ত | ,, | ,, |
| ১০। ,, গোলোকচন্দ্ৰ বৰুৱা এম. এ, বি. এল | ,, | ২৬।১১।২৬ |
| ১১। ,, গোলাপচন্দ্ৰ বৰুৱা বঃ বি, টি, | ,, | ২৩।১২ ২৫ |
| ১২। ,, চন্দ্ৰধৰ শৰ্ম্মা | ,, | ১৯।৯।২৪ |
| ১৩। ,, চন্দ্ৰনাথ দত্ত ফুকন বি, টি, | ,, | ১২।১২।২৪ |
| ১৪। ,, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য শাস্ত্ৰী | ,, | ,, |
| ১৫। মৌ: জেতিরুদ্দিন আহমদ, বি, টি, | ,, | ,, |
| ১৬। শ্ৰীযুত তিলকচন্দ্ৰ বৰা | ,, | ,, |
| ১৭। ,, তোলনচন্দ্ৰ শইকীয়া | চিনামৰা | ২৮।৭।২৬ |
| ১৮। ,, দেবেশ্বৰ শৰ্ম্মা. বি, এল, | যোৰহাট টাউন | ১৯।৯।২৪ |
| ১৯। ,, দেবেশ্বৰ চলিহা | ,, | ,, |
| ২০। মৌ: দাৰাজুদ্দিন আহ্মদ | ,, | ১২।১২।২৪ |
| ২১। শ্ৰীযুত দেবানন্দ ভৰালি, বি, এ, | ,, | ২৩।১২।২৪ |
| ২২। ৰায় চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰকটকী | ,, | ৩০।৩।২৫ |
| ২৩। শ্ৰীযুত দধিৰাম শইকীয়া | চিনামৰা | ২।৬।২৬ |
| ২৫। শ্ৰীযুত দত্তদেব গোস্বামী | চাওথাট, ঢেকিয়া খোৱা | ২৫।৮ ২৫ |
| ২৬। ডম্বৰুধৰ শইকীয়া | যোৰহাট টাউন | ২৬।১১।২৫ |
| ২৭। ,, ধাতুৰাম ভূঞা | ,, | ১৯।৯।২৪ |

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ২৮। শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা | ঢেকিয়াজুলি বাগিছা | ১৪।১১।২৪ |
| ২৯। ,, নন্দনাথ শৰ্ম্মা বৰুৱা | যোৰহাট টাউন | ৩০।৪।২৫ |
| ৩০। ,, নীলকান্ত বৰুৱা | ,, | ২।৬।২৫ |
| ৩১। ,, নৰসিং তচা | চিনামৰা | ২৯।৬।২৬ |
| ৩২। ,, প্ৰফুল্লচন্দ্ৰ গগৈ | ৰঙাজান | ১৯।৮।২৪ |
| ৩৩। ,, পূৰ্ণানন্দ শৰ্ম্মা পাঠক, বি, এল | যোৰহাট টাউন | ২১।১।২৫ |
| ৩৪। ,, পুষ্পধৰ বৰবৰা | ,, | ২৯।৬।২৬ |
| ৩৫। ,, বিনন্দচন্দ্ৰ শৰ্ম্মা | বালিগাওঁ | ২৫।২।২৫ |
| ৩৬। ,, বিপীনচন্দ্ৰ বৰদলৈ | যোৰহাট টাউন | ২৬।১১।২৫ |
| ৩৭। ,, যোগাই চন্দ্ৰ বৰা | হাতিগড় বাগিছা, চিনামৰা | ২৯।৬।২৬ |
| ৩৮। ,, ৰেণুধৰ ৰাজখোৱা, বি, এ, | যোৰহাট টাউন | ১৯।১২।২৪ |
| ৩৯। ,, বিষ্ণুচন্দ্ৰ বৰুৱা এম, এ, বি, এল | ,, | ১৪।১১।২৪ |
| ৪০। ,, মুক্তালাল কাঠ বৰুৱা | ,, | ,, |
| ৪১। ,, মোক্ষনাথ ফুকন বি, এল | ,, | ১২।১২।২৪ |
| ৪২। ,, মাণিকচন্দ্ৰ বৰুৱা | কেন্দুগুৰী | ,, |
| ৪৩। ,, মহেশচন্দ্ৰ শৰ্ম্মা কটকী | কটকী পুখুৰী, | ,, |
| ৪৪। ,, মুকুন্দধৰ বৰুৱা বি, এ, | যোৰহাট টাউন | ২১।১।২৫ |
| ৪৫। ,, মিত্ৰদেব মহন্ত | সৰ্ব্বাইবন্ধা | |
| ৪৬। ,, মহিকান্ত হাজৰিকা | চতাই বাগিচা; চেলেংহাট | ৩০।৪।২৫ |
| ৪৭। ,, যোগেশচন্দ্ৰ বৰকটকী | যোৰহাট টাউন | ১২।১২।২৪ |
| ৪৮। মৌঃ ৰুকুনদ্দিন আহ্মদ বি, এল, | ,, | ১৯।৯।২৪ |
| ৪৯। শ্ৰীযুত ৰমাকান্ত বৰকাকতি বি, এল, | ,, | ২৮।১১।২৪ |
| ৫০। ,, ৰত্নধৰ বৰকটকী | ,, | ২৭।১০।২৫ |
| ৫১। ,, লোকনাথ ফুকন বি, এচ, চি, | ,, | ২১।১।২৫ |
| ৫২। ,, লক্ষেশ্বৰ বৰুৱা বি, এল, | কেন্দুগুৰী | ২৫।১১।২৫ |
| ৫৩। ,, লক্ষেশ্বৰ শৰ্ম্মা বৰুৱা বি, টি, | যোৰহাট টাউন | ২৩।১২।২৫ |
| ৫৪। ,, লৱনাথ শৰ্ম্মা ৰাজখোৱা | হাতিগড় বাগিছা, চিনামৰা | ২৯।৬।২৬ |
| ৫৫। ,, ৰায় বাহাদুৰ, শিৱপ্ৰসাদ বৰুৱা | যোৰহাট টাউন | ৩০।৩।২৫ |
| ৫৬। ,, শৰৎ কুমাৰ শৰ্ম্মা বি, এ, | ,, | ২৭।১০।২৫ |
| ৫৭। ,, সুৰেশচন্দ্ৰ ঠাকুৰ বি, টি, | ,, | ১৪।১১।২৪ |
| ৫৮। ,, সুৰেন্দ্ৰ নাথ হাজৰিকা | মাজুলী | ৩০।৪।২৫ |
| ৫৯। ,, সুৰেন্দ্ৰ নাথ বেজবৰুৱা | নকচাৰী | ২৬।১১।২৫ |
| ৬০। ,, হিতেশ্বৰ বৰ বৰুৱা | চকলাটিঙ্গা | ২৮।১১।২৪ |



| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ৬১। শ্ৰীযুত হেৰম্ব প্ৰসাদ বৰুৱা, এম, এ, বি, এল | যোৰহাট টাউন | ১২।১২।২৪ |
| ৬২। ,, হৰিনাৰায়ণ দত্ত বৰুৱা | ,, | ,, |
| ৬৩। ,, হেমধৰ বৰুৱা | ৰজাহাউলী | ৩০।৪।২৪ |
| ৬৪। ,, ক্ষেত্ৰধৰ বৰ গোহাঁই বি, এ, | যোৰহাট টাউন | ৩০।৩।২৫ |
| ৬৫। ,, তাৰানাথ শৰ্ম্মা | ,, | ২৯।৬।২৬ |
| ৬৬। ,, তুলসী নাৰায়ণ শৰ্ম্মা, এম, এ, | ঢেকিয়া খোৱা | ৮।১০।২৬ |
| ৬৭। ,, শিৱনাথ শৰ্ম্মা, বি, এচ, চি | যোৰহাট টাউন | ,, |
| ৬৮। ,, ধণকান্ত বৰুৱা বি, এ | ,, | ,, |
| ৬৯। ,, সুৰেন্দ্ৰ নাথ দত্ত, এল, এম, পি ডাক্তৰ | তিতাবৰ | ,, |
| ৭০ ,, কাশীকান্ত বৰুৱা বি, এ | যোৰহাট টাউন | ,, |
| ৭১। ,, অক্ষয় চন্দ্ৰ সেন, বি, এল | ,, | ২২।৪।২৭ |
| ৭২ ,, লোকনাথ শৰ্ম্মা | ,, | ,, |
| ৭৩। ,, লক্ষ্মীনাথ দত্ত, বি, এচ, চি | ,, | ,, |
| ৭৪। ,, দিবাকৰ ফুকন | ,, | ,, |
| ৭৫। ,, বাপুৰাম দত্ত, বি, এ, | কাকজান | ,, |
| ৭৬। ,, অকণধৰ বৰ কটকী | যোৰহাট টাউন | ,, |
| ৭৭। ,, গোপাল চন্দ্ৰ দত্ত | ,, | ২০।৬।২৭ |
| ৭৮। ,, সৰ্ব্বানন্দ শৰ্ম্মা | ,, | ,, |
| ৭৯। ,, কৃষ্ণকান্ত সন্দিকৈ, এম, এ, পি এচ, ডি | ,, | ,, |
| ৮০। মৌঃ মজিদুৰ ৰহমান বি, এ, | ,, | ৩০।৯।২৭ |
| ৮১। শ্ৰীযুত নন্দনাথ শৰ্ম্মা বৰুৱা | ,, | ২৮।৫।২৯ |
| ৮২। ,, নীলধৰ শৰ্ম্মা বৰুৱা | ,, | ,, |
| ৮৩। ,, কৈলাস চন্দ্ৰ শৰ্ম্মা | ,, | ,, |
| ৮৪। ,, লক্ষীনাথ বৰদলৈ | ,, | ,, |
| ৮৫। ,, জীবকান্ত বৰ পূজাৰি, বি, এল, | ,, | ,, |
| ৮৬। মৌঃ মহম্মদ আলি | ,, | ,, |
| ৮৭। শ্ৰীযুত ভীমসেন শৰ্ম্মা | ,, | ,, |
| ৮৮। ,, দেবেশ্বৰ শৰ্ম্মা বি, এল | কেন্দুগুৰী | ,, |
| ৮৯। ,, পদ্মনাথ শৰ্ম্মা | চেনিজান | ৩।১০।২৯ |
| ৯১। ,, ৰত্নেশ্বৰ শৰ্ম্মা | যোৰহাট টাউন | ২৮।৫।২৯ |
| ৯২। ,, কীৰ্ত্তিনাথ বৰদলৈ | ,, | ৩।১০।২৯ |
| ৯৩। ,, দেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী | ,, | ৩।১০।২৯ |
| ৯৪। ,, চন্দ্ৰকান্ত বৰ পূজাৰি | ,, | ২০।৬।২৭ |

| নাম | ঠিকনা | ভৰ্ত্তিৰ তাৰিখ |
|---|---|---|
| ৯৫। শ্ৰীযুত বিনন্দচন্দ্ৰ ভট্টাচাৰ্য্য | যোৰহাট টাউন | ১৯।৯।২৪ |
| ৯৬। ,, মৌ: ফাইজুদ্দিন আহ্মদ, বি, এল, | ,, | ১৯।১।৩০ |
| ৯৭। ,, পাৰ্ব্বতী প্ৰসাদ বৰুৱা বি, এ, | গটঙা | ,, |
| ৯৮। পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ | যোৰহাট টাউন | ,, |
| ৯৯। শ্ৰীযুত লম্বোদৰ দত্ত | চাৰিগাওঁ | ১।৭।৩০ |
| ১০০। ,, গোলাপচন্দ্ৰ বৰুৱা | যোহাট টাউন | ২৮।৫।২৯ |

আসাম সাহিত্য সভাৰ সভ্য সকলৰ নাম ওপৰত দিয়া হল। কোনো সভ্যৰ ঠিকনা সাল-সলনি হোৱাত যদি কাৰোবাৰ নাম আমাৰ লষ্টিত বাদ পৰি গৈছে, অনুগ্ৰহ কৰি আমাক জানিবলৈ দিলে পৰম বাধিত হম। কোনো সভ্যই ঠিকনা সলণি কৰিলে আমাক আগতে জানিবলৈ দিলে ভাল।

আসাম সাহিত্য সভা,<br>
চন্দ্ৰকান্ত সন্দিকৈ হল,<br>
যোৰহাট।

শ্ৰীদেবেশ্বৰ চলিহা।<br>
প্ৰধান সম্পাদক,<br>
আসাম সাহিত্য সভা।

---

## ভাষাতত্ত্ব আৰু ব্যাকৰণ।

**বহুবচন** অসমীয়া ভাষাত শব্দৰ ৰূপভেদ বচন অনুসৰি নহয়। অৰ্থাৎ একেটা শব্দই কোনো প্ৰত্যয় আদি লগত নোলোৱাকৈ বা তাৰ আভ্যন্তৰিক পৰিবৰ্ত্তন (inflexion) নোহোৱাকৈ এটা সংখ্যা বা অধিক সংখ্যা বুজায়। যেনে, "আলহী আহিছে" বুলিলে এজন আলহী আহিছে নে সৰহ আলহী আহিছে কোনেও কব নোৱাৰে। এনে অনিৰ্দ্দিষ্টসংখ্যাসূচক বাক্য আমাৰ ইংৰাজী বা সংস্কৃতলৈ তৰ্জমা কৰিব নোৱাৰি, হিন্দী ভাষলৈকো নোৱাৰি। সেইবিলাক ভাষাত আলহী এজন আহিছেনে ততোধিক আহিছে সেইটো ভলাই পৰিব। এতেকে আলহী শব্দৰ বহুবাচক ৰূপ নাই, ইংৰাজী, সংস্কৃত আৰু হিন্দীত যেনেকৈ আছে— 'guests,' 'অভ্যাগতাঃ', 'অতিথিয়োঁ'। যদি আলহী একাধিক জন আহিছে তেনেহলে 'আলহী' শব্দ ৰূপত এক বচন অৰ্থত বহু বচন; কিন্তু এনে এটা বেমেজালি সৃষ্টি কৰি ব্যাকৰণ লেখাৰ একো দৰ্কাৰ নাই। "দহজন আলহী আহিছে"—এই বাক্যত আলহী শব্দ এক বচনত নে বহু বচনত? এতেকে দেখা গল, অসমীয়াত একেটা শব্দকে দুই বচনতে ব্যৱহাৰ কৰা হয়। অৰ্থাৎ অসমীয়াত (বঙলাতো) বচন নাই। কোনোৱে এই দিনিতে কব 'বোৰ' আৰু 'বিলাক' প্ৰত্যয় যোগ কৰিলে শব্দ বহুবাচক হয়। কিন্তু তেনে শব্দৰ ব্যৱহাৰ নাই; অৰ্থাৎ আমি "বহুত আলহী বোৰ" বা "দহ আলহী বিলাক" নোবোলো। কোনোৱে কব পাৰে—'বহুত' শব্দ থকাৰ বাবে শব্দৰ পাচত 'বোৰ' 'বিলাক' প্ৰত্যয় অনাৱশ্যক। কিন্তু অইন ভাষাত হলে ঠিক এনে অৱস্থাতেহে বহুবাচক প্ৰত্যয়ৰ আৱশ্যক হয়। এতেকে অসমীয়া (তথা বঙলা) ভাষা এই সম্বন্ধে অইন বহুত ভাষাৰ লগত নিমিলে। আচলতে এই দুই ভাষাত এক বচনৰ ৰূপটোৱেই দুই বচনতে ব্যৱহৃত হয়। তদুপৰি 'বোৰ' 'বিলাক' শব্দ দুটা এতিয়াহে 'বহুত'



শব্দৰ পাচত অনাৱশ্যক হল আগেয়ে নহৈছিল এনেও নহয়, ভুলতো কোনেও ব্যৱহাৰ নকৰে, ইচ্ছা কৰিলেও ব্যৱহাৰ নোৱাৰি; কাৰণ এই দুটা শব্দৰ বেলেগ সাৰ্থকতা আছে। সিহঁত নিৰ্দ্দিষ্টকাৰী; গতিকে অনিৰ্দ্দিষ্ট বাচক 'বহুত' শব্দৰ পাচত নবহে। "আলহীবোৰ আহিছে" বুলিলে যে কেৱল সৰহ আলহী বুজি এনে নহয়, আমি কিছুমান নিৰ্দ্দিষ্ট মানুহ বুজোঁ যাৰ বিষয়ে আগেয়ে জনা আছে। 'আলহীবোৰ' বুলিলে আমি 'guests' নুবুজো 'the guests' বুজোঁ। এতেকে এই 'বোৰ' আৰু 'বিলাক' শব্দ (definite articles) নিৰ্দ্দিষ্টকাৰী উপশব্দ; প্ৰত্যয় নহয়। ইহঁত যে প্ৰত্যয় নহয় সেইটো সহজে অনুমেয়, যেতিয়া আমি মন কৰোঁ যে সিহঁত যাই শব্দৰ লগত যুক্ত হৈ নেযায়। 'মানুহবোৰ' বা 'মানুহবিলাক' বুলিলে যে তাত দুটা বেলেগ বেলেগ শব্দ আছে উচ্চাৰণেই কৈ দিয়ে; মানুহ শব্দৰ 'হ' টো হসন্ত হৈয়ে থাকিল। কিন্তু 'মানুহৰ' (মানুহ+ৰ), বা 'মানুহেৰে' (মানুহ+এৰে) বোলোঁতে 'হ' টো স্বৰান্ত হব লগাত পৰিছে, কিয়নো, পাচৰ প্ৰত্যয় মূল শব্দৰ অন্তৰ্ভুক্ত হৈছে। সকলো ভাষাতে প্ৰত্যয় মূল শব্দৰ লগত ভুক্ত হৈ একেটা শব্দ হৈ পৰে। এনে অৱস্থাত 'বিলাক' আৰু 'বোৰ' শব্দক প্ৰত্যয় বুলিব নোৱাৰি। অসমীয়া ভাষাত এনেকুৱা কিছুমান উপশব্দ আছে যেনে টো, টোপা, টি, ডোখৰ, খন, দৰা, খিলা, জনী, জনা, জন, গৰাকি, ছটা, জোপা, জাক, মথা, বিৰা, ইত্যাদি। 'বিলাক' আৰু 'বোৰ' শব্দও ইহঁতৰ লগৰে। ইহঁতৰ কিছুমান নিৰ্দ্দিষ্ট বাচক, কিছুমান আকৌ যাই শব্দৰ আগত বহিলে অনিৰ্দ্দিষ্টবাচক আৰু পাচত বহিলে নিৰ্দ্দিষ্টবাচক হয়। কিছুমান স্ত্ৰীলিঙ্গ বা পুংলিঙ্গ বাচক। কিছুমান কোনো বিশেষ শব্দৰ পাচতহে বহে, কিছুমান যেই সেই শব্দৰ পাচতে বহে।

সংস্কৃতত তিনটা বচনৰূপ আছিল—একবচন, দ্বিবচন, বহুবচন। প্ৰাকৃতত দুটা হল, একবচন আৰু বহুবচন। আধুনিক ভাষা অসমীয়াত কেৱল এটাত ৰৈছেগৈ। বোৰ বিলাক প্ৰভৃতি স্বকীয়া শব্দ যোগ দি সৰহ বুজোৱা প্ৰণাটোক বিশ্লেষণ প্ৰথা (Analytical) বোলে। অসমীয়া ভাষাই এই প্ৰথা তিব্বতী হিমালয়ীন ভাষা বিলাকৰপৰা পাইছে। (ক) সংস্কৃতত আৰু ইৰাজীতো পুৰণি সংশ্লেষণ (Synthetic) প্ৰথা মতেই শব্দৰ বচন চাই ৰূপ ভেদ হয়। এতিয়া এই নতুন প্ৰথা মতে আমি বেলেগ বেলেগ উপশব্দ যোগ দি এটা বস্তুকো বুজাব পাৰোঁ। দুটাকো পাৰোঁ। অলপীয়া বস্তুকো বুজাব পাৰোঁ। সৰহীয়াকো পাৰোঁ। যেনে, গৰুটো, গৰুহাল, গৰুকেটা, গৰুবোৰ।

---

## আত্মাৰ মিলন।

আত্মাই মিলিব খোজে মোৰ<br>
তোমাৰ আত্মাৰে,<br>
নোৱাৰে ধৰিব লগ ঘনে<br>
মায়াই আগুৰে।

সেইহে কান্দে মোৰ প্ৰতি অঙ্গ<br>
তৱ প্ৰতি অঙ্গ লই,<br>
দেহৰ মিলনে মাতে শুদ্ধ<br>
আত্মাৰ মিলন হৈ হৈ।

শ্ৰীবস্তুকান্ত বৰকাকতি।